
# প্ৰাগজ্যোতি

Haloi College Library
Estd. 1979
22

Haloi College
Estd. 1979
24



সন-১৯৭৩-৭৪ইং

সম্পাদক: নয়ণ কুমাৰ মেধি

# প্ৰাগ্‌জ্যোতি

## নির্মল হালৈ মহাবিদ্যালয়ৰ বছৰেকীয়া আলোচনী

১৯৭৩-৭৪ চন ।

Nirmal Haloi College

শ্ৰদ্ধাৰে/মৰমেৰে

প্ৰতি—

শ্ৰী ______________________

______________________

তত্ত্বাৱধায়ক :
শ্ৰীঅনিল চন্দ্ৰ মজুমদাৰ

সম্পাদক :
শ্ৰীনয়ন কুমাৰ মেধি

সম্পাদক :
শ্ৰীনয়ন কুমাৰ মেধি ।

তত্ত্বাৱধায়কঃ
শ্ৰীঅনিল চন্দ্ৰ মজুমদাৰ ।

## 'প্ৰাগ্‌জ্যোতি' সম্পাদনা সমিতি

১৯৯৩-৯৪ ইং চন।

সভাপতি :

অধ্যক্ষ শ্ৰীযুত ৰমেশ চন্দ্ৰ শৰ্মা।

তত্বাৱধায়ক :

অধ্যাপক শ্ৰীঅনিল চন্দ্ৰ মজুমদাৰ।

সম্পাদক : শ্ৰীনয়ন কুমাৰ মেধি।

সদস্য :

অধ্যাপক শ্ৰীনিৰ্ম্মল শইকীয়া।

অধ্যাপক শ্ৰীৰুদ্ৰ কলিতা।

অধ্যাপক শ্ৰীপ্ৰণৱ দাস।

শ্ৰীবিকাশ তালুকদাৰ।

শ্ৰীপ্ৰীতিৰেখা তালুকদাৰ।

---

বেটুপাতৰ শিল্পী—

শ্ৰীগোপেন্দ্ৰ মজুমদাৰ।

অংগ সজ্জা—

শ্ৰীঅনিল চন্দ্ৰ মজুমদাৰ।

শ্ৰীৰুদ্ৰ কলিতা।

মুদ্ৰণ— জয়শ্ৰী প্ৰিন্টিং প্ৰেছ, নলবাৰী।

Nirmal Haloi College Library
Estd. — 1979
Acc No. 22
Date

# সূচীপত্ৰ

১। সম্পাদকীয় :

২। কবিতা মালঞ্চ :

ভোগালী : পৰাগ কুমাৰ দেৱ চৌধুৰী ॥ ১ ॥ ভোগালী : শ্ৰীনৱ কুমাৰ শৰ্মা ॥ ২ ॥ জন্ম হওঁক এক মহামানৱৰ : মিচ্‌ ৰেণুকা দাস ॥ ২ ॥ 'বন্ধু' : মিছ চন্দনা ডেকা ॥ ৩ ॥ "জাগ্ৰত জননী" : শ্ৰীমৃনালিনী বায়ন ॥ ৩ ॥ ক্ষত-বিক্ষত : চানক্য ডেকা ॥ ৪ ॥ শেৱালী : শ্ৰীজয়াৰাণী খাটনিয়াৰ ॥ ৪ ॥ অনুভূতি : শ্ৰীধনজিৎ কুমাৰ পাঠক ॥ ৫ ॥ শান্তিৰ পথ বিচাৰি : সুভাষ দাস ॥ ৫ ॥ বাবাজী : শ্ৰীদিপীকা কলিতা ॥ ৬ ॥ কাল প্ৰবাহ : শ্ৰীৰঞ্জিত ৰঞ্জন ডেকা ॥ ৬ ॥ স্মৃতি : শ্ৰীঅচিন্ত কুমাৰ দাস ॥ ৭ ॥ মৰবিশালী : শ্ৰীচিনু কলিতা ॥ ৭ ॥ জীৱনৰ এটি মূহুৰ্ত্ত : শ্ৰীকমলা কলিতা ॥ ৮ ॥ মৃত্যুৰ বিভীষিকা : শ্ৰীহৰিশ গোস্বামী ॥ ১০ ॥ এজাক ধুমুহা : মিচ্‌ চন্দনা মেধি ॥ ১০ ॥ বাঘ : মঃ তৰিফ আলি ॥ ১১ ॥ সংগ্ৰাম : শ্ৰীসঞ্জয় কুমাৰ কলিতা ॥ ১২ ॥

৩। গল্প-গুচ্ছ :

অতৃপ্ত বাসনা : শ্ৰীনৱকুমাৰ শৰ্মা ॥ ১৩ ॥ "হেৰোৱা জীৱনৰ ছন্দ" : বাবুল হুছেইন ॥ ১৪ ॥ ভগ্ন হৃদয় : শ্ৰীনিৰুপমা মজুমদাৰ ॥ ২২ ॥ পৰিবৰ্ত্তন : শ্ৰীনিৰোদ কুমাৰ শৰ্মা ॥ ২৪-ক ॥ নিয়তিৰ পৰিহাস : শ্ৰীপুপুল শৰ্মা ॥ ২৫ ॥

৪। প্ৰৱন্ধমালা :

বিয়ানামত অসমীয়া সামাজিক-জীৱনৰ চিত্ৰ : শ্ৰীমনোজ কুমাৰ শৰ্মা ॥ ২৮ ॥ ট্ৰেজেডিৰ দৃষ্টিভংগীৰে সাৰদা বৰদলৈৰ গহীন সামাজিক নাটক : 'মগৰীৰৰ আজান' : এটি আলোচনা : শ্ৰীঅনিল চন্দ্ৰ মজুমদাৰ ॥ ৩৪ ॥ যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস : শ্ৰীৰুদ্ৰ কলিতা ॥ ৪০ ॥ এটি ভ্ৰমণ কাহিনী : শ্ৰীগৌতম দাস ॥ ৪৪ ॥ দৃষ্টিপাত : "একবিংশ শতিকাৰ দুৱাৰডলিত অসমৰ ছাত্ৰ সমাজ" : শ্ৰীপ্ৰণৱ দাস ॥ ৪৮ ॥ শ্ৰীহেমন্ত কুমাৰ ৰয় ॥ ৫২ ॥

সম্পাদকীয় প্ৰতিবেদন ঃ


ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ শ্ৰীপৰেশ ডেকা ।। ৬৪ ।।
সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ শ্ৰীধৰণীধৰ বৰ্মন ।। ৫৭ ।।
সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ শ্ৰীঅনিল তালুকদাৰ ।। ৫৮ ।।
তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ শ্ৰীৰঞ্জিত ৰঞ্জন ডেকা ।। ৫৯ ।।
ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন ঃ শ্ৰীমাধৱ দত্ত ।। ৬০ ।।
ছাত্ৰী জিৰণী চ'ৰাৰ সম্পাদিকাৰ প্ৰতিবেদন ঃ মিচ্ বীণাপাণি কলিতা ।। ৬১ ।।
লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ঃ শ্ৰীভূপেন বৰুৱা ।। ৬৩ ।।
ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন ঃ শ্ৰীউৎসৱ ৰয় ।। ৬৪ ।
**Present day College Administration : Dr. R. C. Sarma ॥ 1 ॥**
**Religion— its proper role today : Manik Das ॥ 6 ॥**
সাক্ষাৎকাৰ ঃ অচিন্ত কুমাৰ দাস ।। ৪ ।।




মহাবিদ্যালয়ৰ অধ্যক্ষ
শ্ৰদ্ধেয় ড° ৰমেশ চন্দ্ৰ শৰ্মা



## সম্পাদকীয় ঃ

নির্মল হালৈ মহাবিদ্যালয়ৰ আলোচনী 'প্ৰাগ্‌জ্যোতি'ৰ সম্পাদকৰ প্ৰতিবেদনৰ প্ৰাক্‌মূহুৰ্ত্তত যিসকল মহান ব্যক্তি আৰু বীৰ শ্বহীদৰ মৃত্যু হল সেই সকলৈলৈ মোৰ সশ্ৰদ্ধ প্ৰণিপাত জনাইছোঁ। এই ছেগতে মোক এনেকুৱা মহান অনুষ্ঠান এটাৰ দাপোণ স্বৰূপ আলোচনীখনৰ সম্পাদক হিচাবে দায়িত্ব দিয়া সংশ্লিষ্ট সকলোলৈকে মোৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছোঁ।

সাহিত্যৰ বিভিন্ন অংগৰ ভিতৰত আলোচনীৰ ভূমিকা কম নহয়। বৰ্ত্তমান ব্যস্ততাৰ যুগত মানুহে কম সময়ৰ ভিতৰতে দেশৰ বিভিন্ন বিষয়ৰ সম্ভেদ লোৱা বা সাহিত্যৰ ৰস গ্ৰহণ কৰিবৰ বাবে আলোচনীকেই সুমাধ্যম হিচাপে গ্ৰহণ কৰিছে। কবিতা, নাটক, উপন্যাস, চুটিগল্প আদিৰ দৰে আলোচনীয়েও যিকোনো ভাষা সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰত ভালেখিনি সহায় কৰিব পাৰে। আলোচনী সমসাময়িক সমাজখনৰ চিন্তাধাৰাৰ মুকুৰ স্বৰূপ। দাপোণত নানা বস্তুৰ প্ৰতিবিম্ব উঠাৰ দৰে আলোচনীতো সমসাময়িক বিভিন্ন লিখকৰ চিন্তাধাৰা প্ৰতিফলিত হয়। আলোচনী এখনত বহু লিখকৰ বিভিন্ন ৰুচি চিন্তাধাৰা সম্বলিত ৰচনা পোৱা যায়। ই অকল ভাষা সংস্কৃতিৰে বাহক নহয়। স্তৰে স্তৰে নৱ লিখকৰ নতুন প্ৰকাশ ভংগীৰো বাহক। প্ৰকৃততে প্ৰত্যেকজন লিখকৰে ৰচনা শৈলীও ভিন ভিন। কিন্তু মন কৰিবলগীয়া কথা যে একেখন আলোচনীতেই কবিতা, গল্প, উপন্যাস, ধেমেলীয়া কথা, ব্যংগ ৰচনা, খেলা-ধূলা, দেশৰ ৰাজনীতি, অৰ্থনীতি আদি বিষয়ৰ আলোচনা সন্নিবিষ্ট কৰা হয়। আলোচনী এখনত কাল্পনিক

বা সৃজনী মূলক ৰচনা আৰু নানা বিষয়ৰ সমালোচনাক হে প্ৰাধান্য দিয়া হয়। আলোচনী এখনত সাহিত্যৰ নতুন ধাৰাৰ লগত পৰিচয় ঘটাই লিখক সকলক সেই ধাৰাত সাহিত্য সৃষ্টি কৰিবলৈকো অনুপ্ৰেৰণা যোগোৱা হয়। আলোচনী এখন এক প্ৰকাৰ এটা জাতিৰ চিন্তা ধাৰাৰ বাহক স্বৰূপ। সেইহে আজি বিশ্বৰ সকলো সভ্য জাতিৰ মাজৰ আলোচনীৰ প্ৰভূত সমাদৰ।

গোটেই ৰাজ্যখনতে বৰ্ত্তমান এক অস্থিৰতাই বিৰাজ কৰিছে। চাৰিওফালে মাথোন হত্যা লুণ্ঠন, ধৰ্ষণ আৰু অপহৰণৰ বিভীষিকাই দেশখন ছানি পেলাইছে। সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, সাংস্কৃতিক আৰু শিক্ষা জীৱনৰ এক 'অনিশ্চিত ভবিষ্যতে সকলোকে ভয়াতুৰ কৰি তুলিছে। এনেকুৱা অস্থিৰ পৰিবেশত আলোচনী এখনৰ ভূমিকা বিশেষ গুৰুত্বপূৰ্ণ বুলি মই ভাবো। 'তৰোৱালতকৈ কলমৰ ধাৰ চোকা' বুলি কোৱা কথাষাৰেই ইয়াৰ প্ৰমাণ দাঙি ধৰে। সেয়েহে আলোচনীত নতুন লিখক সকলে বিভিন্ন সমালোচনাত্মক প্ৰবন্ধৰে দেশৰ এই অৱস্থাৰ উপশম ঘটাব বুলি মোৰ বিশ্বাস।

আলোচনী এখন সজাই পৰাই তোলাতো বৰ সহজ কথা নহয়। ইয়াক সৰ্ব্বাঙ্গ সুন্দৰ কৰিব লাগিলে ইয়াৰ লিখনি সমুহো উন্নত মানৰ হোৱা উচিত। যিহেতু আলোচনীৰ পাততে জন্ম হয় ভবিষ্যত সাহিত্যিক সকলৰ। নিৰ্মল হালৈ মহাবিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ স্বৰূপ 'প্ৰাগ্‌জ্যোতি' আলোচনীয়ে ইয়াৰ ছাত্ৰ-ছাত্ৰীৰ আটাইলৈকে সুবিধা দিব নোৱাৰিলেও এচাম ছাত্ৰ-ছাত্ৰীক নিশ্চয় সুবিধা দিছে। তেওঁলোকৰ লিখনিয়ে ইয়াৰ ভিতৰ চৰা উজ্বল কৰি তুলিছে। কিন্তু ইয়াৰ ভাল বেয়াৰ বিচাৰ পাঠক পাঠিকা সকলৰ হাতত। আলোচনীখনত প্ৰকাশৰ বাবে আমাৰ হাতত পৰা আটাইবোৰ বিষয় বিভিন্ন কাৰণত প্ৰকাশ কৰিব পৰা নগল, তাৰ বাবে সদৌটিৰে ওচৰত মাৰ্জনা বিচাৰিছোঁ।

শেষত আলোচনীখনৰ সকলো দিশতে সহায় আৰু পৰামৰ্শ দিয়া মোৰ মাননীয় শিক্ষাগুৰু শ্ৰীযুত অনিল চন্দ্ৰ মজুমদাৰ দেব, আলোচনীখনৰ সম্পাদনা সমিতি আৰু সমূহ ছাত্ৰ ছাত্ৰী বন্ধু-বান্ধৱীলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। পুনৰ আলোচনী এখনৰ নিচিনা মহৎ কাৰ্য্যৰ দায়িত্ব ভাৰ অৰ্পন কৰা সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰি "প্ৰাগ্‌জ্যোতি"ৰ উত্তৰোত্তৰ কামনা কৰি প্ৰতিবেদন সামৰিছোঁ।

শ্ৰদ্ধা সহকাৰে -
**শ্ৰীনয়ন কুমাৰ মেধি,**
সম্পাদক।



# কবিতা

## ভোগালী

পৰাগ কুমাৰ দেৱ চৌধুৰী
স্নাতক ২য় বাৰ্ষিক

মাঘ, তোৰেই ৰঙৰ
এটি নাম ভোগালী।
মাঘ !!
তোৰ ৰঙৰ ভোগত
আজি মই ভাগ লব পৰা নাই,
দেশৰ বুকুত চলিছে
হিংসাৰ তাণ্ডৱ
নৰ খাদকৰ ভোগ।
যোৱা বেলিতেই,
দেশৰ বুকুত,
দেশৰ হকে মই হলো পংগু
ধ্বনী আছিল মোৰ
শোনিতৰ তুৰ্য্যধ্বনী।
মাঘ !
তইয়ো ছাগে দেখিছিলি
আইৰ বুকুৰ ওপৰত
তাণ্ডৱৰ ভগা বীণ খনি !

আই মোৰ,
তোৰ বুকুৰ তেজৰ টোপাল
শতৰুৰ ভোগ
সিহতে পাতিছে আজি
তেজতেই ভোগালী।

আই,
মই আজি পংগু
তথাপিতো মোৰ কলম;
স্তব্ধ হোৱা নাই।
লিখি যাম মই কবিতা
নাম দিম ভোগালী
যদিওঁ পংগু মই ! □

( খিতাতে কবিতা লিখা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ প্ৰাপ্ত কবিতা )

## ভোগালী

শ্ৰীনৱ কুমাৰ শৰ্ম্মা
স্নাতক দ্বিতীয় বৰ্ষ (কলা)
অসমীয়া গুৰু পাঠ্যক্ৰম

কুঁৱলী ভৰা আকাশত
সেয়া কিহৰ শিখা ?
বন্ধু, দেখিছানে তুমি ?
দাউ দাউ কৈ জ্বলা
মেজিৰ জুইকুৰা —
কৃষ্টি, সভ্যতা, সমন্বয়ৰ
জলন্ত স্বাক্ষৰ,
অগণন বৰ্ণাঢ্য ইতিহাসৰ সাক্ষী
সেইকুৰা জুই ।
ক'ত মানৱ আত্মাই
মুকলি মনেৰে মিলিত হয়
সেইকুৰা অগনিত ।
বিভেদৰ অংকুৰিত বীজ, মষিমুৰ কৰি
দলিয়াই দিয়ে সিহঁতে
ভবিষ্যতৰ সপোন দেখি ।
বন্ধু !! সেয়াই ভবিষ্যতৰ সোপান ( উৎস )
সিহঁতৰ চকুত—
স্বপ্নায়িত হৈ থাকে সেউজী পৃথিৱী । □

[ থিতাতে লিখা কবিতা প্ৰতিযোগিতাৰ
দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত কবিতা ]

## জন্ম হওঁক এক মহামানৱৰ

মিচ্ ৰেণুকা দাস
স্নাতক দ্বিতীয় বাৰ্ষিক

জন্ম হওঁক পুনঃ
এক ঐতিহাসিক মহামানৱৰ,
যি মহামানৱে নাশিব পাৰিব
পাপ পংকিলতা মানৱৰ পৰা
পৃথিৱী আজি ভৰপুৰ
হিংসা, দ্বেষ, ঘৃণা-পাপেৰে,
যাৰ কৱলৰ পৰা
নোৱাৰে সাৰিব কোনো মানৱে জীৱনত
সেয়েহে সৃষ্টি হলে এক মহামানৱৰ
মাতৃত্বৰ প্ৰেমেৰে ভৰিব ধৰা
নাথাকিব পাপ কলুষতা
মহামানৱৰ মহান কামেৰে
আৰু মহান আদৰ্শৰে
অনুপ্ৰাণিত হৈ সকলোৱে
পুনঃ সজাই তুলিব ধৰা
নিকা কৰি সাৰি-মচি
চিৰকলীয়া কলাঙ্ক সমাজৰ । □



## 'বন্ধু'

মিছ চন্দনা ডেকা
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

হে মোৰ মৰমৰ বন্ধু
যাওঁ বলা সোঁৱা
যুদ্ধ ক্ষেত্ৰলৈ
তুমি ভয় কৰিছা
বন্ধু
যুদ্ধ ক্ষেত্ৰলৈ যাবলৈ
নে বন্ধু !
মোৰ ৰক্তাক্ত দুহাত দেখি
তুমি চমকি উঠিছা
প্ৰাণৰ মমতাত…
ভয় নকৰিবা বন্ধু !
হাতত অস্ত্ৰ তুলি লোৱা,
আৰু যুদ্ধ ভূমিলৈ অগ্ৰসৰ হোৱা…
জানা বন্ধু " অহিংসাই পৰম ধৰ্ম "
এতিয়া আৰু নাই ।
এতিয়া গান্ধীৰ যুগ নাই
এতিয়া মাথো মই, তুমি
আৰু বহুতো
নতুন পুৰুষৰ দল,
কেৱল নতুন পুৰুষৰ…
বুজিলানে বন্ধু ?
ব'লা যুদ্ধ ক্ষেত্ৰলৈ…
পলম নকৰিবা বন্ধু,
আমাৰ বাবে যে
বাট চাই আছে
যুদ্ধই…… □

## " জাগ্ৰত জননী "

শ্ৰীমৃনালিনী বায়ন ।
উঃ মাঃ দ্বিতীয় বাৰ্ষিক

হে চিৰ জাগ্ৰত জননী,
তোমাৰ কোলাত সহস্ৰ সংগ্ৰাম ।
জীয়াই জীয়াই নিঃশেষ হোৱা,
ইতিহাসৰ প্ৰতিচ্ছবি তোমাৰ ।
নৱ উদিত সূৰুজৰ ন কিৰণেৰে,
ৰাঙলী কোলা তোমাৰ ,
বিভেদহীন সমাজৰ সৃষ্টি —
তোমাৰেই হাতত,
প্ৰদান কৰা শত সৎ পুৰুষৰ । □

## ক্ষত-বিক্ষত

চানক্য ডেকা
স্নাতক ২য় বাৰ্ষিক

মোৰ ক্ষত বিক্ষত দেহৰ
প্ৰতিটো তেজৰ কণিকাত
আছে সুপ্ত আগ্নেয়গিৰিৰ
হেজাৰ লাভা ;
বৈ আছে, শতাব্দী জুৰি
উদ্গীৰণৰ অপেক্ষাত
বিচাৰো মাথো
এটি সোণালী আভা । □

## :: শেৱালী ::

শ্ৰীজয়াৰাণী খাটনিয়াৰ ।
স্নাতক তৃতীয় বৰ্ষিক

ৰাতিৰ এন্ধাৰত
দেহ শুৱনী কৰি
ফুলি উঠিছিলা তুমি শেৱালী ।
কিন্তু হায় ! নিষ্ঠুৰ সময়ে
এনিশাৰ শেষতে
জীয়া যৌৱন কাঢ়ি নিলে ।
নিয়তিয়ে সজালে তোমাক
এনিশাৰ ভিতৰতে
সেয়ে তুমি পাটগাভৰু হ'লা ।
বুকুত সাৰটি ৰাখি
হাজাৰ স্বপ্ন
নিস্তেজ হৈ গ'লা ।
উচ্চ স্বৰ কৰি
চিঞৰি কোৱা যে
যৌৱন হৃদয়ৰ উত্তাল তৰঙ্গত
আছে মোৰ বহুত ৰঙীন কল্পনা ।
তুমি জানো সুধিলা
নিষ্ঠুৰ নিয়তিক ।
কিয় কাঢ়ি নিলে ?
এনিশাৰ ভিতৰতে
তোমাৰ কেঁচা যৌৱনটি ।
পাষাণ হৃদয়ৰ নিষ্ঠুৰ নিয়তিয়ে
নাজানে তোমাৰ হিয়াৰ করুণ বিনন্দি
উদাসীন নিৰাশ মনেৰে
তোমাক আশ্ৰয় দিলে
আকুল প্ৰকৃতি জননী । □



## অনুভূতি

শ্ৰীধনজিৎ কুমাৰ পাঠক
বি, এ, প্ৰথম বছৰ

[ ১ ]

মৰুভূমিৰ মাজৰ
তুমি শিজু ফুল,
পথিক মই
উট বিহীন
লক্ষ্য তুমি ॥

[ ২ ]

তোমাক লগ পাবলৈকে
অতদূৰ
বগুৱাবাই আহিলো
লগ পাইহে বুজিলো
তুমি বধিৰ ॥

[ ৩ ]

মলঙা মৰম কণ
আতোমটোকাৰিকৈ
বান্ধি ৰাখিছো,
ৰ'দাবলে
অকণো ঠাই নাই ॥ □

## শান্তিৰ পথ বিচাৰি

সুভাষ দাস,
স্নাতক তৃতীয় বাৰ্ষিক ।

মই বহু বাৰ শুনিছো
মাজ ৰাতিও প্ৰতিধ্বনিত হোৱা,
নিৰ্দোষী জনতাৰ
অসহায় আৰ্তনাদ ।

চেগ চাই চাই
নিৰ্লজ্জ কামান্দবোৰে
মুকলি পোহাৰ মেলে ।
আৰু বীভৎস অট্টহাস্য কৰি
নৈতিকতাহীন বৰ্বৰতাৰে
জনতাৰ তেজেৰে হেতালি খেলে ।

নিষ্কলংক নিৰীহ জনতাই
প্ৰতিবাদৰ কণ্ঠ হেৰুৱাই
মাথো চিঞৰী উঠে
শান্তি ... ক'ত শান্তি । □

## বাবাজী

শ্ৰীদিপীকা কলিতা
স্নাতক প্ৰথম বাৰ্ষিক

সৌদল বাবাজী
হাতত কৰম কুণ্ডল,
গাত পীত অম্বৰ।
কপালত ফোট নীলকণ্ঠৰ
মুখেৰে উচ্চাৰিত,
বোম, বোম, বোম ( ভোলানাথ )।
উদ্দেশ্য কি সিহঁতৰ
ভগৱানক লাভ,
( নে ) অমৰত্ব লাভ।
পৃথিৱী জুৰি আজি দুৰ্ভিক্ষ
অন্যায়, অত্যাচাৰ,
( আৰু ) শোষণ, পীড়ণ।
দুৰ্ভিক্ষৰে ভৰা পৃথিৱীত
বাবাজীহঁতে পাহঁৰি গৈছে,
উদ্দেশ্য কি সিহঁতৰ।
আজিৰ বাবাজীহঁতে ফুৰিছে
অনাই-বনাই, ৰদ-বৰষুণ নেওচি
উদ্দেশ্য মাত্ৰ এমুঠি অন্ন। □

## কাল প্ৰবাহ

শ্ৰীৰঞ্জিত ৰঞ্জন ডেকা
স্নাতক তৃতীয় বাৰ্ষিক

স্মৃতিৰ ম্লান দিগন্তত
উড্ডীন মোৰ পৰাক্ৰম,
মনৰ কহুৱানিত আবেগৰ ধুমুহা।

মন্ত্ৰণা কুণ্ঠিত দেহ
জৰাজীৰ্ণ কাল কটাক্ষত
কিংবা কৃতান্তৰ।

কৰ্ণকুহৰত গায় বতাহী মন্ত্ৰ
আত্মাত মানৱৰ শোণিত কলঙ্ক
ধ্বংসৰ আকুতিত মৃত্যুবীজ।

দৃষ্টিৰ তুলিকাত মৰ্মৰিত বেদনা
সময়ৰ শিলাকুটিত শান্তিৰ ছবি,
মৃত্যুৰ দামেৰে জীৱনৰ প্ৰতিশ্ৰুতি ?

নিৰন্ন সময়ত, পিহনি শিলৰ
কলগামিনী নৈৰ মোহনাত
জোনৰ জোৱাৰ। □



## স্মৃতি

শ্ৰীঅচিন্ত কুমাৰ দাস
স্নাতক ২য় বাৰ্ষিক

[ ১ ]
ধুসৰ সন্ধিয়া নিৰিবিলি সময়ত
একেথিৰে চাই আছে আমাক
মোৰ আয়ে।
[ ২ ]
আই, তুমি কিয় উচুপিছা
কল্পনাত চট্‌ফট কৰিছা কিয়
যেন এটি অসুস্থ মানুহৰ দৰে
নিশ্চয় দেউতাক নেদেখাৰ বাবে ?
[ ৩ ]
আই, তুমি কান্দিছা কিয়
চকুলো মই মচি দিওঁ
তুমিটো নিসংগ নহোৱা
আমাৰ ঘৰ অদূৰত, চোৱা...
[ ৪ ]
যৌৱনৰ সোণোৱালী স্মৃতিয়ে যন্ত্ৰণা দিছে
দেউতা তোমাৰ ফালে অগ্ৰসৰ
গোলাপ ফুল এথোপাৰ ওপৰলৈ, বাহুমেলি
তেওঁ হাহিছে, তোমাক চাই মিচিকিয়াইছে
তুমি থিয় হৈ আছা নিৰৱে
কিয় ? কিয় ? বাৰু .. ...
[ ৫ ]
আই, তুমিয়ে নেকি ... ...
দেউতাৰ স্মৃতিৰ অপেক্ষাত থকা
সেই গৰাকী নাৰী। □

## মৰিশালী

শ্ৰীচিনু কলিতা
স্নাতক ২য় বাৰ্ষিক

কোটি কোটি সত্বা জ্বলি শেষ হৈ গ'ল
কেতিয়াবা জানো ৰাতি ফালি সূৰ্য্য ওলাব ?
কাহিলী পুৱাতে কান্দোনৰ ফুল সাজি
মৰিশালী ! তোৰ নিৰ্দয় বুকুত
জুৰ মলয়া বব।
হেজাৰ মুহূৰ্তৰ কণিকা দেখি,
তোৰ বাৰু ভয় নালাগেনে মৰিশালী ?
ভাবনে কেতিয়াবা ?
তোৰ বুকুত কৰুণৰ বিননি আছে,
হিংসাৰ অথবা নিষ্ঠুৰতাৰ ভয়াবহ বিননি॥
তমসাচ্ছন্ন সুৰঙ্গত, মৃত্যু এনেকৈয়ে
সংগোপনে আছে।
জীয়াই থাকি ভাগৰ লাগিলেই
তোৰ কোলালৈ দৌৰি যায়
দিশহাৰা কালান্ত পথিক।
ইমান নীৰৱ তোৰ বৰফ বুকু !!
যাগে কৰবালৈ। এই ফালে
মুখ মুঘুৰিবি।
ইয়াত মই আৰু মোৰ কলম আছো। □

## জীৱনৰ এটি মূহৰ্ত

শ্ৰীকমলা কলিতা,
স্নতক ২য় বাৰ্ষিক।

বসন্তৰ আগমনে কোকিলৰ কুউ মাতে
দশোদিশ হয় মুখৰিত।
মতলীয়া অলিকুল ফুলৰ গোন্ধত
গাই ফুৰে গুণ গুণ গীত ॥
প্ৰকৃতিৰ আনন্দতে নিজক পাহৰি
আছো মাথো লীলা খেলা চাই।
এনেতে শুনিব পালো হে মোৰ বান্ধৱী
হ'ল তোমাৰ শুভ পৰিণয় ॥
যাৰ যত্নে অন্নে বস্ত্ৰে লালন পালন হৈ
উপজিলা জ্ঞান বিদ্যা ধন।
নোৱাৰি ৰাখিব তোমাক আজি তেওঁলোকে
উপযুক্ত পাত্ৰ চাই কৰিলে প্ৰদান ॥
কৰ্তব্যৰে ভৰা আৰু দায়িত্ব বিঘিনি পূৰ্ণ
আজিহে ভৰি দিলা সংসাৰ চক্ৰত।
অতিথি সৎকাৰ আদি সজ আদৰ্শৰে
সন্তোষ লগাবা তোমাৰ স্বামীৰ মনত ॥
তেৰেঁই তোমাৰ হ'ল তপ জপ তথা
গতি মুক্তি ধ্যান।
জীৱন সৰ্ব্বোচ্চ তোমাৰ আৰাধ্য দেৱতা
সভক্তিৰে পুজিবা চৰণ ॥
দুখৰ আনন্দ তেৰেই ক্ষুধাৰ আধাৰ
তুমি মাথো শান্তিৰ আধাৰ। □



সপোনে দিঠকে সদায় চিন্তিবা শ্ৰীপদ
গুৰিয়ালে জীৱন নৌকাৰ ॥
ইজন মোৰ আপোন আৰু সিজন মোৰ পৰ
নাৰাখিবা কোনো দিনে এনে ভিনপৰ।
সাবিত্ৰী, দ্ৰৌপদী, বেউলা — আদি সতী সকলৰ
আদৰ্শৰে গঢ়ি লবা জীৱন নিজৰ ॥
নাজানো লিখিব কবিতা লিখা নাই কোনো দিনে
নহয় কবিতা মাথো তান হৃদয়ৰ।
মনতে খেলি থকা নিৰ্ফুৰ ভাৱৰাশিৰ
ব্যৰ্থ প্ৰয়াস এয়া মাথো প্ৰকাশৰ ॥
বিবাহ বাতৰি পাই তোমাৰ এই অভাগীয়ে
বিচাৰি নেপাই উপহাৰ।
কাব্য ফুলনিত সৰা ফুল পাহি তুলি
গাঠি দিলে এই মালাধাৰ ॥
বহুজনে বহুভাবে তোমাৰ এই মিলনত
অশেষ অমুল্য ক'ত দিলে উপহাৰ।
সিবোৰৰ তুলনাত মোৰ এই ক্ষুদ্ৰৱান
নহয় নহয় হেৰা কোনোৰে সমান ॥ □

## মৃত্যুৰ বিভীষিকা

শ্ৰীহৰিশ গোস্বামী
উঃ মাঃ ২য় বাৰ্ষিক

তাই কান্দিছে ... ... ...।
কান্দি কান্দি তাই ভাগৰি পৰিছে
তাই যে ভোকে পিয়াহে জৰ্জৰিত
তাইৰ মাকৰ যে মৃত্যু হৈছে
জাতিগত সংঘৰ্ষত ... ... ।
তাইৰ মুখত কোনে দিব এটোপাল পানী
কোনে দিব অন্ন, বস্ত্ৰ আৰু বাসস্থান।
তাইৰ দোষ কি ?
তাই নাজানে জাতি কি ? সম্প্ৰদায় কি ?
তেন্তে তাইৰ দোষ ?
যি দোষৰ বাবে তাই আজি নিঠৰুৱা
হে আল্লা, হে ঈশ্বৰ ...
তাইক তোমাৰ কোলাত অশ্ৰয় দিয়া
তাই জীয়াই থাকক
জীয়াই থাকি সমাজখন নিকা কৰক। □

## এজাক ধুমুহা

মিচ্ চন্দনা মেধি
একাদশ শ্ৰেণী

এজাক ধংসকাৰী ধুমুহা
লৈ যায় গছ-লতা,
ধুলি-বালি
কৰি দিশ হাৰা।
ধুমুহাত,
আছে এটি ধ্বংসৰ
বাৰ্তাৰি,
প্ৰাণীৰ মনত আহিল
সেয়া, বিপদৰ
প্ৰতিধ্বনি।
পৃথিবীত আহি পৰে
এটি বিকট ঝংকাৰ,
জীৱ-জন্তু আদি কৰি
বহুতো মানুহ হয়
পথাচাৰ।
ধুমুহা,
তুমি তথা তোমাৰ
ৰূপ কেনেকুৱা ?
দেখিছো মাথোন তুমি
এজাক ভয়ংকৰ ধুমুহা ।। □



## বাঘ

মঃ তৰিক আলি
স্নাতক তৃতীয় বাৰ্ষিক
অসমীয়া গুৰু পাঠ্যক্ৰম।

নিশাৰ থোপমৰা
প্ৰাচীৰ অন্ধকাৰত,
তন্দ্ৰালগা এজাক—
নতুন বাঘ !
যাৰ ভয়ে—
আতঙ্কিত কৰি তোলে ;
নিদাৰুণ নিথৰুৱা—
লক্ষ লক্ষ হৰিণাৰ দলক ।
"আমাক আশ্ৰয় লাগে" !
কৰুণ কণ্ঠস্বৰ— ;
ভাহি আহে
সিহঁতৰ ।
সময় বুজি পিছ লয়
নিৰভুক, নিলজ্জিত,
এই বাঘ জাকে—
ব্যগ্ৰতাৰে ।
ভয়ঙ্কৰ এন্ধাৰ হয়,
সিহঁতৰ আলোক ?
সুগম পথ হয়
গভীৰ অৰণ্য !
নিদ্ৰাদেৱীয়ে আৱদ্ধ কৰি—
ৰাখিব নোৱাৰে,
সিহঁতৰ নিজ ৰাণীৰ
শয়ন কক্ষত ।
অভিপ্সা মাথোন
বাঘ জাকৰ,—'মাংস'
তজ-বজিয়া জিয়াল
কেঁচা ৰক্তেৰে ৰক্তিম ।
সিহঁতক লাগে কেৱল
কোমল তেজৰ গোন্ধ,
"নিজ লক্ষ্যত সিদ্ধ হস্ত
সিহঁত, নৰমাংসৰ ।
কণ্ঠাভৰণ ইহতৰ
মাংস—,
ইহঁত নৰবেশী
প্ৰলুব্ধ জীয়া বাঘ । □

## সংগ্ৰাম

শ্ৰীসঞ্জয় কুমাৰ কলিতা,
হুঃ মাঃ দ্বিতীয় বাৰ্ষিক।

সৰ্পিল গতিৰে
আগবাঢ়ি যাওঁ
মোৰ যাত্ৰা পথেদি
মোৰ প্ৰতি উশাহত
প্ৰতিটোপা তেজত
ৰক্তাক্ত জুইৰ প্ৰবাহ
আৰু অনুভূত হয়
এক বিপ্লৱী সত্বা
যিহেতু—
মোৰ প্ৰতিটো খোজেই সত্য সন্ধানী
সেয়েহে
চিৰুৰৰ মেদনী কঁপাই
হৈ যাওঁ—
মই মূক নহয়
মই জড় নহয়
চকুৰ পানীৰে হলেও
অস্ত্ৰ গঢ়ি আছোঁ
"মুক্তিৰ বাবে"
তাৰ বাবেই মোৰ এই অন্তহীন যাত্ৰা
আন্ধাৰ প্ৰাচাৰ কুটি
চেতনাৰ সুৰঙা উলিয়াই
সময় আহিব এদিন
নৱ প্ৰেৰণাৰ বীজ সিচিঁবলৈ। □



# গল্প

## অতৃপ্ত বাসনা

শ্ৰীনৱকুমাৰ শৰ্মা,
স্নাতক দ্বিতীয় বৰ্ষ (কলা)
অসমীয়া গুৰু পাঠ্যক্ৰম।

"কি হে অৰুণ— নৈৰ ঘাটত অকলে অকলে বহি কি কৰিছা?" বাল্যবন্ধু প্ৰশান্তৰ মাতত ধ্যানভ্ৰষ্ট যোগীৰ নিচিনা ভিকাৰ খাই অৰুণে প্ৰশান্তৰ ফালে মূৰ তুলি চালে। প্ৰশান্ত, একসময়ৰ অৰুণৰ প্ৰাইমাৰী বিদ্যালয়ত পঢ়া অন্তৰংগ বন্ধু। ঘৰুৱা জঞ্জাল আৰু আৰ্থিক অনাটনৰ বাবে প্ৰশান্তই হাইস্কুলৰ দেওনা পাৰ নোহওঁতেই শিক্ষা সামৰি খেতিত লাগে। মেধাবী ছাত্ৰ অৰুণে হাইস্কুলৰ দেওনা পাৰ হৈ চহৰৰ কলেজত পঢ়ি অৱশেষত বি-এ, পাছ কৰিলে। অৰুণৰ দেউতাক এজন নামজ্বলা সাধু খেতিয়ক। দেউতাকে কপালৰ ঘাম মাটিত পেলাই, তেজক পানী হাড়ক মাটি কৰি লখিমী খেতি-মাটি ডবাত কঠোৰ পৰিশ্ৰম কৰি তাৰ উপাৰ্জনেৰে অৰুণক চহৰৰ কলেজত পঢ়ুৱাই বি-এ, পাছ কৰোৱালে। অইন দেউতাক বিলাকৰ দৰে অৰুণৰ দেউতাকেও অৰুণক লৈ বহুত কিবা কিবি ভাবে। কিন্তু সি বি-এ, পাছ কৰা আজি দুবছৰে হ'ল; পিছে আজিলৈ তাৰ ক'তো সংস্থান হোৱা নাই। এই চিন্তাটো অৰুণত বাদেও ঘৰৰ অইন প্ৰাণী কেইটাৰ ওপৰতো নপৰা নহয়।

"আহা, আহা প্ৰশান্ত— নৈৰ ঘাটতে অলপ বহো আহা।" মনটো ভাল নহয় অ' প্ৰশান্ত। সেয়ে অলপ জিৰণি লওঁ বুলিয়ে নৈৰ ঘাটত বহিছোঁহি। পিছে কোৱাছোন কোৱা, তোমাৰ খবৰ, ক'ৰ পৰা আহিলা? —প্ৰশান্তক উদ্দেশি অৰুণে ক'লে।

প্ৰশান্ত— পথাৰৰ ফালে গৈছিলো অ' অৰুণ। ধান কাটিব ধৰিছোঁ নহয়, বোলো লগুৱাটোক দুপৰীয়াৰ চাহ-জলপান খিনিকে দি আহো। এই বুলিয়ে ওলাই আহিলোঁ। পিছে তুমিনো আজি কালি থাকা ক'ত? ক'ৰবাত কিবা হলনে?

অৰুণ— নাই অ' প্ৰশান্ত! আমাৰ দৰে দুখীয়া খেতিয়কৰ লৰাৰ চাকৰি ক'ত হ'ব!! চহৰৰ প্ৰভুসকল সন্তুষ্ট হোৱাৰ জোখাৰে টকা আমি ক'ৰ পৰা দিম!!! সেয়ে ভাবিছোঁ—

প্ৰশান্ত—কি ভাবিছা?

"কোন অ' সেই দুটা, দিন দুপৰতে নৈৰ



22

ঘাটত কিহৰ বিয়নী মেল পাতিছা।" নয়নৰ মাতত অৰুণ আৰু প্ৰশান্ত চক খাই উঠিল। দুয়ো নয়নৰ ওচৰ চাপিলেহি। অৰুণ হঁতৰ গাওঁৰে লৰা নয়ন। গাওঁৰ হাইস্কুল থনতে কেই শ্ৰেণীমান পঢ়ি এৰি পেলাইছে। আজিকালি চহৰত থাকে। কিবা বিজনেচ্ কৰে বোলে।

নয়ন— পিছে কোৱাছোন, তোমালোকে কোনে, কি চাৰভিছ কৰা এতিয়া? প্ৰশান্তই তপৰাই ক'লে— মই চাৰ্ভিছ-তাৰ্ভিছ একো নকৰো ভাই! দেউতাৰ মাটিত হাল বাইছোঁ, খেতি কৰিছোঁ আৰু কোনোৰকম লঘোন নপৰাকৈ খাই আছোঁ; আৰু এওঁ অৰুণে বি-এ, পাছ কৰা আজি দুবছৰেই হ'ল। কতো চাকৰি এটা পোৱা নাই। তুমি পাৰা যদি অৰুণক লৈ গৈ চহৰত কিবা কামত সোমাই দিয়া অ' নয়ন।

নয়ন— অই অৰুণ। বিজনেছ কৰিবা মোৰ লগত, বিজনেছ?

অৰুণ— অ অ কৰিম নয়ন, কৰিম।

নয়ন— বিজনেছ কৰিব লাগিলে প্ৰথমতে কিহৰ প্ৰয়োজন জানা? ·· টকাৰ। পাৰিবা তুমি টকা গোটাব?

অৰুণ— কিমান টকা?

নয়ন— ডাঙৰ বিজনেছ কৰিব লাগিলে প্ৰথমতেটো এক লাখ মান টকাই খটোৱাব লাগে। তুমি পিছে প্ৰথম অৱস্থাত পঞ্চাশ হেজাৰ মান লবা।

অৰুণ— পঞ্চাশ হেজাৰ, ... ইমানবোৰ টকা একেলগে মই ক'ত পাম? নিজকে নিজে প্ৰশ্ন কৰিলে অৰুণে। অলপ ভাবি—হ'ব নয়ন, মই যেনেকৈ হলেও টকা গোটামেই।

নয়ন— তেতিয়াহলে অহাকালিয়েই ওলাবা। মূহুৰ্ত্তৰ ভিতৰতে অৰুণে বিজনেছ কৰাৰ মানসেৰে চহৰলৈ যোৱাটোকে সিদ্ধান্ত কৰিলে। ঘৰলৈ গৈ অৰুণে চহৰলৈ যোৱা কথাটো দেউতাকক ক'লে।

অৰুণ— দেউতা, মই অহাকালি নয়নৰ লগত চহৰলৈ যাম। মোক কিছু টকা লাগিব। দিব পাৰিবানে নাই?

দেউতাক— হেৰৌ কথা নাই, বতৰা নাই যাও বুলি কলেই হবনে চহৰলৈ। মই কিবা টকাৰ গছ কইছোঁ নেকি যে দুই বাহুৰে জোকাৰি দিলেই জউ জউ কৈ টকা সৰি পৰিব? বি-এ, পাছ কৰা আজি দুবছৰে হ'ল। কপালত কতো এটা চাকৰি নিমিলিল। মোৰো গা লাহে লাহে পৰি আহিছে। বোলো মোৰ লগত খেতিতে লাগ। মই হালখন ধৰোঁ, তই আলি কেইটা দিয়ে মোক অলপ সহায় কৰি দে। পিছে ক'তা, আকাশে-পাতালে চাকৰি বিচাৰি ঘুৰি ফুৰি আজি দুবছৰ কটালি। এতিয়া আকৌ চহৰলৈ গৈ কি সোপা কৰিবি?

অৰুণ·· চহৰলৈ গৈ বিজনেছ কৰিম, মানে ব্যৱসায় কৰিম বুলি ঠিবাং কৰিছোঁ। গতিকে টকা মোক লাগিবই। লাগিলে খেতি মাটি খিনিকে বিক্ৰি কৰি দিয়া।

দেউতাক— তোৰ দুখ লগা নাই তেনেকৈ কবৰ। যাৰ উপাৰ্জনেৰে তই আজি চহৰৰ কলেজত পঢ়ি বি-এ, পাছ কৰিলি; অথচ সেই লখিমী খেতি মাটি ডৰা বিক্ৰি কৰাৰ কথা কবৰ তোৰ দুখ লগা নাই? বোলো গছৰ পকা কলহে হাকুতিৰে পাৰিব পাৰি, কিন্তু আকাশৰ তৰা হাকুতিৰে পাৰিব যোৱাটো মুৰ্খৰে চিন।

অৰুণ— তেনেহলে দেউতা তুমি কি মোক টকা নিদিয়া? মোৰ ভবিষ্যত জীৱনটো এনেকৈ ধ্বংস হৈ যোৱাটো তুমি বিচৰা নেকি?? মই কি জীৱনত একো কৰিব নালাগে নেকি!!!

দেউতাক— হেৰৌ অৰুণ, তোৰ ভৱিষ্যত অহিত চিন্তা কৰিয়ে মই তোক চহৰৰ কলেজত পঢ়ুৱাইছিলো নে? তই একো কৰিব নালাগে বুলি কোনে কলে? বোলো বি-এ, পাছ কৰিলি, ভাগ্যত চাকৰি নাপালি যেতিয়া নাই আৰু!! খেতি থলাতে মন কাণ দে। বি-এ, পাছ কৰি খেতি কৰিলে কোনখন মহাভাৰত অশুদ্ধ হয় ক'ছোন?

অৰুণ — দেউতা, তোমাৰ সেই কেকোৰা নাঙলখন আৰু চেবেলা গৰুহাল চলাবলৈ বি-এ, পাছ কৰিব নালাগে। হাল বাবলৈ তুমি মোক কলেজত পঢ়ুৱাইছিলা নেকি? তোমাৰ দৰে জুপুৰি পজা এটা আৰু পেট ভৰাই ভাত কেই-সাজ খাব পালেই মই সন্তুষ্ট নহওঁ। মোক আৰু বহুত কিবা কিবি লাগে। মই ধনী হ'ব বিচাৰোঁ; মই এটা ডাঙৰ পৰিৱৰ্ত্তন বিচাৰোঁ। গতিকে চহৰলৈ মই ··· যামেই; টকা মোক লাগিবই।

দেউতাক – অৰুণ! তই কি সেই সামান্য লখিমী খেতিমাটি ডৰা বিক্ৰি কৰি চহৰত সোণৰ খনি কিনিবি নেকি? তই যি ভাল দেখ তাকে ক'ৰ। পিছত মোক দোষাৰোপ নকৰিবি।

দেউতাকৰ উপদেশক পিছলৈ ঠেলি দি আধুনিক শিক্ষাৰে শিক্ষিত যুৱক অৰুণে চহৰৰ ডাঙৰ ব্যৱসায়ী এজনৰ তাত ঘৰৰ খেতি মাটি ডৰা ৭০ হেজাৰ টকাত বিক্ৰি কৰিলে। টকা লৈ অৰুণ নয়নৰ লগত চহৰলৈ গ'ল। তাত নয়নে অৰুণক এজন ডাঙৰ পাইকাৰী ব্যৱসায়ীৰ লগত চিনাকী কৰি দি অৰুণক তেওঁৰ অংশীদাৰ কৰি লবলৈ ক'লে। একেলগে ৭০ হেজাৰ টকা দেখি ব্যৱসায়ীজনে অৰুণক কোনো প্ৰশ্ন নকৰাকৈয়ে অংশীদাৰ কৰি ললে। কেৱল সান্তনাবাণী হিচাপে তেওঁ অৰুণক লাভৰ অংশ সমান সমান কৰা হব বুলি কৈ থলে।

এনেকৈ অৰুণৰ টকা ব্যৱসায়ত সোমাই গ'ল। বহুত দিন পাৰ হ'ল— তথাপি অৰুণৰ হাতত লাভো নাহিল, মূলো নাহিল। লগৰ ব্যৱসায়ীজনক সুধিলে কয়— "বিজনেছ এনেকুৱা এডাল গছ নহয় যে আজি কলে কাইলৈ ডাল ভৰি ফল লাগি থাকিব!! মই কৈছোঁ নহয়— আপোনাৰ টকা মই এটা মালৰ অৰ্দাৰৰ বাবে কলিকতালৈ পঠাই দিছোঁ। চিন্তাৰ কোনো কাৰণ নাই। অহামাহত অহাৰ কথা। আপুনি ধৈৰ্য্য ধৰক।"

ভদ্ৰতাৰ খাটিৰত বহুত কিবা কিবি কওঁ বুলি ভাবিও অৰুণ... থমকি ৰয়। অৰুণে এতিয়া চহৰত গাড়ী চলাই কোনো ৰকম পেট প্ৰৱৰ্তাই আছে। আজিকালি তাৰ গাওঁৰ ঘৰখনৰ কথা ৰৰকৈ মনত পৰে। সি এতিয়া ভাৱে— "সেই মাটি বিক্ৰি কৰি অনা টকাখিনিত দেউতাৰ বহুত হুমুনিয়াহ সোমাই আছে। গতিকে সেই-খিনি টকা দেউতাক যিকোনো প্ৰকাৰে পৰিশোধ কৰিবই লাগিব।"

কিছুদিন পিছত অৰুণে লগৰ ব্যৱসায়ীজনে কলিকতাৰ পৰা পঠোৱা এখন টেলিগ্ৰাম পায়।

টেলিগ্ৰাম এখনত লিখা আছিল যে—তেওঁলোকৰ মাল কঢ়িয়াই অনা ট্ৰাকখনৰ পৰা ডকাইতে ৰাষ্ট্ৰীয় ঘাই পথৰ ওপৰতে সমস্ত মাল লুট কৰি নিয়ে আৰু ট্ৰাকখনো জ্বলাই দিয়ে।

টেলিগ্ৰামৰ কথাখিনি পঢ়ি অৰুণৰ মগজু গৰম হৈ উঠিল। ব্যৱসায়ীজনে যে অৰুণক প্ৰৱঞ্চনা কৰিলে অৰুণৰ বুজিবলৈ বাকী নাথাকিল। প্ৰতিশোধ লোৱাৰ তীব্ৰ উত্তেজনাত অৰুণ কঁপিবলৈ ধৰিলে আৰু মনতে দেউতাকৰ মাটি বিক্ৰিৰ টকাখিনি যিকোনো প্ৰকাৰে পৰিশোধ কৰিবলৈ শেষ বাৰৰ বাবে প্ৰতিজ্ঞা কৰিলে।

এনেকৈ কিছুদিন গ'ল। অৰুণৰো দৃষ্টি লাহে লাহে হিংস্ৰ জন্তুৰ দৰে হৈ আহিব ধৰিলে। টকাৰ জ্বালাই অৰুণক পাগলৰ নিচিনা কৰিলে। এদিন হঠাৎ অৰুণে লগৰ ব্যৱসায়ী জনৰ কৰ্মচাৰী এজনে বেংকত টকা জমা দিব যোৱা অৱস্থাত বাটতে ধৰি মাৰপিট কৰি অচেতন অৱস্থাত পেলাই থৈ টকাৰ বাকছটো লৈ পলাবলৈ চেষ্টা কৰোতেই পুলিছৰ হাতত ধৰা পৰে। সেই অপৰাধতে অৰুণৰ জেল হ'ল। সি এতিয়া এটা জেলৰ ভিতৰত থকা দুৰ্দ্ধৰ্ষ ডকাইত। অৰুণৰ দেউতাকে ছাগে ভাবিছে—"অৰুণে ধনী হৈ তাৰ দেউতাকৰো কিজানি পাহৰি গ'ল।" □





## "হেৰোৱা জীৱনৰ ছন্দ"

ৰাবুল হুছেইন,
স্নাতক ২য় বৰ্ষ।

কাছাৰীৰ পৰা আহি এনেয়ে পাহাৰৰ ফালৰ খিৰিকি এখন খুলি আৰামী চকীখনত বহিছো। বিভিন্ন চিন্তা, কাছাৰীৰ কেচ, মোকৰ্দমা আদিকে ধৰি হকত্ৰা সকলোখিনি। পাহাৰৰ বিপৰীত দিশত সূৰ্য্য প্ৰায় অস্তমিত। বন কৰা লৰা টোৱে মই অহাৰ উমান পাই চাহ কৰিবলৈ গ'ল। মোৰ সদ্য বিবাহিত পত্নী ৰুমীয়ে মুখ হাত ধুই প্ৰসাধন কৰি সাজু হৈ আছে। মোৰ চিন্তা গধুৰ মুখ দেখি কব পৰা নাই কত যাব। বোধহয় ফুৰিবলৈ যাব। তায়ো মোৰ কাষৰ চকিখনত বহিল। এনেতে ল'ৰাটোৱে চাহৰ ট্ৰে লৈ আহিল।

চাহ খোৱাৰ মাজতে ৰুমীয়ে কলে— হেৰি গৰমো অলপ পৰিছে। নেহৰু পাৰ্কৰ পিনে এপাক ফুৰি আহো বলক। মই ভাবিলো মোৰ ৰুমীজনীৰে বিয়াৰ আগৰ সেই ফুৰা স্বভাবটো এৰিব পৰা নাই। আজি মোৰো ভাললগা নাই গতিকে কথাটো না নকৰিলো।

দুয়ো য়ামাহা বাইক খনত ধাৱমান হলো। লক্ষ্য নেহৰু পাৰ্ক। ৰুমীয়ে সুন্দৰ সাজপাৰ পৰিধান কৰিছে। সুতীব্ৰ পাৰফিউম স্প্ৰে কৰিছে। আৰু যে কত কি প্ৰসাধন। মোৰ ভাল লাগি যায়। দিনটোৰ ব্যস্ততাৰ পিছত এনেদৰে এপাক ফুৰিলে অন্ততঃ চিন্তা কিছু শাম কাটে।

নেহৰু পাৰ্ক কেতিয়াযে পালো গমকেই নাপালো। দুয়ো ভিতৰলৈ সোমালো। বিভিন্ন মানুহ। বিভিন্ন জনৰ বিভিন্ন কথা বতৰা হাঁহি খিকিন্দালি বিৰাজমান। গণ্ডগোলৰ পৰা হাত সাৰিবলৈ আমি দুয়ো একাষৰীয়াকৈ নিৰিবিলি ঠাই এটুকুৰাত বহি ললো। মুখামুখিকৈ। নীৰৱ হৈ বহি আছো দুয়ো। হঠাৎ ৰুমীৰ কলেজৰ বান্ধৱী এগৰাকী আহি আমাৰ লগত চিনাকী হৈ ৰুমীক অলপ আতৰলৈ লৈ গ'ল। মই অকলে বহি আছো কিন্তু মোৰ মানস পটত অতীতৰ এক স্মৃতিয়ে আহি খুন্দিয়াই থাকিল। এই নেহৰু পাৰ্ক। আগতকৈ অৱশ্যে অলপ উন্নত হৈছে বাকী সকলো থিকে। মই মোৰ অতীতৰ সেই স্মৃতিৰ দিনলৈ ঘূৰি গলো। নেহৰু পাৰ্কলৈ আহিলেই মোৰ সেই স্মৃতি মনত পৰে। আজিও তাৰ বিপৰীত নহল—

আজি প্ৰায় দহ বছৰ আগৰ ঘটনা। মই তেতিয়া কটনত বি-এ, চূড়ান্ত বৰ্ষৰ ছাত্ৰ। প্ৰথম বৰ্ষৰ পৰীক্ষা দি ঘৰলৈ আহিছিলো। পৰীক্ষাৰ

ফলাফল আশা ব্যঞ্জক হোৱাত দ্বিতীয় বৰ্ষৰ শেষ পৰীক্ষাৰ বাবে আকৌ আহিলো পাঠ গ্ৰহণৰ বাবে। মোৰ অন্তৰংগ বন্ধু অনিল আৰু মই কোঠা এটা ভাৰাত লৈ 'মেচ' কৰিলো।

ছেপ্তেম্বৰ মাহ। জলবায়ু সামান্য সেমেকা। ঠাণ্ডাৰ মৃদু প্ৰভাৱ। কলেজলৈ নবাগতৰ আগমন। বিভিন্ন ধৰণৰ চিনা পৰিচয় পৰ্ব্ব অব্যাহত। অনিল আৰু ময়ো চা—চিনাকী পৰ্ব্ব জাৰি ৰাখিলো। বিভিন্ন জনৰ লগত চিনাকী হলো। সকলো একঘেয়ামী। কিন্তু হঠাৎ আমি এজনী প্ৰথম বৰ্ষৰ ধুনীয়া, স্মাৰ্ট ছোৱালীৰ সতে চিনাকী হলো। নাম পান্না হাজৰিতা। মেট্ৰিকত লেটাৰ সহ ফাষ্ট ডিভিজন। কথা বতৰা চাল চলন মোহলগা। আমিও চিনাকী দিলো আৰু পিছলৈ সহায় সহযোগিতা আগবঢ়োৱাৰ আশ্বাস পৰস্পৰৰ মাজত।

প্ৰথম দেখাৰ পৰাই তাইক মোৰ ভাল লাগি গ'ল। ইয়াকেই বোধহয় কয় – ফলছ ইন লাভ! আমাৰ মাজত বিভিন্ন-কথা-বতৰা চলিল। অফ পিৰিয়ডত অনিল, মই আৰু তাই কলেজৰ কাষৰ বকুল জোপাৰ তলত বহো। বিভিন্ন আলোচনা- পঢ়া পাতি, চিনেমা আদিকে ধৰি ৰাজনীতিয়েও আমাৰ পৰা হাত নাসাৰে।

তাইৰ ঘৰ যোৰহাটত। ঘৰত দেউতাক, দুজন ককায়েক আৰু মাক থাকে। ডাঙৰ ককায়েক ইঞ্জিনিয়াৰ। সৰুটোৱে এইবাৰ গুৱাহাটী মেডিকেল কলেজৰপৰা এম-বি-বি-এছ ফাইনেল দিব। তাই আটাইতকৈ সৰু। যোৰহাটত দেউতাকৰ ডাঙৰ ইচপাত উদ্যোগ আছে। ভাবি চালে নিশ্চিত একপ্ৰকাৰ পুজিপতিয়ে।

পান্নাৰ কথাবোৰ ভাবি মোৰ আকাশত চাং পতা যেন লাগিল। কথাবোৰ মনতে জুকিয়াই চালো পুজিপতিৰ একমাত্ৰ দুহিতা আৰু মই...। মই ভাবিব নোৱাৰো। পিছ মুহূৰ্ত্ততে মোৰ বিবেকে কৈ উঠে—নাই নাই। প্ৰেমৰ লগত ধনী দুখীয়া নাই। উচ্চ-নীচ নাই। ই স্বৰ্গীয়। ই যে হৈ যায়। ইয়াত কোনো শক্তিয়ে আমাক বাধা দিব নোৱাৰে। অনিলেও মোৰ কথাটো জানে কিন্তু মই তাইক কথাটো ব্যক্ত কৰাৰ প্ৰসংগই পোৱা নাছিলো।

বিনিদ্ৰ ৰজনী সেইদিনা মোৰ। মনত সাহস গোটালো। মোৰ ঘৰৰ সকলো লিখি লগতে মোৰ কথাটো ব্যক্ত কৰি পান্নালৈ এখন দীঘলীয়া চিঠি লিখিলো।

তাং— ১০/৯/৮৪

'গুৱাহাটী'

মৰমৰ পান্না,

মই তোমাৰ পৰা এটা কথা কনফাৰ্ম হব বিচাৰিছো। মুখেৰে কব নোৱাৰা বাবে দুখিত। তাৰ বিকল্প এই পত্ৰ। আশাকৰো তুমি গ্ৰহণ কৰিবা। মই কামৰূপ জিলাৰ অন্তৰ্গত ভিতৰুৱা এখন গাওঁৰ ল'ৰা। মোৰ দেউতা আছিল এজন চৰকাৰী উচ্চপদস্থ বিষয়া কিন্তু নিয়তিয়ে আমাক প্ৰতাৰণা কৰিছিল। মোৰ হাইস্কুলীয়া জীৱনতে দেউতাক হেৰুৱাইছিলো। ঘৰত মাৰ বাহিৰেও মোৰ ভণ্টি এজনী আছে। তাই এতিয়া হাইস্কুলত। দেউতাৰ পেঞ্চনৰ টকাখিনি আমাৰ বৰ্ত্তমান জীয়াই থকাৰ সম্বল। এনেকৈয়ে চলি আছো! তুমি মোক দৰিদ্ৰ বুলি ঘিণ নকৰিবা।

আচল কথাটো এতিয়াহে— পান্না মই তোমাক প্ৰথম দেখাতে ভাল পাই পেলাইছো। তুমি যেন মোৰ নিদিনাৰ চিনাকী নহয়, তুমি মোৰ যুগ যুগান্তৰৰ চিনাকী। গতিকে মই তোমাক···। সদৌ শেষত মৰমেৰে। আশা কৰিছো, তুমি মোৰ পত্ৰৰ উত্তৰ দিবা।

ইতি—

তোমাৰ 'হীৰুদা'।

পিছদিনা কলেজত পান্নাক লগ ধৰি সুধিলো। পান্না মই এটা বস্তু দিম লবা নেকি? তাই সংকোচহীন ভাবে কৈ দিলে দিয়া আকৌ। চিঠিখন লৈ তাই সম্মতি সূচক ভাবে হাঁহি গুচি গৈছিল। চিঠিখন পঢ়ি পান্নাৰ মোৰ ওপৰত পুত্যৌ জন্মিছিল নে সহানুভূতি জাগিছিল কব নোৱাৰো।

এইদৰে আমাৰ মাজত হৈ গৈছিল সৃষ্টিৰ সেই আদিমতম কাৰ্য্য 'প্ৰেম ভালপোৱা'। মই বহুত প্ৰেম কাহিনী পঢ়িছো, ৰোমিও—জুলিয়েট, লায়লা মজনু আৰু আমাৰ অসমীয়া জংকি-পানেই। তাৰ আলমতেই মই কল্পনা কৰো এক নতুন যুটী হীৰা-পান্না। কি সুন্দৰ!

আমাৰ প্ৰেম গাঢ়ৰ পৰা প্ৰগাঢ় হল। আমি কলেজৰ চৌহদৰ বকুল জোপাৰ তলত বহো। হাঁহি ধেমালি কৰো। ৰঙীন ভবিষ্যতৰ সপোন দেখো। কলেজ বন্ধ থাকিলেও আমি পূৰ্বৰ কথামতে জাহাজঘাট, নেহৰু পাৰ্ক, চিনেমা হল আদিত লগ হও। অবশ্যে কেতিয়াবা কেতিয়াবা তাইৰ হোষ্টেলতো। এইবোৰত আমাৰ সঘনে দেখা গৈছিল। এনেদৰেই বছৰটো পাৰ হৈ গল। পৰীক্ষাৰ দিন চমু চাপি আহিল। কেইদিন মানৰ বাবে মিলা-মিছা বাদ দি পঢ়াত মনোনিবেশ কৰিলো।

পৰীক্ষাৰ ৰিজাল্ট ওলাল। তাই প্ৰথম বিভাগ পালে। মই অলপৰ কাৰণে ডিষ্টিংছন নাপালো। মই বি-এ'ত ডিষ্টিংছনৰ আশাত অনাৰ্চ লোৱা নাছিলো। গতিকে এম-এত নাম ভৰ্ত্তিৰ কাৰণে মোৰ কিছু অসুবিধা হল। দ্বিতীয় বাৰ বি-এ দিয়াৰ কথা চিন্তা নকৰি ঘৰলৈ উভতিলো।

প্ৰথমতে এবছৰ বিভিন্ন অনুষ্ঠানত চাকৰিৰ আবেদন কৰিলো। কিন্তু সকলোতে একেই কথা, টকা লাগে। মই হতাশ নহলো। এবছৰ এনেয়ে অতিক্ৰম হল। মই একো উপায় নাপায় নলবাৰীৰ স্থানীয় 'ল' কলেজ খনত নাম ভৰ্ত্তি কৰিলো। ইয়াৰ পৰা পান্নাৰ হোষ্টেললৈ তাইৰ আৰু মোৰ চিঠিৰ সেতুবন্ধন ৰচনা হল। 'ল' পঢ়াৰ বাবে তাই মোক উৎসাহ উদ্দীপনা যোগালে।

এনেদৰে দুটা বছৰ চিঠিৰে দেখা দেখি হল। হঠাৎ পান্নাই এদিন মোক তাইৰ ঘৰলৈ মাতি পঠালে, পূজাৰ বন্ধত তাইয়ো যাব। হোষ্টেলত তাইক লগ ধৰি দুয়ো যোৰহাট অভিমুখে ৰাওনা হলো। এই বছৰতে তাইৰ ডিগ্ৰী শেষ হব। তাই হব গ্ৰেজুৱেট নামটোৰ শেষত B.A বিশেষণ। অহা বছৰৰ জানুৱাৰীত মোৰো 'ল' টো কমপ্লিট হব—মইয়ো এটা ডিগ্ৰি পাম L.L.B মই হম অধিবক্তা।

মই পান্নাৰ ঘৰত দুদিন থাকিলো। বিভিন্ন ধৰণৰ কথা বতৰা পাতিলে। তাৰ মাজতে তাই দেউতাকক তাইৰ আৰু মোৰ বিয়াৰ কথা কলে।

সিহতৰ ঘৰখন মোৰ ভাল লাগিল। সিহঁতেও আমাৰ ইচ্ছাত সন্মতি জনালে। আশাভৰা মন এটা লৈ পান্না আৰু মই গুচি আহিলো। তাইক হোষ্টেলত থৈ মই আকৌ ঘৰলৈ আহিলো।

আকৌ এটা বছৰৰ শেষ। তাইৰ B.A ফলাফল ভাল হৈছে। মোৰো 'ল'ৰ ফাইনেল পৰীক্ষাৰ দিন চমু চাপি আহিল। তাই যোৰহাটলৈ গুচি গল। M.A ত নাম ভৰ্ত্তি নকৰিলে। আমাৰ মাজত চিঠিৰে আদান প্ৰদান চলি থাকিল।

মোৰ 'ল' কমপ্লিট হল। আৰু এটা বিশেষণ মোৰ নামটোৰ পিছত যোগ হল— হীৰালাল শৰ্মা B.A.L.L.B. সাধাৰণ মানুহে মোক উকীল চাহাব বুলি দীঘলীয়া চালাম কৰিব। মনতে এক অনাবিল শান্তি অনুভৱ কৰিলো।

সিদিনা গুৱাহাটীলৈ আহি উচ্চ ন্যায়ালয়ৰ পৰা লাইচেঞ্চখন উলিয়াই কাছাৰীতে মোৰ বন্ধু এজনৰ সহযোগত ৰিচাৰ্চ আৰম্ভ কৰিলো।

মোৰ আকৌ এটা চিন্তা হল ইমান মেধা সম্পন্না পান্নাই কিয় M.A ত নাম ভৰ্ত্তি নকৰিলে। টকা পইচাৰ খৰচৰ কাৰণে যোৰহাটলৈও যোৱা হোৱা নাই। ইফালে নতুন অৱস্থাত মক্কেলো পোৱা নাই বেছি। এনেয়ে থকা যেন হৈছে। ইফালে বহুদিন হল পান্নাৰ পৰা চিঠি পত্ৰ একো পোৱা নাই।

দুই এদিনকৈ আকৌ এটা বছৰ পাৰ হ'ল। অলপতে মই এখন যোৰহাটৰ পৰা চিঠি পালো। চিঠিখন খুলি দেখিলো পান্নাৰ দেউতাকে লিখিছে। ধৰফৰকৈ চিঠিখন মেলি ললো—

তাং— ৪/৩/৮৭

মৰমৰ যোৰহাট।

বোপা,

মৰম লবা। তোমাক অতি দুখেৰে জনাব লগাত মই বৰ কষ্ট অনুভৱ কৰিছো। পান্নাৰ এটা মাৰাত্মক বেমাৰ হৈছে। গতিকে তুমি পলম নকৰিবা। যিমান পাৰা সোনকালে ইয়ালৈ গুচি আহা। পান্নাই তোমাৰ কথা কৈ আছে ...। মই আৰু বেছি পঢ়িব নোৱাৰিলো।

পিছদিনা ৰাতিপুৱাই যোৰহাটলৈ মই উদভ্ৰান্তৰদৰে দৌৰ দিলো।

মুখমণ্ডল শেতা। সেইজনী আমাৰ পান্না যেন নহয়। নিৰ্জীৱ টুকুৰাৰ দৰে বিচনাত পৰি আছে। মোৰ সমস্ত শক্তি যেন নিষ্ক্ৰিয় হৈ গল। পান্নাক পিছত মাদ্ৰাজলৈ নিয়া হল। কিন্তু ডাক্তৰৰ অশেষ চেষ্টাতো পান্না জীৱিত হৈ নুঠিল। পান্নাৰ শেষকৃত্য সমাপণ কৰি শিল পৰা কপৌৰ দৰে ঢলং পলংকৈ ঘৰ ওলালো। জীৱনৰ তীব্ৰ আকাংক্ষিত বস্তু নোপোৱাৰ বেদনাত মনত বৈৰাগ্য উপজিল। জীৱনত বিয়া বাৰু নকৰাৰ একপ্ৰকাৰ সিদ্ধান্তকেই কৰি পেলালো।

এনেয়ে ঘৰত আছো। ইফালে ঘৰৰ চিন্তা বৃদ্ধা মাৰ চিন্তা, গাভৰু ভনীক বিয়া দিব লাগে। আৰ্থিক অনাটন। এইবোৰে মোক জুৰুলা কৰিলে। মোমাই দেউহঁতৰ সহযোগত যোৱাবাৰ ভনীৰ বিয়াখন পাতিলো। তাৰ কেইমাহমান পিছত মায়ো ইহজগতৰ পৰা মেয়ো এৰি গুচি গল। গাওঁৰ মাটিঘৰ মোমাইদেউহঁতক দি মই নিগাজীকৈ ইয়ালৈ গুচি আহিলো। অতীতৰ সকলো চিন্তা পাহৰি ভাৰাঘৰ এটা লৈ কাছাৰীতে ওকালতি আৰম্ভ কৰিলো। আৰম্ভ হল বিহংগ জীৱন। কিন্তু মানুহ হিচাপে জীয়াই থাকিবলৈ লাগে এক উৎসাহ উদ্দীপনা, শান্তি। পান্না আৰু মই শেষবাৰৰ কাৰণে এই নেহৰু পাৰ্কতেই বহি কথা পাতিছিলো। পান্না আৰু মোৰ প্ৰেমৰ চাপ নেহৰু পাৰ্ক, কলেজৰ বকুলজেপাৰ তলত আৰু বিভিন্ন ঠাইত এতিয়াওঁ মচিব নোৱাৰাকৈ আছে।

হেৰি উঠক আন্ধাৰ হল! সোনকালে যাব লাগে। কৰীৰ মাত শুনি মই হুৰমুৰকৈ থিয় দিলো। নাজানো কিমান সময় ভাৱত অতিবাহিত হল। পাৰ্কলৈ আহিছিলো শান্তিৰ বাবে। কিন্তু ইয়াতো নাপালো শান্তি। ভাৰাক্ৰান্ত মন এটা লৈ কৰী আৰু মই গুচি আহিলো। মনকে শান্তনা দিলো। কৰীয়েই মোৰ অতীত জীৱনত হেৰোৱা সেই পান্না। যি পান্নাৰ বিকল্প। □



# ভগ্ন হৃদয়

শ্ৰীনিৰুপমা মজুমদাৰ,
স্নাতক ২য় বাৰ্ষিক।

অটোৰিক্সাৰ সম্মুখৰ আইনাখন মচি থাকোতে বাৰান্দাৰ পৰা মাকে প্ৰায় চিঞৰিয়ে কলে, "তই যাবলৈ ওলালিয়েই জয়ন্ত? কিন্তু মানুহজন যে আজিয়ে অহাৰ কথা আছিল।" এতিয়াহে জয়ন্তৰ মনত পৰিল যোৱা নিশা মাকে তাক কৈছিল কোনোবা এজন ইঞ্জিনিয়াৰে হেনো সিহঁতৰ ঘৰটো ভাড়া লব খোজে। মানুহজন হেনো দুদিনো আহিল, কিন্তু সি নথকা বাবে মাকে একো সিদ্ধান্ত লব নোৱাৰিলে। আজি আকৌ মানুহজন আহিব। ইতিমধ্যে মাকৰ মুখৰ পৰা সি মানুহজনৰ বিষয়ে সকলো গম পাইছে। মানুহজন বিবাহিত। এইখন চহৰলৈ নতুনকৈ আহিছে। সি ভাবিলে মানুহজন বিবাহিত যেতিয়া একো অসুবিধা নহব। ঘৈণীয়েকজনী অন্ততঃ মাক আৰু ভনীয়েকৰ সংগী হব। সি নাথাকিলেও কোনো কথা নাই, মাকেই কিবা এটা সিদ্ধান্ত লব পাৰিব। আজি সোমবাৰ। সি হাতৰ ঘড়ীটোলৈ চালে চেঃ ৮-৩০ বাজিলেই। Office time miss কৰিব নোৱাৰি। সি হাতৰ ফটা কাপোৰ টুকুৰা বাৰান্দাৰ এচুকলৈ দলিয়াই দি মাকক কিবা এষাৰ কব খোজতেই এজন মানুহ সিহঁতৰ পদূলিৰে সোমাই আহিল। সি মানুহজনলৈ চাই উচপ্ খাই উঠিল। সি আকৌ এবাৰ মানুহজনলৈ চালে। হয় সি ঠিকেই ধৰিব পাৰিছে। সৌ সিদিনা এইজন মানুহৰ লগতেই সি কাকলিক শ্যাম মন্দিৰৰ সম্মুখত নমাই থৈ আহিছিল। ইতিমধ্যে মানুহজনে সিহঁতৰ ড্ৰয়িং ৰুমত প্ৰৱেশ কৰিছিল। সি মানুহজনলৈ একেথৰে চাই ৰল। তাৰ মনটোৱে স্মৃতিৰ পটত হেৰাই যোৱা প্ৰায় ৮ বছৰ আগৰ অতীতলৈ উৰা মাৰিলে।

সি তেতিয়া উচ্চতৰ মাধ্যমিক ২য় বাৰ্ষিকৰ ছাত্ৰ। জয়ন্ত বৰুৱা। পঢ়া-শুনাৰ লগে লগে খেলা ধুলা সকলোতে পাৰদৰ্শী জয়ন্ত মহাবিদ্যালয়ৰ সকলোৰে প্ৰিয়পাত্ৰ আছিল। জয়ন্তৰ এটি আচৰিত চখ আছিল। ছোৱালী জোকোৱা। ছোৱালীবোৰক নাৰ্ভাচ কৰাই জয়ন্তই বৰ ৰং পাইছিল। আৰু সেই চখটোৰ পৰাই পৰোক্ষভাৱে জয়ন্ত আৰু কাকলিৰ মাজত এটা মধুৰ সম্পৰ্কই গা কৰি উঠিছিল। কাকলি হাজৰিকা। সেইখন মহাবিদ্যালয়ৰে ১ম বাৰ্ষিকৰ ছাত্ৰী। জয়ন্ত আৰু কাকলিৰ এই মধুৰ সম্পৰ্ক ক্ৰমে গভীৰ হৈ আহিল। মহানগৰীৰ প্ৰতিটো সন্ধ্যাই সিহঁতৰ বাবে আনন্দ মুখৰ হৈ উঠিল। দুয়ো



ভাবিবলৈ ধৰিলে সিহঁতৰ সমান সুখী যেন পৃথিৱীত আন কোনো তৃতীয় ব্যক্তি নাই। সিহঁতে ইজনে আনজনক নেদেখিলে থাকিব নোৱাৰা হ'ল।

সময়ৰ গতিত জয়ন্ত আৰু কাকলিৰ প্ৰেমৰ কাহিনীয়ে কলেজখন তোলপাৰ লগালে। পৰম্পৰে পৰম্পৰক নিজৰ কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ হোৱা কাকলিয়ে কিন্তু তাইৰ প্ৰতিশ্ৰুতি ৰাখিব নোৱাৰিলে। জয়ন্ত বৰুৱাক এৰি কাকলিয়ে কোনোৱা ৰাজীৱ শইকীয়া নামৰ মেডিকেল পঢ়ি থকা ল'ৰা এজনৰ লগত প্ৰেমৰ পাতনি মেলিলে। জয়ন্তই চাৰিওফালে আন্ধাৰ দেখিলে। এই বিষয়ে সি কাকলিক খোলাখুলিকৈ সুধিছিল। কিন্তু কাকলিৰ স্পষ্ট উত্তৰে তাক হতাশ কৰিলে। জয়ন্তই এটা নতুন জীৱনৰ সন্ধান পালে। কোনো দিন চিগাৰেট মুখত নিদিয়া জয়ন্তই অৱশেষত মদ খাবলৈ ধৰিলে। লগৰ ল'ৰাৰ বুজনিয়েও তাক টলাব নোৱাৰিলে। ৰাজীৱ আৰু কাকলিৰ অবাধ বিচৰণে তাৰ মনত ছোৱালীৰ প্ৰতি ঘৃণাৰ ভাব এটিৰ সৃষ্টি কৰিলে। জয়ন্তৰ-পঢ়াপাতিত মন নবহা হল। অৱশেষত সিহঁতৰ পৰীক্ষাৰ ৰিজাল্ট ওলাইছিল। আশা কৰা মতে জয়ন্তই ৰিজাল্ট ভাল কৰিব নোৱাৰিলে। সেয়ে দেউতাকৰ ডাক্তৰী পঢ়োৱাৰ ইচ্ছাক জলাঞ্জলি দি সি স্নাতক বৰ্ষত ভৰ্ত্তি হবলগীয়া হ'ল।


ইতিমধ্যে দেউতাকৰ চাকৰি সংক্ৰান্তত কাকলি সেই চহৰ এৰি অইন ঠাইলৈ আঁতৰি গৈছিল। কাকলি আঁতৰি যোৱাত জয়ন্তই কিছু সকাহ পাইছিল যদিও কাকলিৰ মুখখনে তাক মাজে মাজে বৰ আমনি কৰিছিল। ইতিমধ্যে সিহঁতৰ স্নাতক চূড়ান্তবৰ্ষৰ পৰীক্ষাৰ ওচৰ চাপিছিল। পৰীক্ষালৈ মাত্ৰ চাৰিদিন বাকী। হঠাতে এক অচিন ৰোগত আক্ৰান্ত হৈ মাত্ৰ দুদিনৰ ভিতৰতে জয়ন্তৰ দেউতাকৰ মৃত্যু হ'ল। দেউতাকৰ মৃত্যুৰ তাৰ মূৰত আকাশী সৰগ ভাঙি পৰিল। সি চকুৰে ধোঁৱা কোৱা দেখিলে। ঘৰখনৰ একমাত্ৰ উপাৰ্জনৰ পথটোও হঠাতে ঈশ্বৰে কাঢ়ি নিলে। দেউতাকৰ মৃত্যুত ঘৰখনৰ দায়িত্ব তাৰ ওপৰতে পৰিল। জয়ন্তৰ আৰু পঢ়া নহল। দেউতাকৰ চাকৰিটোৰ বাবে সি বহু জনৰ ওচৰত বহুতো আবেদন কৰিলে। কিন্তু একো ফল নধৰিল। তাৰ ভাগ্যত চাকৰি নোলাল। অৱশেষত সি কেইজনমান বন্ধুৰ সহায়ত অটোৰিক্সা Permit খন বনাই ললে। সেই দিনাৰ পৰা সি অটোচালক হিচাপে পৰিচিত হ'ল। মাকৰ মনত শান্তি দিবলৈ, ভনীয়েকজনীৰ মুখত হাঁহি ফুটাবলৈ সি যিকোনো কাম কৰিবলৈ প্ৰস্তুত।

কিছুদিন আগতে সি তাৰ পুৰণি বন্ধু এজনৰ মুখৰ পৰা গম পালে যে কাকলিৰ হেনো কোনোৱা ইঞ্জিনিয়াৰ এজনৰ লগত প্ৰায় ছমাহ মানৰ আগতে বিয়া হৈ গৈছে। এতিয়া হেনো সিহঁত এইখন চহৰলৈ বদলি হৈ আহিছে। কাকলিৰ এইখন চহৰলৈ পুনৰ আগমনৰ বাৰ্তাই তাৰ বুকুৰ ভিতৰৰ কোনোৱাখিনি কোঁচ খুৱাই দিলে। কাকলিৰ লগত কেতিয়াবা দেখাদেখি হব বুলি তাৰ খুব ভয় হ'ল। অৱশেষত সেইটোৱেই হ'ল। শাৰী শাৰী অটোৰিক্সাৰ মাজত থকা তাৰ অটোখনৰ ফালেই কাকলি আৰু তাইৰ গিৰিয়েকজন আগুৱাই আহিল। কাকলিয়ে

বোধহয় জয়ন্তক চিনি নাপালে। জয়ন্তই কিন্তু তাইক দেখা মাত্রেই চিনি পালে। জয়ন্তই তাইক মাতিব খুজিও জিভাখনক কোঁচ খুৱাই আনিলে। নাই, সি কাকলিব ওচৰত কেতিয়াও ধৰা দিব নিবিচাৰে।

এটা সময়ত জয়ন্তৰ অটোখনে বিকট শব্দ এটা কৰি গন্তব্য স্থান অভিমুখে ৰাওনা হৈছিল। কাকলিয়ে কি ভাবিছিল জয়ন্তই নাজানে, কিন্তু সি ভাবি গৈছিল কাকলিয়ে তাক কিয় প্ৰতাৰণা কৰিলে। কি নাছিল তাৰ? সকলো ছোৱালীৰে মন আকৰ্ষণ কৰিব পৰা এটি পুৰুষ সুলভ চেহেৰা। কাকলিৰ বাবেইতো তাৰ আজি সকলো হেৰাই গ'ল। এটা সময়ত নিৰ্দিষ্ট ঠাইত জয়ন্তৰ অটোখন বৈ গৈছিল। কাকলিয়ে আগবঢ়াই দিয়া ৫০ টকীয়া নোটখনৰ ফালে কিছুসময় চাই থাকি সি "ভঙনীয়া নহব" বুলি কৈ খুব জোৰেৰে অটোখন চলাই সেই ঠাইৰ পৰা অদৃশ্য হৈছিল। তেতিয়াৰ পৰা সি এক মানসিক অন্তৰ্দ্বন্দত ভুগি আছে।

আজি আকৌ সেই মানুহজনেই আহিছে সিহঁতৰ ঘৰটো ভাড়া লবলৈ। এইখন ঘৰত কাকলি থাকিব। কাকলিৰ সন্মুখেৰেই সি অটোখন লৈ ওলাই যাব লাগিব। ওলাওতে সোমাওতে সি কাকলিৰ মুখামুখি হব লাগিব। নাই, নাই, সি নোৱাৰিব। সি নোৱাৰিব। এইখিনি মানসিক শক্তি তাৰ নাই। খং আৰু হতাশাত তাৰ হাতৰ মুঠি শিথিল হৈ গ'ল। পদূলিত To LET লিখা থকা চাইনবোৰ্ডখন টান মাৰি উঘালি আনি ভিতৰলৈ দলিয়াই মাকক চিঞৰি কলে, "মা, মানুহজনক কৈ দিয়া ঘৰটো ভাড়াত দিয়া নহব।" □



# পৰিবৰ্ত্তন


*শ্ৰীনিৰোদ কুমাৰ শৰ্ম্মা,*
স্নাতক তৃতীয় বাৰ্ষিক।


অপৰাজিতাৰ কথাখিনিয়ে বেচ অবাক কৰি তুলিছে বৰুৱাক। এতিয়াও যেন ৰিণ্ ৰিণ্ কৈ বাজি আছে কথাখিনি বৰুৱাৰ কাণত। তেওঁ মাথো নিস্পলক নেত্ৰে চাই আছে অপৰাজিতালৈ। ল'ৰাজনে কৰা অপমানৰ বাবে সি হয়তো বৰুৱাৰ ক্ৰোধাগ্নিত পৰিণত হ'ল হেতেন এটা মৃতদেহলৈ। কিন্তু সকলো ওলট-পালট হৈ গল একমাত্ৰ অপৰাজিতাৰ বাবে। এৰা! বৰুৱাই ভাবিছে। তাই কোৱাৰ দৰেই তেওঁ এতিয়া আকৌ আৰম্ভ কৰিব নেকি গল্প প্ৰবন্ধ আদি লিখি প্ৰকাশ কৰা, যত প্ৰতিভাত হৈ উঠিব লাগিব বৰ্ত্তমান সমাজ ব্যৱস্থাৰ দোষ-ত্ৰুটী আন্দোলন বিভীষিকা, দৰিদ্ৰজনৰ বুকুৰ সংবাদ আদি।।

এসময়ত এইবোৰ লেখিমিলি বৰুৱাই প্ৰতিষ্ঠিত হৈ গৈছিল বেচ ভালদৰেই। অৱশ্যে আজিকালি তেওঁ আৰু এইবোৰ নিলিখে। তথাপি হাঁতদীঘল মানুহ যেতিয়া লিখনী সমূহ প্ৰকাশ কৰাত বিশেষ অসুবিধা নহয় তেওঁৰ। অপৰাজিতাই কোৱাৰ দৰেই কথাবোৰ ভাবি চাইছে বৰুৱাই। এৰা! নিষিদ্ধ ঘোষিত এই সংগঠনৰ যি দাবী, বৰ্ত্তমানত অৰ্থনৈতিক যি সমস্যা, এইবোৰতো অমূলক নহয়। কিন্তু বৰুৱাৰ বাবে সমস্যা হৈ পৰিছে এইখিনিতেই। কি কৰিব তেওঁ? পৰিস্থিতি সাপেক্ষ লিখনী নহলে কৃতকাৰ্য্য হোৱা টান। আনহাতে চৰকাৰৰ গাতো চেকা পেলাব নোৱাৰি। নহলে তেওঁৰ পদোন্নতিৰ জঁখলাডাল মাজতেই চিগি থাকিল যে ই ধ্ৰুৱ। আনহাতে তেওঁ পাব বুলি ইকাণ সিকাণকৈ শুনি থকা বঁটাটোৰো আধ্যা পৰিব।

ল'ৰাজনে বেচ্ গম্ভীৰ ভাবেই আহি থিয় দিছিল বৰুৱাৰ আগত। তাক দেখিলেই টিক-নিসৈকে খং উঠা বৰুৱাৰ মূৰটো আজি পিছে বৰফৰ দৰেই শীতল হৈ আছিল, বৰঞ্চ মুখত এটা মোলায়েম হাঁহিয়েই আছিল তেওঁৰ। ল'ৰাজনক বৰুৱাই প্ৰতিদিনেই ৰিজেক্ট কৰি আহিছে, আনকি তেওঁৰ কমৰ পৰা বাহিৰ কৰিও দিছে এদিনাখন। বৰুৱাইতো আৰু লৰাজনক পচিশ-ত্ৰিশ হেজাৰ টকা লোকচান কৰি চাকৰিটো দিব নোৱাৰে। তাৰ যিহেতু ভেটী মাটিখিনিৰ বাহিৰে ফুটা কৰি এটাও নাই, সেয়েহে বৰুৱাৰ আশা পূৰ্ণ কৰাৰ সামৰ্থও ল'ৰাজনৰ নাই। কিন্তু আজি বৰুৱাৰ কঠিন মুখতো হাঁহি ওলাল, কাৰণ ল'ৰাজনৰ হাঁতত জিল্ মিলাই আহিল আহাৰ খাই পেট ওফন্দি থকা মাছৰ দৰে এটা হেণ্ডবেগ্। বৰুৱাই ভাবিছিল অন্ততঃ বিশ পচিশৰ

কম নহব। ল'ৰাজনে বেগটো বৰুৱালৈ আগবঢ়াই দি কলে—

"চাৰ, আপোনাৰ বাবে এটা উপহাৰ আনিছো... ।"

: "হাঃ হাঃ হাঃ বুজিছো, বুজিছো, বেচ্ ইণ্টেলিজেণ্ট বয়। মই নিশ্চয়কৈ জানো, যে তুমি কিবা এটা আনিবাই। তোমাৰ গোটেই ভৱিষ্যতৰ ইক'নমিক্ চিকিউৰিটি মই প্ৰদান কৰিম, আৰু তাৰ বিনিময়ত তুমি মোক একো নিদিবানে ? মই জানো, তুমি ইমান অকৃতজ্ঞ নোহোৱা।"

: "হয় চাৰ, মই সেই বাবেই আপোনাৰ বাবে ক্ষুদ্ৰতম হলেও এইখিনি আগবঢ়াইছো।"

: "হেঃ হেঃ হেঃ বেচ্ বুদ্ধিমান, বেচ্ বুদ্ধিমান তুমি।"

: "ভাল চাৰ, আহো এতিয়া। চাৰ, মানে চাৰ মোৰ কামটো সোনকালে হলে ... ।"

: "ওঁ নিশ্চয়, নিশ্চয়, বাৰু যোৱা এতিয়া।"

বৰুৱাই বেগ্‌টো বৰুৱাণীৰ হাঁতত দি কিমান আছে লেখি চাবলৈ কলে। বেগ্‌টো হাতত লৈ ভিতৰলৈ গ'ল বৰুৱাণী। বৰুৱাই চিগাৰেটৰ ধোঁৱাবোৰ ওপৰলৈ ৰিং কৰি এৰি দি দি এনেয়ে এবাৰ হাঁহিলে। আজি ৰাতিপুৱাতেই ইমান খিনি হাঁতলৈ অহাত মন্‌টো বেচ্ প্ৰফুল্লিত হৈ পৰিল বৰুৱাৰ। পিছে এই আনন্দময়ী পৰিবেশটো নিমিষতে ক'লামেঘে তেনেই নষ্ট কৰি পেলালে। অলপ পিছতেই যেতিয়া বৰুৱাণীয়ে এখন কিতাপ আনি সন্মুখত থলে বিস্ময়ত হতবাক হৈ গ'ল বৰুৱা। প্ৰচ্ছদপট'ত ডাঙৰ ডাঙৰ হৰফেৰে লিখা আছে—

"প্ৰাগজ্যোতি, পাটাছাৰকুছি বিদ্যাপীঠৰ মুখপত্ৰ।"

: "হেৰা! কত পালাহে এইখন ?"

বৰুৱানীলৈ চাই সুধিলে বৰুৱাই।

: "বেগৰ ভিতৰত। লেখি চাই পালো কবিতা প্ৰবন্ধ আদিৰ লগতে সাঃ সাঃ সাঃ সাঃ সাঃ তোমাৰ সেই কালজয়ী গল্প।" বৰুৱানীয়ে হাস্য কৰিয়েই কলে কথাষাৰ।

বৰুৱাৰ মুখখন ৰঙা হৈ উঠিল। বহু স্মৃতি বিজড়িত ঘটনাবোৰ মনত পেলাই দিয়াৰ বাবেইনে, বৰুৱানীৰ সন্মুখতেই তেওঁক ঠগোৱাৰ বাবে অপদস্থ হৈ তেওঁৰ মুখৰ বৰণ সলনি হ'ল সেইটো অৱশ্যে বুজা নগল। কিতাপখনৰ পাতবোৰ এটা এটাকৈ লুটিয়াই চালে বৰুৱাই। এবাৰত তেওঁৰ নিজৰ গল্পটোও ওলাই পৰিল। লগে লগে মণিকাৰ অৰ্থাৎ বৰুৱানীৰ মুখখন লাজত ৰঙা পৰি উঠিল। হেজাৰ হলেও এই গল্পটোৱেই সৃষ্টি কৰিছিল উপন্যাসপম তেওঁলোকৰ ভৱিষ্যত জীৱনটোৰ যত আছিল কেৱল ৰোমাঞ্চ আৰু ৰোমাঞ্চ।

সেই বছৰৰ বিদ্যাপীঠৰ বছৰেকীয়া সাহিত্য প্ৰতিযোগিতাত শ্ৰেষ্ঠ গল্পকাৰৰ বঁটা লাভ কৰিছিল বৰুৱাই, তেওঁৰ "মণিকাঞ্চন" গল্পৰ দ্বাৰা। ভাস্কৰ সৌৰভইঁতৰ লগ হৈ গ্ৰামোন্নয়ণৰ কামত ঘুৰি ফুৰোতে দেখিছিল বহু মণি বহু কাঞ্চনৰ দাৰিদ্ৰতাই চেপি নিয়া ভগ্ন হৃদয়ৰ হাঁহাকাৰ, যাৰ লৈ তেওঁ লিখিছিল 'মণিকাঞ্চন' গল্প। তেওঁৰ গল্পত প্ৰতিভাত হৈ উঠিছিল 'স্বাধীনতা—সমতা-ভাতৃত্ব'ৰ মহান ৰাণী। "তই সমাজ পৰিবৰ্ত্তন কৰিব পাৰিবি" বুলি পিঠিত থপৰিয়াই থপৰিয়াই কোৱা গোস্বামী চাৰৰ কথাত, চাকৰিটোকে মৰকামোৰ দি নিবনুৱা সকলৰ কথা পাহৰি যোৱা পশুপতি চাৰহঁতেও তেওঁৰ পিনে চাইছিল, হেগুড়েক্ কৰিছিল হাঁহি হাঁহি।

সাহিত্য সম্পাদিকা মণিকাই সেইদিনা বঁটা প্ৰদান কৰোতে যি দৃষ্টিৰে চাইছিল, সেই দৃষ্টিৰে যেন শৰবিদ্ধ কৰি পেলাইছিল তেওঁৰ হৃদয়ক। লাহে লাহে কঁপি উঠিছিল বিদ্যাপীঠৰ পুখুৰীপাৰ অঞ্জন বৰুৱা আৰু মণিকাৰ পদধ্বনিৰে। কব পৰা হৈছিল সিহঁতে পাৰত কেইডাল গছ আছে, গছত কেইটা আছে ডাল। হায়াৰ চেকেণ্ডাৰী পঢ়ি থকা অৱস্থাতে যেতিয়া পৰিয়ালৰ সন্মতি অবিহনে কোৰ্টত বিয়া হৈ গৈছিল সিহঁতৰ, তেতিয়া কোনো চাঞ্চল্য অনুভৱ কৰা নাছিলো আমি কোনোৱেই।

বৰুৱাৰ মুখৰ বৰণ সলনি হৈ গ'ল নিমিষতে। ক্ৰোধত বিস্ফোৰিত হৈ উঠিল দুচকু। বাৰে বাৰে চুই চাইছিল তেওঁ তেতিয়া চাইলেঞ্চাৰ যুক্ত পিস্তলৰ শীতল পৰশ। তেওঁৰ হাঁতত প্ৰজ্বলিত লাইটাৰৰ অগ্নি শিখাই লাহে লাহে দগ্ধ কৰি নিৰ খুজিছিল মণি-কাঞ্চনৰ জীৱন সংগ্ৰাম, দগ্ধ হৈ যাব খুজিছিল মণিকা অঞ্জনৰ প্ৰেমৰ স্মৃতি। কিন্তু হঠাৎ কৰপৰা যে আহি ওলাল অপৰাজিতা, বৰুৱাই গমেই নাপালে। একে আজোৰতেই লৈ গ'ল তাই কিতাপখন।

: "কিতাপ পুৰিলে বিদ্যা নাশ হব বুলি আপুনিয়েই কৈছিল নহয় দেউতা। কিন্তু।"

: "নাই নহয় মাজনী, সি মোক অপমান কৰিছে, ভীষণ অপমান। মই প্ৰতিশোধ লম ভীষণ প্ৰতিশোধ। যিখন হাতেৰে এদিন কলম ধৰিছিলো, প্ৰমাণ কৰি দিম, সেইখন হাঁতেৰেই বন্দুক ধৰিব পাৰো এতিয়া।"

: "দেউতা ?"

অপৰাজিতাই আচৰিত হৈছিল দেউতাকৰ কথাবোৰ শুনি। একোকে বুজিব পৰা নাছিল তাই। কেৱল অপলক নেত্ৰে চাই আছিল দেউতাকলৈ। কিন্তু যেতিয়া মণিকাই কথাবোৰ বুজাই কলে অপৰাক তেতিয়া তাইৰ মুখত এক ৰহস্যময় হাঁহিয়ে ভোলা দি গল। এখোজ-দুখোজকৈ দেউতাকৰ ফালে আগবাঢ়ি গ'ল তাই আৰু নাটকীয় ভাৱেই কৈ পেলালে—

: "এই অপমান আপুনি কেতিয়াবাই পাব লাগিছিল দেউতা।"

: "মাজনী !" অপৰাজিতাৰ কথাত শিৰনত হৈ গ'ল বৰুৱাৰ, লগতে হ'ল আচৰিতো। মৰমৰ জীয়েক অপৰাই যে তেওঁক এইদৰে কব ভাবিবই পৰা নাছিল তেওঁ।

"হয় দেউতা... !"

: "কিন্তু, কিন্তু, কিন্তু মই এই অপমান, আৰু জ্বলন্ত সাক্ষী এই কিতাপখন লৈ কেনেকৈ থাকিম মাজনী ? ইযে মোক সদায়... ।"

: "আপুনি আৰু নতুনকৈ গল্প প্ৰবন্ধ আদি লিখি প্ৰকাশ কৰক দেউতা, যত প্ৰতিভাত হৈ উঠে... ।"

: "তুমি, তুমি এইবোৰ কৈছা কি অপৰা ? মই আকৌ নতুনকৈ...।"

: "মই থিকেই কৈছো দেউতা। কাৰণ প্ৰায়বোৰ বেয়া মানুহে প্ৰায়বোৰ ভাল মানুহতকৈ এবাৰ হলেওঁ বেছিকৈ ভাল কথা কয়, কাৰণ ভেওঁলোকক নিজকে ঢাকি ৰাখিবৰ বাবে এটা আৱৰণৰ প্ৰয়োজন। □

( পলাশবাৰী সাহিত্য বিকাশ গোষ্ঠীৰ দ্বাৰা আয়োজিত গল্প প্ৰতিযোগিতাত সদৌ অসম ভিত্তিত দ্বিতীয় পুৰস্কাৰ প্ৰাপ্ত গল্প। )



# নিয়তিৰ পৰিহাস

শ্ৰীপুপুল শৰ্ম্মা,
দ্বাদশ শ্ৰেণী।

কেঁচা তৰকাৰিৰ মোনাটো চাইকেলখনৰ কেৰিয়াৰত উঠাই টিউবেৰে টানকৈ বান্ধি লৈ মদন মঙ্গলবৰীয়া হাটলৈ ওলাল। পিছে চাইকেলত উঠিবলৈ চাইহে সি গম পালে যে উঠিব পৰা জোখাৰে পিছৰ চোকাটোত পাম্প নাই। যাত্ৰা কালতেই এনেদৰে লঘু হৰ লগা হোৱাত তাৰ মনত বেজাৰ লাগিল। নাযাবই নেকি সি আজি বজাৰলৈ, সি ভাবিলে। কিন্তু নগলেও যে নহব। ঘৰত চাউল পাত অকণো নাই। অন্যথাই সি খোজ কাঢ়িয়ে চাইকেলখন ঠেলি ঠেলিয়েই পাঁচ কিলোমিটাৰ আঁতৰত থকা হাটলৈ বুলি যাত্ৰা আৰম্ভ কৰিলে। আলিবাটৰ জোঙা শিলবোৰে তাৰ খালি ভৰিৰ তলুৱাত বিন্ধে যদিও কৰ্ত্তব্যৰ খাতিৰত সি তাৰ যন্ত্ৰণালৈ আওঁকাণ কৰি লক্ষ্যস্থান অভিমুখে গৈ থাকিল। গৈ থকা অৱস্থাতেই বিগত জীৱনৰ কথাবোৰ তাৰ মানস পটত জল্‌জল্ পট্‌পট্ কৈ ভাহি উঠিবলৈ ধৰিলে।

ঘৰখনৰ একমাত্ৰ ল'ৰা হিচাপে সি আছিল সকলোৰে আদৰৰ লাড়ু। দেউতাক মহেন্দ্ৰ চলিহা আছিল স্থানীয় এম, ই স্কুল এখনৰ প্ৰধান শিক্ষক। একমাত্ৰ বায়েক ললিতা আৰু মাক সহ সিহঁতৰ চাৰি জনীয়া সৰু পৰিয়ালখন দেউতাকৰ উপাৰ্জনেৰেই সুন্দৰকৈ চলিছিল। সৰুৰে পৰা পঢ়াৰ প্ৰতি মদনৰ আগ্ৰহ আছিল। পঢ়াৰ প্ৰতি থকা আগ্ৰহ আৰু দেউতাকৰ যত্নৰ ফলতেই সি মেট্ৰিক পৰীক্ষাত প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। তাৰ পিছত দেউতাকে তাক নাম লগাই দিছিল গুৱাহাটীৰ কটন কলেজত, বিজ্ঞান শাখাত। তাত হষ্টেলতে থকাৰ ব্যৱস্থা হৈছিল তাৰ। তাৰ নম্ৰতা আৰু সাধুতাই সহপাঠীসকলক আকৰ্ষণ কৰিছিল। দিনে দিনে তাৰ বন্ধু-বান্ধৱীৰ সংখ্যাও বাঢ়ি গৈছিল। বৰ সুখ, আনন্দেৰেই দিনবোৰ পাৰ হৈছিল।

সেইদিনা আছিল এপ্ৰিল মাহৰ ২০ তাৰিখ। মদনৰ পঢ়াত টান পৰিছে। ইপিনে ফাইনেল পৰীক্ষালৈও ওচৰ চাপি আহিছে। কলেজৰ ক্লাছ পূৰ্ণ গতিত চলি আছে। এনে ব্যস্ততাৰ কাৰণেই মদনে বহুদিন ঘৰলৈ যাব পৰা নাই। ঘৰলৈ চিঠি দিছে টকাৰ প্ৰয়োজন হোৱা বাবে। সেয়ে সিদিনা দেউতাক মহেন্দ্ৰ চলিহাই কিছু টকা আৰু জীয়েকে বনাই দিয়া ঘিলা পিঠাৰ সৰু টোপোলা এটা লৈ পুতেক মদনৰ খবৰ লবলৈ বুলি গাড়ীত উঠিছিল। গাড়ী

দ্ৰুত গতিত ঢাপলি মেলিছিল গুৱাহাটী অভিমুখে। শৰাইঘাট দলং পাওঁ পাওঁ হৈছে। এনেতে হঠাৎ গাড়ীখনৰ ভিতৰতে এক ভয়ংকৰ বিস্ফোৰণ ঘটিল। দশোদিশ ধুৱঁলী কুঁৱলী হৈ গ'ল। চকুৰ পচাৰতে গাড়ীখন চূৰ্ণ বিচূৰ্ণ হৈ গ'ল। আৰু তাৰ ভিতৰত থকা মানুহবোৰ! মদনৰ দেউতাক !! অতি নিষ্কৰুণ ভাবে মৃত্যুক আকোৱালী লবলগা হল অকস্মাতে, অকালতে।

দেউতাকৰ মৃত্যুৰ খবৰটো তিনিদিন পিচতহে মদনে পাইছিল। তাৰ পিছৰে পৰা সিহঁতৰ ঘৰখনত শনিৰ কোঁপদৃষ্টি পৰিল। দেউতাক অবিহনে সিহঁতৰ ঘৰখন পানীত হাঁহ নচৰা অৱস্থা হৈ পৰিল। এতিয়া ঘৰখনৰ সমস্ত দায়িত্ব ২০ বছৰীয়া মদনৰ ওপৰতেই পৰিল। তাৰ আৰু পৰীক্ষা দিয়া নহল। তিমানতেই পঢ়াৰ মোখনি মাৰি সি উভতি আহিল ঘৰলৈ। ইমান বছৰে আলাসতে ওপঙি ফুৰা মদনে মুৰ পাতি লবলগা হ'ল সংসাৰৰ সমস্ত দায়িত্ব, মাক, বায়েকক ভৰণ পোষণ দিয়াৰ দায়িত্ব। লাহে লাহে আৰ্থিক অনাটনে তাক জুৰুলা কৰিবলৈ ধৰিলে।

হলা গছত আটায়ে বাগী কুঠাৰ মাৰে। এদিন চহৰৰ পুঁজিপতি হৰমোহন চলিহা আহিল দ্বিতীয় বিবাহ কৰাবৰ বাবে মদনৰ বায়েক লীলাক ধৰিবলৈ। লগতে বিয়াৰ পিছত মদনক চাকৰী এটা যোগাৰ কৰি দিব বুলিও প্ৰতিশ্ৰুতি দিলে। প্ৰথমে মাক আৰু সি বিয়া দিবলৈ মান্তি হোৱা নাছিল যদিও পিছলৈ হৰমোহনৰ নানা চলাহি কথাত ভোল গৈ বিবাহ দিবলৈ মান্তি হ'ল। তাৰ তিনিদিন পিছতেই কোৰ্টত লীলা আৰু হৰমোহন চলিহাৰ বিবাহ কাৰ্য্য সম্পন্ন হৈ গ'ল।


তাৰ কিছুদিন পিছতেই এদিন মদন গ'ল ভিনিহীয়েকৰ ওচৰলৈ, পূৰ্বে কৈ যোৱা অনুসৰি চাকৰি পোৱাৰ আশাত। ভিনিহীয়েকহঁতৰ পদুলি মুখত লিখা কথা "কুকুৰৰ পৰা সাৱধান" বাক্যটো পঢ়ি অলপ সংকোচ ভাবেৰে পদুলিৰ দৰ্জাখন খুলিলে। এনেতে হৃষ্ট-পুষ্ট কুকুৰ এটাই ভয়ংকৰ মূৰ্ত্তি ধৰি ভুকিবলৈ ধৰিলে। কুকুৰটোৰ ভুকভুকনি শুনি বায়েক ওলাই আহি মদনক আনন্দতে আত্মহাৰা হৈ তাক আগুৱাই ঘৰৰ ভিতৰলৈ লৈ গ'ল। তাৰ কিছু সময় পিছতেই স্নুতাৰ চলাই কৰবাৰপৰা ভিনিহীয়েক আহি ওলালহি। ঘৰৰ ভিতৰ সোমোৱাৰ লগে লগে এক ভেকেতাভেকেত গোন্ধ মদনৰ ঘ্ৰাণেন্দ্ৰিয়ত লাগিল। তাৰ আৰু বুজিবলৈ বাকী নাথাকিল যে ভিনিহীয়েকে বিলাতী 'মদ'ও পান কৰে। তাৰ অন্তৰখন এক অবুজ বেদনাৰে ভৰি পৰিল।

দুপৰীয়া। ভাত পানী খাই উঠি মদনে গৈ ভিনিহীয়েকৰ ওচৰত বহিলগৈ। কথা প্ৰসংগত সি যেতিয়া চাকৰিৰ কথা উলিয়ালে, তেতিয়া ভিনিহীয়েকে ভেকাহি মৰাৰ দৰে কৈ উঠিল— "হেৰ মূৰ্খ, চাকৰি পোৱাটো ভাতৰ লগত পানীখোৱাৰ দৰে ইমান সহজ বুলি ভাবিছ নেকি, হু? হেৰ শুন, প্ৰথমে তই মোক বিশহেজাৰ মান টকা যোগাৰ কৰি দি যাবিহি। তেতিয়াহে যদি চাকৰি এটা পাৱ।"

ভিনিহীয়েকৰ মুখত এনেকুৱা কথা শুনি মদনৰ খঙে চুলিৰ আগ পাইছিলগৈ। খঙতে তাৰ হাত ভৰিবোৰ কঁপি উঠিছিল। তৎক্ষণাত সি বহাৰ পৰা উঠি ভিনিহীয়েকক কেই আষাৰমান অকথ্য কথাৰে গালি পাৰিছিল আৰু একেকোবে আহি ৰাজআলি পালেহি। ৰাজ পথৰ পৰাই বায়েকৰ হিয়াভঙা কান্দোনৰ ধ্বনি শুনিবলৈ পাইছিল যদিও সি পিছলৈ ঘূৰি নাচাই উভতি আহিছিল ঘৰলৈ।

তাৰ পিচত সি আৰু কোনোদিনে চাকৰিৰ সন্ধানত ঘূৰা নাই। কাৰণ সি জানে যে আজিকালি টকা নহলে চাকৰি বিচৰাটো পৰ্ব্বতত হাহঁৰ বণী বিচৰাৰ দৰে কথা। ইপিনে মাকৰ অৱস্থাওঁ দিনে দিনে দুৰ্বল হৈ আহিছে। আজি কিছুদিনৰ পৰা কঁকালৰ বিহঁটোৱে পুনৰ উক দিছে। ডাক্তৰ এজনে কেইটামান বেজী লবলৈ কৈছে। কিন্তু টকাৰ অভাৱতে বেজী কেইটা সি মাকক দিব পৰা নাই। আজি কিছুদিনৰ পৰা সি টকা উপাৰ্জনৰ মাধ্যম হিচাপে কেঁচা তৰকাৰিৰ বেপাৰ কৰাত লাগিছে। দেউতাকে স্কুললৈ অহা-যোৱা কৰোতে ব্যৱহাৰ কৰা পুৰণি হাম্বাৰ চাইকেলখনতেই পাইকাৰী দামত কিনা কেঁচামাল বজাই দি অৱতৰ-ভৰ বজাৰলৈ নি পিছত অলপ কিনা দামতকৈ বেছি দামত বিক্ৰী কৰাই হ'ল তাৰ ব্যৱসায়।

কথাবোৰ ভাবি ভাবি সি কেতিয়া আহি পাঁচ কিলোমিটাৰ বাট অতিক্ৰম কৰি আহি হাটখোলাত উপস্থিত হ'ল গমকেই নাপালে। এটা তপত হুমুনিয়াহ তাৰ মুখেৰে আপোনা আপুনি ওলাই আহিল আৰু পিছমুহূৰ্ত্ততেই মানুহৰ জুমবোৰৰ মাজত সি সোমাই পৰিল। ☐



# ঃ বিয়ানামত অসমীয়া সামাজিক-জীৱনৰ চিত্ৰ ঃ

শ্ৰীমনোজ কুমাৰ শৰ্মা,
প্ৰৱক্তা, অসমীয়া বিভাগ ।

লোক-সাহিত্যৰ অন্তৰ্গত কৰুণ আৰু হাস্যৰসাত্মক বিয়ানাম সমূহ অসমীয়া সামাজিক জীৱনৰ বৃহদংশক ঠাই আগুৰি আছে। অসমীয়া সমাজ-জীৱনৰ লগত এই গীত সমূহৰ সম্পৰ্ক ওতঃপ্ৰোত। অসমীয়া বিবাহ অনুষ্ঠানৰ বিভিন্ন অৱস্থাত আয়তী সকলে গোৱা এই হাৰ্দিক গীতবোৰ লোক-সাহিত্যৰ মূল্যবান সম্পদ। স্মৃতিশাস্ত্ৰৰ নীতিৰ দ্বাৰা সংযত পবিত্ৰ মিলন মধুৰ এই গীতবোৰত দৰা-কইনাৰ দাম্পত্য জীৱনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হৈছে। সমাজক বাদ দি সাহিত্য সৃষ্টি হ'ব নোৱাৰে। বিয়ানাম-বোৰ অলিখিত সাহিত্য যদিও সমাজৰ প্ৰতিটো দিশেই ইয়াত প্ৰতিবিম্বিত হৈছে। বিয়ানাম সমূহৰ উৎস হ'ল নাৰী-হৃদয়। সেয়েহে বিয়া-নাম সমূহত নাৰীমনৰ আবেগ, অনুভূতি আৰু কমনীয়তা অন্তঃসলিলা ফল্গুৰ দৰে প্ৰবাহিত হৈছে।

বিয়ানাম সমূহ সাধাৰণতে দুই ধৰণৰ। প্ৰথম শ্ৰেণী গীত ভাৱগধুৰ আৰু ৰুচিপূৰ্ণ। এই শ্ৰেণীৰ গীতত পৌৰাণিক কাহিনীৰ উজ্জ্বল চৰিত্ৰ সমূহৰ বিবাহৰ বৰ্ণনা দি আৰু সেই চৰিত্ৰ সমূহ দৰা-কইনাত আৰোপ কৰি নামতী সকলে বিয়াঘৰত এক গহীন সুৰৰ মূৰ্ছনাৰে এক বিশেষ পৰিৱেশৰ সৃষ্টি কৰে। নাৰীমন সদায় উচ্চা-ভিলাসী। ৰূপে-গুণে বিভূষিত পুৰুষ এজনক স্বামী বৰণ কৰাটো প্ৰত্যেক গাভৰুৰে আন্তৰিক ইচ্ছা আৰু হেপাহ। সেয়েহে ৰাম-সীতা, ঊষা-অনিৰুদ্ধ আদিৰ যুগজয়ী প্ৰণয় কাহিনীবোৰ এই শ্ৰেণীৰ বিয়ানামত ঠাই পাইছে। এই কাহিনী-বোৰত ভিত্তি কৰিয়েই নামতী সকলে এই শ্ৰেণীৰ বিয়ানাম ৰচা দেখা যায়। নাৰীমনৰ নিজা সৃষ্টি বাবে বিয়ানামবোৰত অধিক কমনীয়তা আৰু স্পষ্ট সজীৱ চিত্ৰ আকৰ্ষণীয় হৈ উঠিছে। সুৰ দিব জনা নামতীয়ে বিয়ানাম সমূহ পৰিৱেশন কৰিলে ই শ্ৰোতাৰ অন্তৰ পৰশি আনন্দ-বিষাদ মিশ্ৰিত লোতকৰ নিজৰা বোৱাব পাৰে। সহজ-সৰল ৰচনাভঙ্গী, কল্পনাৰ সংমিশ্ৰণ, উপমাৰ যথোচিত প্ৰয়োগ, অসমীয়া ঘৰুৱা জীৱনৰ প্ৰাঞ্জল চিত্ৰ, প্ৰাকৃতিক চিত্ৰকল্প আদি এই গীত সমূহত মুকুতা মণিৰ দৰে জিলিকি উঠিছে। তলৰ বিয়ানাম ফাকিৰ পৰা এই আটাইকেইটা কথাৰ উমান পোৱা যায়।

আম মলে থোপা-থুপি, কদম মলে হালি।
বেইৰ মাজত পদ্ম জ্বলে ; মেঘে চালে পানী ॥

দ্বিতীয় প্ৰকাৰৰ গীতবোৰ বৰ আমোদজনক। এই শ্ৰেণীৰ গীতক উজনি অসমত যোৰা নাম আৰু নামনিত খিচা-গীত বোলা হয়। যোৰা-নামবোৰ বৰ দীঘলীয়া নহয়। দুফাকি বা চাৰিফাকি পদ লগলগাই ৰচিত এই গীতবোৰৰ দ্বাৰা কইনাঘৰীয়াই দৰাঘৰক নতুবা দৰাঘৰে কইনাঘৰক জোকাই আনন্দ কৰাটোৱেই মুখ্য উদ্দেশ্য। আনহাতে এই আনন্দৰ মাজেৰে অন্তৰৰ গোপন কক্ষত তুঁহ-জুইৰ দৰে জ্বলি থকা কইনাঘৰৰ বিষাদটো কিছু পৰিমানে লাঘৱ কৰাৰ চেষ্টা কৰা হয়। যোৰানামৰ তিতা কেহাৰ মাজতো মধুৰস আস্বাদন কৰি দৰাঘৰ, কইনাঘৰ উভয়পক্ষই দীঘলীয়া উজাগৰী নিশাটো ৰঙ-ৰহইচৰ মাজত কটাই দিয়ে। তীক্ষ্নবাণ স্বৰূপ এই যোৰানামবোৰ কেনেদৰে নিক্ষেপ কৰে তলৰ যোৰানাম দুফাকিৰ পৰা ভালদৰে বুজা যায়।

ঃ কইনাঘৰৰ নামতীয়ে গালে ঃ

অ' মন জালুক,
দৰাঘৰৰ ছোৱালীবোৰ
অৰণ্যৰ ভালুক।

ঃ প্ৰত্যুত্তৰত দৰাঘৰীয়া নামতীয়ে গালে ঃ

আমি খেলাও লুহু আমি খেলাও লুহু;
কইনাঘৰৰ ছোৱালীবিলাক বাঁহৰ তলৰ ছুছু।

কেতিয়াবা আকৌ বিবাহ অনুষ্ঠানৰ পানী তুলিবলৈ যাওঁতে, সুৱাগুৰি তুলিবলৈ যাওঁতেও ৰঙ ৰহইচ কৰিবলৈ যোৰানাম গোৱা হয়।

বিবাহ এক সামাজিক অনুষ্ঠান। এই অনুষ্ঠানৰ জৰিয়তেই এহাল অচিনাকি ডেকা-গাভৰুৱে সামাজিক স্বীকৃতি লাভ কৰি যুগ্ম জীৱনৰ পাতনি মেলে। আনন্দ উল্লাসৰ ঢৌৰ অন্তৰালত টিমিক টামাককৈ জ্বলি থকা কাৰুণ্যই এই অনুষ্ঠান অতি গভীৰ কৰি তোলে। বিয়া খনৰ আৰম্ভনিৰ পৰা শেষলৈ সৰু বৰ কেবা ধৰণৰ অনুষ্ঠান আছে। বিয়ানামত এই আটাই-বোৰ চিত্ৰই সজীৱ ৰূপত পোৱা যায়। জোৰণ দিয়া, দৈয়ন দিয়া, শ্ৰাদ্ধত বহা, পানীতোলা, নোৱনি, মূৰত তেল-চাউল দিয়া, গাঁঠিয়ন খুন্দা, সুৱাগুৰি-তোলা, দৰা-কইনাই আঙঠি লুকোৱা আদি বিভিন্ন সময়ত গোৱা বিয়ানামবোৰ ভিন-ভিন ধৰণৰ। অভিজ্ঞ নামতি সকলে শ্ৰাদ্ধাদি কৰ্মৰ সময়ত এনেকুৱা সুন্দৰ ক্ৰমত বিয়ানামবোৰ পৰিবেশন কৰে যে পুৰোহিতে তাক অনুকৰণ কৰিয়েই শ্ৰাদ্ধৰ মন্ত্ৰ পাঠ কৰিব পাৰে ; প্ৰয়োজনীয় বিধি নেমেলিলেও হয়।

পুৰণি অসমীয়া সমাজ-জীৱনৰ বহুখিনি কথাই বিয়ানামবোৰত পোৱা যায়। তাঁতশালৰ লগত অসমীয়া নাৰীৰ সম্পৰ্ক অতি ঘনিষ্ঠ। আগতে-বোৱাচকটা কৰিব নজনা ছোৱালীক আনকি বিয়া দিয়াটোও আমাৰ সমাজত জটিল আছিল। সেয়ে জীয়াৰী তাঁতৰ পাতত ৰহিব পৰা হলেই আকে হাতত-হাতত ধৰি কাপোৰ বৱ শিকাইছিল। অসমীয়া নাৰী জীৱনৰ অপৰিহাৰ্য্য আহিলা তাঁতশালখন ইমান মৰমৰ যে সিও আইদেউৰ বিয়াৰ দিনা চকুপানী টোকে —

বৰঘৰত কান্দিলে মাক-বাপেকে
মাৰলত কান্দিলে ভনী,
বাৰীৰ পিছফালে কান্দে তাঁতৰ শাল
আইদেউক বিয়া দিবৰ শুনি।

অলঙ্কাৰেই নাৰীৰ ভূষণ। অলঙ্কাৰ নিপিন্ধিলে নাৰীৰ প্ৰকৃত সৌন্দৰ্য্য ফুটি নোলায়। অসমীয়া নাৰী সমাজত অতি প্ৰাচীন কালৰে পৰা অলঙ্কাৰ পৰিধান কৰা প্ৰথা প্ৰচলিত আছে।

আহোম ৰাজত্ব কালত বিৰচিত অসম বুৰঞ্জী সমূহতো নানা প্ৰকাৰৰ অলঙ্কাৰৰ উল্লেখ পোৱা যায়। অসমীয়া বিবাহ অনুষ্ঠানৰ জোৰণত কইনাক দিয়া সামগ্ৰী সমূহৰ ভিতৰত অলঙ্কাৰ প্ৰধান সামগ্ৰী। বিয়ানামত কইনাই পৰিধান কৰা অলঙ্কাৰ আৰু পোছাকৰ সুন্দৰ বৰ্ণনা পোৱা যায়।

থাৰু, মণি কুণ্ডল লোৱা আৰু সাতেসৰী।
তেল, সেন্দুৰ, ফণি, কাকৈ লোৱা শৰাই ভৰি॥
পাতৰ, মুগাৰ, সুতাৰ আৰু মেজাঙ্কৰী।
ভাৰখনি সজাই লোৱা যতন কৰি॥

অতি প্ৰাচীন কালৰে পৰাই অসমীয়া জনবিশ্বাসত হাঁতীয়ে গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। বনৰীয়া হাঁতীক ঘৰচীয়া কৰি মানুহৰ প্ৰয়োজনীয় কামৰ উপযোগী কৰি তোলা হয়। অতীজত বৰ্ত্তমানৰ দৰে যান-বাহনৰ সুচল ব্যৱস্থা নাছিল। সেই সময়ত মানুহে দূৰণীৰ যাত্ৰাৰ বাবে হাঁতী, ঘোঁৰা আদি জন্তু ব্যৱহাৰ কৰিছিল। সৌ সিদিনালৈ বোলে অসমীয়া দৰাই হাঁতীত উঠি কইনাঘৰলৈ বিবাহ কৰাব আহিছিল। বিয়াগীততো ইয়াৰ উল্লেখ আছে।

হাতীকে সজালে— অ' অসমীয়া
হাতীয়াল বৰুৱাই— অ' অসমীয়া
ঘোঁৰাকে সজালে ঘাহী— অ' অসমীয়া।

অসমীয়া সভ্যতা সংস্কৃতিৰ জন্ম লগ্নৰে পৰা অসমীয়া সমাজত তামোল-পানে এক গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। ভোগ্য দ্ৰব্য হিচাপে ইয়াৰ ব্যৱহাৰিক মূল্য থকাৰ উপৰিও সামাজিক দিশত ইয়াৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। দেৱপূজা, গুৰুপুজা, জাই-জেঙা, মানধৰা, বেজালিমান, আদি সকলো কাৰ্য্যৰেই তামোল-পান মুখ্য আৰু আগবস্তু। ইয়াৰ মূল্য সামাজিক দিশত টকা-পইচা বা সোণ-ৰূপেৰেও জুখিব নোৱাৰি। 'জোৰণ'ত সংস্কৃতি ৰক্ষা আৰু সন্মানৰ চিন স্বৰূপে দৰাঘৰ-কইনাঘৰ উভয়পক্ষই সমাগত ৰাইজৰ আগত সকলো মূল্যবান বস্তুতকৈ আগতেই গোটা-তামোল পানৰ শৰাই আগবঢ়াই দিয়ে।

ৰাম ৰাম জোৰণ আহি পালে,
ৰাম ৰাম আদৰি নিয়াহি,
ৰাম ৰাম তামোল-পানৰ শৰাই লইহে।

বিবাহ অনুষ্ঠানত সহস্ৰ বন্তি জ্বলোৱা, তুনৰি, মঙ্গল ঘট, ধৰম-টেকেলি আদি মাঙ্গলিক বস্তুৰ ব্যৱহাৰ বিয়াগীতত উল্লেখ আছে, যিবোৰ অসমীয়া সমাজৰ চিনাকি বস্তু।

অসম এখন কৃষি প্ৰধান দেশ। অসমীয়া খেতিয়কে প্ৰধান উৎপন্ন বস্তু ধানৰ উপৰিও সৰিয়হ, মাহ, কলাই, হালধী, আদা আদিৰ খেতি কৰে। এই বস্তুবিলাকৰ কিছুমান ঔষধী দ্ৰব্যগুণও আছে। ইয়াৰ গুৰুত্ব বুজিয়েই হয়তো মাহ, হালধীৰে দৰা-কইনাক বিবাহৰ দিনা গা-ধুওৱা হয়।

পুৰণি অসমীয়া বিবাহ অনুষ্ঠানত দোলাৰ ব্যৱহাৰ প্ৰথা অতি গুৰুত্বপূৰ্ণ আৰু আমোদ জনক। কাঠেৰে নিৰ্মিত ৰঙ বিৰঙেৰে সচিত্ৰ এই দোলাতেই দৰাই কইনা ঘৰলৈ যাত্ৰা কৰে আৰু বিবাহৰ অন্তত কইনাক একেখন দোলাতেই আহে। দুলিয়াই দোলা কঢ়িওৱাৰ সুন্দৰ বৰ্ণনা বিয়া-



গীতত পোৱা যায়।

দোলাধৰা দুলীয়া— যোৱাৰাম যোৱাগৈ,
জাপি ধৰা লগুৱা— যোৱাৰাম যোৱাগৈ।

অসমীয়া সমাজৰ অতি চিনাকি বাদ্য তাল, খোল, শঙ্খ, ঢোল, কালিয়া, দবা, পেঁপা আদিৰ উল্লেখ বিয়াগীতত পোৱা যায়। যিবোৰ বাদ্য ধৰ্মীয় পৰম্পৰা আৰু ৰঙ-ৰহইচৰ কাৰণে বিবাহ অনুষ্ঠানৰ বিভিন্ন ক্ৰমত ব্যৱহাৰ কৰা হয়।

বিয়াগীতত কলগছৰ ব্যৱহাৰৰ উল্লেখ অতি গুৰুত্বপূৰ্ণ। কলপুলিৰ মাজতেই বিবাহ অনুষ্ঠানৰ দেৱপূজা সম্পাদিত হয়। সেইদৰে দৰা কইনাক গা ধুওৱা, দৰা-আদৰা আদি সকলো মাঙ্গলিক কাম কলৰ গুৰিতেই সম্পন্ন হয়। এই কলগছ অসমীয়া জনজীৱনৰ এৰাব নোৱাৰা সম্পদ। তাৰোপৰি অসমৰ প্ৰকৃতিজ ফল ফুল— আম, বিলাহী, জালুক, নাৰ্জী, চম্পা, তগৰ, বকুল, জবা, গোলাপ আদিৰ উল্লেখ বিয়াগীতৰ বৰ্ণনাত পোৱা যায়।

বিয়ানামত অসমৰ ঠাইৰ নাম, নদীৰ নাম, মঠ-মন্দিৰ আদিৰ নামৰ উল্লেখো পোৱা যায়। আনকি জেৰেঙা পথাৰত জয়মতীক শাস্তি দিয়াৰ নিচিনা বুৰঞ্জীমূলক আখ্যান কিছুমানৰ উল্লেখো বিয়ানামত পোৱাটো মন কৰিবলগীয়া।

অসমৰ প্ৰকৃতিৰ চিত্ৰ, ঘৰুৱা জীৱনৰ চিত্ৰও বিয়াগীত সমূহৰ বৰ্ণনাত লক্ষণীয় বিষয়। অতি প্ৰাচীন কালৰে পৰা অসমীয়া গ্ৰাম্য সমাজত পুখুৰীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰি আহিছে। সৰুকৈ হলেও ঘৰৰ সন্মুখৰ ফালে অসমীয়া গৃহস্থালীত পুখুৰী এটা খন্দায়। ডাকৰ চনতো পুখুৰীৰ উল্লেখ আৰু ইয়াৰ গুৰুত্বৰ কথা পোৱা যায়। স্বাস্থ্যজনিত প্ৰয়োজনীতাৰ উপৰিও, সামাজিক ৰীতি-নীতি ৰক্ষা তথা আৰ্থিক দিশতো পুখুৰীৰ গুৰুত্ব মন কৰিবলগীয়া। আহোম ৰজা সকলেও পুখুৰীৰ গুৰুত্ব বুজিছিল আৰু দেশৰ ঠায়ে ঠায়ে প্ৰকাণ্ড পুখুৰী খন্দাইছিল, যিবোৰ আজিও বিদ্যমান। এই পুখুৰীৰ ব্যৱহাৰিক দিশৰ উল্লেখ বিয়াগীততো পোৱা যায়। সেইদৰে অসমীয়া মানুহৰ অতি চিনাকী বকুল, কদম, বগৰী, আম আদি গছৰ বৰ্ণনা বিয়াগীত সমূহত পোৱা যায়। নামঘৰৰ পদূলিৰ তলসৰা বকুলফুল এপাহি খোপাত লৈ অসমীয়া গাভৰুৱে নিজৰ সৌন্দৰ্য্য বঢ়াই আনন্দ লভে। এই বকুলৰ তলতেই নানাজনে মনৰ সুখ-দুখৰ কথা কয়। বিবাহ অনুষ্ঠানৰ পানীতোলা গীতত এই বোৰৰ সুন্দৰ বৰ্ণনা পোৱা যায়।

ৰাম কৃষ্ণ যুৰৈকৈ পুখুৰী,
ৰামকৃষ্ণ, খন্দালা দেউতা ঐ
হৰি মোৰ ঐ, বন্ধালা সেন্দূৰী আলি।
ৰাম কৃষ্ণ, তাৰো চৌপাশে,
ৰাম কৃষ্ণ, কদম কই দিলা,
হৰি মোৰ ঐ, তাৰ মাজে বকুলৰ শাৰী।

বাৰেবৰণীয়া সংস্কৃতিৰে ভৰপুৰ আমাৰ এই পুণ্যভূমি অসম। বিভিন্ন জাতি প্ৰজাতিৰ মানুহে অতীজৰে পৰা অসমত বসবাস কৰি আহিছে আৰু প্ৰয়োজনত এটা সম্প্ৰদায়ে আন এটাক সহায় কৰি আহিছে। অতীজত মানুহে সৰু বস্তু এটাও আদান প্ৰদান কৰিব লাগিছিল। পৰস্পৰ নিৰ্ভৰশীল প্ৰাচীন সমাজ ব্যৱস্থাত

মানুহৰ সম্পৰ্কও আছিল ঘনিষ্ঠ। ব্ৰাহ্মণ, শূদ্ৰ, কমাৰ, কুমাৰ, বাঢ়ৈ, তাঁতী, ডোম, প্ৰভৃতি সকলো জাতিৰ মানুহৰ নিজা নিজা কৃষ্টি আছিল আৰু সেইবোৰ তেওঁলোকে বজাই ৰাখিছিল। ব্ৰাহ্মণে যাগ-যজ্ঞ, শূদ্ৰই কৃষিকৰ্ম, কমাৰে অস্ত্ৰগঢ়া, কুমাৰে মাটিৰ বাচন-বৰ্তন তৈয়াৰ কৰিছিল। কিন্তু বৰ্ত্তমান বিজ্ঞানৰ যুগত ন, ন বাচন-বৰ্তনৰ আৱিষ্কাৰ হ'ল। প্ৰতিযোগিতাৰ বজাৰত পৰাজয় হৈ কুমাৰ বিলাকৰ জীৱিকাত ছাই পৰিল। অসমীয়া মানুহে যে এসময়ত মাটিৰ বাচন ব্যৱহাৰ কৰিছিল আনকি বিবাহৰ দৰে গুৰুত্বপূৰ্ণ অনুষ্ঠানত ইয়াৰ ব্যৱহাৰ আছিল তাৰ নিদৰ্শন বিয়াগীতত সুন্দৰ ভাৱে আছে—

ৰাম কৃষ্ণ বৰ্ণেৰে,
ৰাম, কৃষ্ণ পাচোটা টেকেলি
হৰি মোৰ ঐ, ফটিক বৰণীয়া পানী।

গণক, নাপিত আদি শ্ৰেণীৰ বৰ্ণনাও বিয়ানামত পোৱা যায়। গণকেই বিয়াৰ সকলো কাৰ্য্যক্ৰমৰ গণিতা কৰি চাই দিয়ে। নাপিতে বিবাহ অনুষ্ঠানত দৰা-কইনাৰ ক্ষৌৰকৰ্ম্ম কৰিব লাগে। এই সামাজিক ৰীতিবোৰ অসমীয়া বিবাহ অনুষ্ঠানত অতীজৰে পৰা চলি আছে।

হোম-জুই আৰু সমাজক সাক্ষী কৰি দৰাই কইনাক বিবাহ কৰায়। দুই-প্ৰাণ, দুই-দেহৰ এক প্ৰাণ, দেহৰ ঠাইত এক প্ৰতিশ্ৰুতিবদ্ধ হৈ উভয়ে নতুন অচিনা কি জগতখনৰ পৰিকল্পনা কৰে। প্ৰজাপতি বিবাহ মতে এই হোমৰ গুৰিতেই কইনাই পৈত্ৰিক গোত্ৰ চিঙি দৰাৰ গোত্ৰ লৈ জন্মভূমি ত্যাগ কৰি নাৰী জাতিৰ কৰ্ত্তব্য ৰক্ষা কৰে।

গোত্ৰ চিঙি আইদেৱে মিত্ৰ কৰি যাব
সম্বন্ধ চিঙি দিয়া মৰমৰে জাই॥

চৰ্য্যাগীত সমূহত দেহতত্ব আৰু নিধান উদ্ধৰ বৰ্ণনাৰ জৰিয়তে যেনেকৈ সংসাৰৰ গভীৰতম দৰ্শনৰ সন্ধেদ পোৱা যায়, তেনেদৰে, বিয়াগীত সমূহতো দাম্পত্য জীৱনৰ গভীৰতম দিশৰ বৰ্ণনা পোৱা যায়। দাম্পত্য জীৱন ওপৰুৱা দৃষ্টিত যেনে পোনপটীয়া তেনে নহয়। ই অত্যন্ত খলা-বমা দুৰ্গম। বিয়ানামত সেয়ে কৈছে—

অ' সোণৰ শলা দাম্পত্য জীৱন
অতি খলা-বমা,
পিচলি পৰিবা খোপনি ধৰিবা,
দুয়ো একেলগে সংসাৰ চলাবা।

পিচমুহূৰ্ত্তত আকৌ এই খলা-বমা দুৰ্গম বাটত ন-কইনাই কেনেদৰে খোজ কাঢ়িব লাগিব তাৰ সুন্দৰ ইঙ্গিত দিছে—

ৰাতি নৌ-পুৱাওঁতেই উঠিবা শুই।
বাহীবন কৰিয়েই জ্বলাবা জুই॥
তাৰ পাচত তুমি কৰিবা স্নান।
তোমাৰ শহুৰ-শাহুক কৰিবা মান॥

এনেদৰে ন-কইনাই শহুৰেকৰ নৱপ্ৰৱেশিত ঘৰখনত কেনেদৰে কটাব, আচাৰ-নীতি কেনেদৰে পালন কৰিব, মান্যজনক কেনেদৰে শ্ৰদ্ধা কৰিব এই সকলোবোৰৰ বৰ্ণনা বিয়াগীতত পোৱা যায়।

আজিকালি কিছু কমিলেও ওৰণি লোৱা প্ৰথা অসমীয়া সমাজত অতীজৰে পৰা প্ৰচলিত আছে। ওৰণিৰ আঁৰতেই নাৰীৰ প্ৰকৃত সৌন্দৰ্য্য লুকাই থাকে। ওৰণিলোৱা পৰম্পৰা ৰক্ষাৰ আঁৰত প্ৰকৃততে দেৱভক্তি, জ্যেষ্ঠজনৰ প্ৰতি শ্ৰদ্ধা, শালীনতা পৰপুৰুষৰ প্ৰতি সৌন্দৰ্য্য দৃষ্টিত ঢাকনি আদি কথাবোৰ লুকাই আছে। বিয়ানামত ন-কইনাই ওৰণি লোৱা প্ৰথাৰ সুন্দৰ বৰ্ণনা পোৱা যায়।

... ... ... ... .. ... ...
লংগৈ লাগিব ওৰণি টানি।
আনিব লাগিব দুৰণিৰ পানী॥

অসমীয়া সমাজ পিতৃ প্ৰধান। সামাজিক ৰীতিমতে অসমীয়া ডেকাই উপযুক্ত বয়সত ছোৱালী আইনৰ ঘৰৰ পৰা বিবাহ কৰাই পিতৃ গৃহলৈ আনে। আনহাতে ছোৱালী গাভৰু হলে মাক বাপেকে জীয়েকক আইন ঘৰৰ তেজ-মঙহৰ সম্পৰ্ক নথকা ডেকা এজনলৈ বিবাহ দি উলিয়াই দিয়ে। পিতৃ প্ৰধান অসমীয়া সমাজৰ এই চিৰন্তন ৰীতিৰ কথা সোঁৱৰাই দি কাৰুণ্যৰে ভৰা কইনাৰে অন্তৰক প্ৰবোধ দিয়াৰ স্পষ্ট ইঙ্গিত বিয়ানামত পোৱা যায়।

কতক অসন্তোষে কৰা ঐ আইটি
আমাৰ পুৰি আছে হিয়া ;
পুত্ৰ হলাহেঁতেন ৰখাই থলোহেঁতেন
কি কৈ দিম মাধৱত বিয়া।

অসমীয়া নাৰী ঘৰৰ লখিমী। গভীৰ ভালপোৱা, কষ্ট, ত্যাগ আৰু শ্ৰদ্ধাৰ মাজেৰে তেওঁলোকে দাম্পত্য জীৱনৰ পাতনি মেলি স্বামীৰ ঘৰখন নকৈ গঢ় দিবলৈ বিচাৰে। কিন্তু আমাৰ চিৰপৰিচিত শাহু আইৰ ব্যৱহাৰে মাজে মাজে সৃষ্টিৰ কল্পগুপ্ত হেঙাৰ স্বৰূপ হয়। যাৰ ফলত ন-বোৱাৰীৰ কোমল মনত আঁচোৰ খায়। অসমীয়া শাহুআইৰ ন-বোৱাৰীৰ প্ৰতি কৰা এই চিৰন্তনীয়া ব্যৱহাৰৰ কথা স্পষ্ট ভাষাৰে বিয়ানামত বৰ্ণনা কৰা হৈছে—

শহুৰৰ মৰমে বাৰু দেখিলোঁ
চপাই ৰলেগুৰিত থলে ;
শাহু আইৰ মৰমে অতি নিদাৰুণে
জীয়েৰক পইতা ধাঁচে।

বিয়ানামত আধুনিকতাৰ ছাপো নপৰা নহয়। এতিয়াৰ বিয়াত আগোৰ পানৰ ব্যৱহাৰ লাহে লাহে কমি আহিল। তাৰ ঠাইৰ কৃত্ৰিম ৰঙকৰা মছলাৰ ব্যৱহাৰ বাঢ়িল। কেতিয়াবা কোনোবা বিয়াত হয়তো নামতিয়ে গাইয়ে পেলালে—

মছলাৰ শৰাইখন— অ' পকা কমলা।
কোনে চাই লুকুৱাই থলে— অ' পকা কমলা॥

দুই-এক বিয়ানামত আকৌ পদৰ ছন্দ মিলাবলৈ ইংৰাজী ভাষাৰ শব্দও ব্যৱহাৰ কৰা দেখা যায়। এই বিয়ানামবোৰ সাম্প্ৰতিক যুগৰ সৃষ্টি।

বিয়ানামবোৰ অসমীয়া সাহিত্য তথা জাতীয় জীৱনৰ আপুৰুগীয়া সম্পদ। বিয়ানামত নাৰীমনৰ অধিকাংশ কথা প্ৰকাশ পালেও পুৰুষৰ জীৱনৰ চিত্ৰও অঙ্কিত হৈছে। আধুনিক শিক্ষা আৰু পাশ্চাত্য সংস্কৃতিৰ নতুন বতাহে নাৰীমনৰ অমূল্য পৰিৱৰ্ত্তন সাধিলে। বিবাহ অনুষ্ঠানত বিয়ানাম পৰিৱেশন কৰিবলৈ নামতিয়ে লাজ কৰা হল। নাৰী পুৰুষ উভয়ৰেই জীৱনৰ চিত্ৰ প্ৰতিফলিত কৰা এই গীতি-সাহিত্যৰাজিৰ সংৰক্ষণ, গঠনমূলক আলোচনা, পৰিৱেশন আৰু চিন্তামূলক অধ্যয়নৰ যোগেদি অসমীয়া জাতীয় জীৱনৰ গভীৰতম দিশৰ সমীক্ষাত্মক বিচাৰ বিশ্লেষণ আৰু নিগুঢ়তত্ত্ব উদঘাটন কৰিব পৰা যাব। □

# ট্ৰেজেডিৰ দৃষ্টিভংগীৰে সাৰদা বৰদলৈৰ গহীন সামাজিক নাটক ঃ 'মগৰীৰৰ আজান' ঃ এটি আলোচনা ।

শ্ৰীঅনিল চন্দ্ৰ মজুমদাৰ,
প্ৰবক্তা, অসমীয়া বিভাগ ।

অসমীয়া নাট্য সমালোচক সকলৰ মতে বিংশ শতিকাৰ পঞ্চম দশকৰ আৰম্ভনিৰ পৰা মাজভাগলৈকে এই সময়ছোৱা অসমীয়া নাটকৰ বন্ধ্যাকাল । মহাযুদ্ধৰ লগে লগে অসমৰ মঞ্চবোৰ আন্ধাৰ হৈ পৰাত নাটক ৰচনাৰ প্ৰেৰণা নাটক লিখক সকলৰ নাইকিয়া হৈ যায় । যুদ্ধৰ প্ৰতিকুল পৰিবেশক নেওঁচা দি দুই এজনে নাটক ৰচনা কৰিলেও পোহৰৰ প্ৰতীক্ষাত নাট্যকাৰ আৰু নাট্যামোদী সকল হাত সাৱটি বহি থাকিবলগীয়াত পৰিল । যুদ্ধৰ বিভীষিকা শেষ হোৱাত দুই চাৰিখন নাটক প্ৰকাশিত হ'ল যদিও স্বাধীনতা লাভৰ আগলৈকে নাটকৰ অৱস্থাৰ বিশেষ একো উন্নতি নহল । গতিকে আধুনিক অসমীয়া নাটকৰ দ্বিতীয় স্তৰ আৰম্ভ হয় স্বাধীনতাৰ পাছতহে । স্বাধীনতাৰ পৰবৰ্ত্তী কালত মানুহৰ ধ্যান-ধাৰণা আৰু চিন্তা চৰ্চাৰ যথেষ্ট পৰিবৰ্ত্তন হল আৰু সেই অনুসৰি নাটকৰ আঙ্গিক আৰু বিষয়বস্তুৰ আমুল পৰিবৰ্ত্তন ঘটিল । পূৰ্বৰ পৌৰাণিক নাটকৰ সুতিটো ক্ৰমে শুকাই গল । এই সময়ত দুই এখন ঐতিহাসিক নাটক ৰচিত হল যদিও তাতো নতুন এক দৃষ্টিভংগী আৰোপ কৰাৰ চেষ্টা চলিল । শেষত এই ঐতিহাসিক নাটকৰ সুতিটোও ক্ৰমে ক্ষীণ হৈ পৰিল । এনে এক সময়তে নতুন সমাজবোধৰ প্ৰভাৱত সমস্যামূলক সামাজিক নাটকেহে বিকাশ লাভ কৰিলে ।

'বঙাল বঙালনী' নাটকৰ প্ৰসিদ্ধ লিখক ৰুদ্ৰৰাম বৰদলৈৰ বংশজাত নগাওঁ নিবাসী সাৰদা বৰদলৈয়ে এনে বন্ধ্যাকালতে নাট ৰচনা কৰিবলৈ আৰম্ভ কৰে । সম্বন্ধত ৰুদ্ৰৰাম বৰদলৈ সাৰদা বৰদলৈৰ বৰ দেউতাক । নাট্যাভিনয়, নাট্যসাহিত্য আদি কলা-কৃষ্টিমুলক বিষয়বোৰত নৈসৰ্গিক প্ৰবৃত্তি বংশজাত । ১৯২৭ চনতেই সাৰদা বৰদলৈ গুৱাহাটীৰ 'কুমাৰ ভাস্কৰ নাট্য মন্দিৰ'ত 'চন্দ্ৰগুপ্ত' নাটত 'চাণক্য'ৰ ভাওত অৱতীৰ্ণ হৈ প্ৰথম মঞ্চত দোখ দিয়ে । স্বাধীনমনা বৰদলৈয়ে চাকৰি-বাকৰিত মন নিদি আজীৱন ব্যৱসায় কৰিয়েই জীৱিকা নিৰ্ব্বাহ কৰি আহিছে । তেওঁ 'ৰত্না প্ৰেছ'ৰ স্বত্বাধিকাৰ আৰু সেয়ে তেওঁৰ জীৱিকাৰ প্ৰধান সম্বল । উল্লেখযোগ্য, যে 'নগাওঁ নাট্য সমিতি'ৰ বিশিষ্ট অৱদান 'পিয়লি ফুকন' নাটৰ তেওঁ অন্যতম লিখক বুলি জনা যায় । ছাত্ৰাৱস্থাত কিছুদিন কলিকতাত থাকোতে 'ষ্টাৰ', 'মিনাৰ্ভা' আদি থিয়েটাৰৰ সৈতে তেওঁৰ যি সম্পৰ্ক ঘটিছিল সিও তেওঁৰ জীৱনত ক্ৰিয়া প্ৰতিক্ৰিয়া ঘটাই তেওঁক বিশিষ্ট নাট্যকাৰ আৰু অভিনেতাৰ শাৰীলৈ উন্নীত কৰাত সহায় কৰিছে লগতে তেওঁৰ কলা-কুশলী মনটোক অধিক সবল আৰু সক্ৰিয় কৰিছে ।

সাৰদা বৰদলৈ 'মগৰীবৰ আজান' নামৰ চাৰি অংকীয়া গহীন সামাজিক নাটখন তেওঁ কৃষ্ণানন্দ ভট্টাচাৰ্য্যৰ সৈতে যুটীয়াভাৱে লিখা । এই নাটকখনৰ প্ৰথম নাম আছিল 'সাত ঘাটৰ সৈয়াকনি'—এই নামেৰে ইয়াৰ অভিনয় হৈছিল । দ্বিতীয় নাম 'সাত ঘাটৰ সৈয়া' এই নামেৰেও ইয়াৰ অভিনয় হয় । 'মগৰীৱৰ আজান' তৃতীয় নাম । আৰু এই নামেৰে ১৯৪৮ চনত ইয়াৰ প্ৰথম প্ৰকাশ হয় । নাটকখনত আছে অসমীয়া গাওঁলীয়া সমাজৰ এটি বাস্তৱ চিত্ৰ । ভেদেউ নামেৰে এজনী গাভৰুক কেন্দ্ৰ কৰি কাহিনীৰ পাতনি তৰা হৈছে । তাইক বল কৰি কাবুলীয়ে বলাৎকাৰ কৰাৰ বাবেই সমাজে সিহঁতৰ ঘৰখন একঘৰীয়া কৰি থয় আৰু লথো নামৰ গাওঁলীয়া ডেকা এটাই মুছলমান ডেকা কৰিমৰ পৰা টকা আনি সমাজক মাননি দিয়াই সিহঁতক উদ্ধাৰ কৰে । পিছত লথো ভেদেউৰ বৈবাহিক মিলন হয় আৰু সেয়া গাওঁৰ ডেকা বলোৰামৰ অসহ্য হৈ পৰিল । শেষত বলোৰামে প্ৰতিহিংসা পুৰণৰ উদ্দেশ্যে সিহঁতক পুৰি মাৰিব ধৰিছিল । এনেতে কৰিমে দেখা পাই জুইৰ মাজত সোমাই সিহতক আৰু সিহঁতৰ পোনাকনক উদ্ধাৰ কৰে । কৰিম কিন্তু নাবাচিল । প্ৰাণ দি প্ৰাণ বচোৱা কৰিমৰ চৰিত্ৰত আছে মহান উদাৰতা, সহানুভূতিশীলতা । লথো ভেদেউৰ প্ৰতি কৰা কৰ্ত্তব্যবোধে তেওঁক আদৰ্শ মানৱৰূপে স্থাপন কৰে ।

সাৰদা বৰদলৈৰ গহীন সামাজিক নাটক 'মগৰীবৰ আজান'ক ট্ৰেজেদিৰ দৃষ্টিভংগীৰে আলোচনা কৰিবলৈ লোৱাৰ আগতে প্ৰথমে ট্ৰেজেডিৰ উৎপত্তি আৰু ইয়াৰ বিষয়বস্তু সম্পৰ্কে কিছু জনাটো দৰকাৰ । ট্ৰেজেদিৰ উৎপত্তি হয় প্ৰথমতে গ্ৰীছত । গ্ৰীকসকলে তেওঁলোকৰ ধৰ্মীয় দেৱতা 'ডাইনুছিয়াচ' ( Dionysus )ৰ সন্তুষ্টিৰ কাৰণে গুণানুকীৰ্ত্তন কৰি গোৱা গীত-বোৰৰ পৰাই ট্ৰেজেডিৰ উৎপত্তি হয় । পিছতহে সি পৃথিৱীৰ অন্যান্য সাহিত্যলৈ প্ৰসাৰিত হয় । ট্ৰেজেডিৰ প্ৰতিশব্দ বিয়োগাত্মক বা বিষাদাত্মক বুলি কোৱা হয় যদিও যেই সেই কৰুণ কাহিনী এটাৰ দুখঃমূলক পৰিণতিয়ে ট্ৰেজেদিৰ সৃষ্টি কৰিব নোৱাৰে । ট্ৰেজেডি হবলৈ হলে সি মানৱ জীৱনবোধ সমৃদ্ধ গভীৰ তত্বযুক্ত হব লাগিব । গ্ৰীক দাৰ্শনিক, সমালোচক এৰিষ্টটলৰ ( Aristotle ) মতে— "Tragedy is a representation (imitation) of an action which is serious, complete in itself and of certain limited length, it is expressed in speech made beautiful in different ways in different parts of the play, it is acted, ont recited; and by exciting pity and fear it gives a healthy outlet to such emotion"— এৰিষ্টটলৰ এই সূত্ৰটিয়ে আমাক ট্ৰেজেডি নাটকৰ বৈশিষ্ট্য

কিছুমানলৈ দৃষ্টি পেলাই দিয়ে। সেই বৈশিষ্ট্য বোৰ হল—

ক) ট্ৰেজেডিৰ কাহিনী জীৱনত ঘটি থকা ঘটনাৰ ঘটনাময় ৰূপায়ণ হব লাগিব।

খ) ট্ৰেজেডিৰ ঘটনাৰ ৰূপ যথেষ্ট গুৰুত্বপূৰ্ণ আৰু গুৰুগম্ভীৰ হোৱা প্ৰয়োজনীয়।

গ) ট্ৰেজেডি স্বয়ংসম্পূৰ্ণ আৰু পৰিমিত আকৃতিৰ হব লাগিব।

ঘ) ট্ৰেজেডিৰ ভাষা শিল্প সৌন্দৰ্য্যমণ্ডিত আৰু ছন্দেগীতে মুখৰিত হোৱা দৰকাৰ।

ঙ) ট্ৰেজেডিৰ প্ৰকাশৰীতি সংলাপ নিৰ্ভৰশীল; ই বৰ্ণনাত্মক হব নালাগিব।

চ) ট্ৰেজেডিৰ লক্ষ্য হল ভয় আৰু কৰুণাৰ উদ্ৰেক কৰি দৰ্শক পাঠকৰ চিত্ত অনুকৰণ অনুভূতিৰ পৰা মুক্ত কৰা।

ওপৰত উল্লেখ কৰা বৈশিষ্ট্য সমূহৰ উপৰিও ট্ৰেজেডিৰ নায়ক সম্পৰ্কেও এৰিষ্টটলৰ নিজা সূত্ৰ আছে। তেওঁৰ মতে ট্ৰেজেডিৰ নায়কজন এনে হব লাগে যাৰ জন সমাজত খ্যাতি আৰু বিপুল সমৃদ্ধি আছে। সাধাৰণ দুৰ্বলতা বা সামান্য ভুল-ভ্ৰান্তিৰ কাৰণে নায়কৰ জীৱনলৈ আহি পৰে অসীম দুখ বিপৰ্য্যয়। কেতিয়াবা আকৌ ট্ৰেজেডিৰ নায়ক অদৃষ্টৰ কোপত নিপতিত হয়। ট্ৰেজেডিৰ নায়ক সচৰাচৰ দুই ধৰণৰ দ্বন্দৰ দ্বাৰা আক্ৰান্ত হয়। অন্তঃদ্বন্দ্ব আৰু বহিঃদ্বন্দ্ব। নায়কে যেনেকৈ বাহিৰৰ বিৰোধৰ লগত নিজে সংগ্ৰামত নিয়োজিত হয়; তেনেকৈ নিজৰ মনৰ লগত নিজে যুদ্ধত প্ৰবৃত্ত হয়। এই দুই ধৰণৰ দ্বন্দত নিষ্পেষিত নায়কে বাৰে বাৰে পৰাভূত হৈ বাৰে বাৰে মূৰ তুলি উঠিবলৈ আপ্ৰাণ চেষ্টা কৰে। নায়কৰ এই আত্ম প্ৰতিষ্ঠাৰ প্ৰচেষ্টাতে নায়কৰ মহত্ব নিৰ্ভৰ কৰে। ট্ৰেজেডিত মানুহৰ বীৰ্য্য ঘোষিত হয় কাৰণে ট্ৰেজেডিৰ দুখ বেদনাইও আমাক আনন্দ দিয়ে। এৰাবক্ৰম্বীৰ ভাষাত যাবলৈ গলে— "Tragedy satisfies us even in the moment of distressing"

ট্ৰেজেডিৰ দৃষ্টিভংগীৰে আলোচনা কৰিবলৈ লোৱা 'মগৰীৰৰ আজান' এখন গহীন সামাজিক নাটক। নাটকত গাওঁলীয়া জীৱনৰ বাস্তৱ দিশ আৰু অৰ্থনৈতিক সংকটত জুৰুলা নিম্ন মধ্যবিত্ত জীৱন প্ৰতিফলিত হোৱাৰ লগতে প্ৰতিফলিত হৈছে হিন্দু মুছলমানৰ সম্প্ৰীতিৰ এক মনোৰম চিত্ৰ। ট্ৰেজেডিৰ বৈশিষ্ট সম্পৰ্কে আলোচনা কৰিবলৈ (এৰিষ্টোটলৰ সূত্ৰৰ আধাৰত) লগে প্ৰথমতে আহি পৰে কাহিনী বা ঘটনাৰ কথা। ট্ৰেজেডিত এটা সুস্থ সবল আৰু নিটোল কাহিনীৰ দৰকাৰ। বৰ্ত্তমানৰ ট্ৰেজেডিত এৰিষ্টোটলৰ সূত্ৰৰ নাটকীয় ত্ৰি-ঐক্য মানি চলা নহয় যদিও ঘটনা বিন্যাসত কিন্তু অযুক্তিকৰ কাৰ্য্যকলাপৰ স্থান নাই। আমাৰ আলোচ্য নাটক 'মগৰীৰৰ আজান'ৰ কাহিনী যদিও বাস্তৱ সমাজৰ পৰা লোৱা তথাপি নাটকৰ কাহিনী যথেষ্ট শিথিল লগতে কাহিনী ভাগত কিছুমান অযুক্তিকৰ কাৰ্য্যকলাপ সন্নিবিষ্ট কৰা হৈছে। 'মগৰীৰৰ আজান' নাটকৰ কাহিনী ভাগ বিশ্লেষণ কৰিলে দেখা যায় যে ট্ৰেজেডিৰ ৰসৰ ক্ষেত্ৰত সহায় কৰিব পৰা সুস্থ পৰিবেশ এটা সৃষ্টি কৰিবলৈ নাট্যকাৰ সক্ষম হোৱা নাই। আনহাতে ঘটনাৰ স্বয়ং সম্পূৰ্ণ পৰিমিতাচাৰৰ ক্ষেত্ৰত নাট্যকাৰ সফল হব পৰা নাই। ট্ৰেজেডিৰ ভাষা



প্ৰসংগত এৰিষ্টটলে শিল্প সৌন্দৰ্য্যমণ্ডিত, ছন্দেগীতে মুখৰিত যি ভাষাৰ কথা উল্লেখ কৰিছে সেই ক্ষেত্ৰত 'মগৰীৰৰ আজান' ব্যতিক্ৰম। কাৰণ উক্ত নাটত প্ৰাক্ স্বাধীনতা কালৰ অসমীয়া গাওঁলীয়া 'হোজা' চৰিত্ৰ সন্নিবিষ্ট কৰা হৈছে আৰু চৰিত্ৰবোৰৰ মুখত তেনেকুৱা 'হোজা' কথিত ভাষা দিয়া হৈছে। গতিকে নাটকখনত ট্ৰেজেডি নাটকৰ ভাষাৰ গাম্ভীৰ্য্যতা ৰক্ষা নপৰিল।

ট্ৰেজেডি নাটকৰ কৃতকাৰ্য্যতা নিৰ্ভৰ কৰে দৰাচলতে চৰিত্ৰৰ ওপৰত। চৰিত্ৰ সম্পৰ্কতো এৰিষ্টটলে কেইটামান বৈশিষ্ট্যৰ কথা উল্লেখ কৰিছে। তেওঁৰ মতে—

ক) চৰিত্ৰ ভাল হব লাগিব।

খ) ই সদায় যথাযথ আৰু প্ৰয়োজনীয়। অৰ্থাৎ চৰিত্ৰ সমূহ কাহিনীৰ উপযোগী হব লাগিব।

গ) ই সদায় বাস্তৱানুৰাগ হব লাগিব। অৰ্থাৎ চৰিত্ৰৰ আচাৰ ব্যৱহাৰ অস্বাভাৱিক হব নালাগে।

ঘ) চৰিত্ৰ সদায় সামঞ্জস্যপূৰ্ণ হব লাগে। চৰিত্ৰ বিশেষৰ যি মৌলিক ধৰ্ম কোনো পৰিস্থিতিতে নাটকৰ পৰিণতিৰ প্ৰয়োজনত তাৰ ব্যতিক্ৰম হব নালাগে।

বিশ্ব সাহিত্যৰ শ্ৰেষ্ঠ ট্ৰেজেডি সমূহৰ ওপৰত দৃষ্টি পেলালে এষাৰ কথা ওলাই পৰে; সকলো শ্ৰেষ্ঠ গুণেৰে গুণান্বিত একোজন নায়কৰ চৰিত্ৰত একোটা ট্ৰেজিক ক্ৰুটি থাকে। যাৰ ফলত নাটকীয় কাহিনীৰ পৰিণতি বিষাদময় হৈ পৰে। অকল সেয়ে নহয় বহু সময়ত আদৰ্শ চৰিত্ৰও সাধাৰণ হত্যাকাৰীৰ ভূমিকাত অৱতীৰ্ণ হয়। বাৰ্ণাড শ্বয়ে (Bernard Shaw) এষাৰ কথা কৈছিল— "হত্যাকাণ্ড যেতিয়া হত্যাকাৰীৰ দ্বাৰা সংঘটিত হয় সেয়া মাথো থানা, আদালতৰ চাঞ্চল্যকৰ ঘটনাহে, ট্ৰেজেডি নহয়।" দৰাচলতে সংঘাটৰ আৱৰ্ত্তত যেতিয়া দেৱতুল্য নায়কৰ হাতত দোষী নিৰ্দোষী নিৰ্বিশেষে বহুজনৰ তেজেৰে হাত ৰাঙলী হৈ উঠে সেয়ে ট্ৰেজেডি।

সমাজৰ পৰিবৰ্ত্তনৰ লগে লগে ট্ৰেজেডিৰ চৰিত্ৰ অধিক পৰিমানে জটিল হৈ পৰিছে। কেতিয়াবা কেতিয়াবা বৰ্ত্তমান সময়ত অতি ভাল আৰু অতি বেয়া চৰিত্ৰয়ো ট্ৰেজেডিত স্থান পোৱা দেখা যায়। ট্ৰেজেডিক সাধাৰণতে একক চৰিত্ৰৰ নাটক বুলি কোৱা হয়। কাৰণ বিশ্লেষণ কৰিলে দেখা যায় যে, এই নাটত মাথোন এটা নাইবা খুব বেছি দুটা চৰিত্ৰই আধিপত্য বিস্তাৰ কৰে আৰু বাকীবোৰ চৰিত্ৰক প্ৰায় সম্পূৰ্ণৰূপে নিষ্প্ৰভ কৰি মূল চৰিত্ৰটোৱে দৰ্শক পাঠকৰ মনযোগ আকৰ্ষণ কৰে। আমাৰ আলোচ্য নাটক 'মগৰীৰৰ আজান'ত ট্ৰেজেডিৰ চৰিত্ৰ সম্পৰ্কে আলোচনা কৰিবলৈ গলে এটা কথা স্পষ্টভাৱে ওলাই পৰে যে, ইয়াত মাত্ৰ এটা চৰিত্ৰই দৰ্শক পাঠকৰ মনোযোগ আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে আৰু সেইটো হৈছে নাটকৰ মূল চৰিত্ৰ কৰিম। নাটকীয় কাহিনীৰ অগ্ৰগতি নাইবা বিকাশৰ ক্ষেত্ৰত কৰিম আৰু লখৌ এই দুই বন্ধুৰ ভূমিকাই সৰ্ববাধিক। লখৌ আৰু ভেদেউৰ ভাল পোৱাক কেন্দ্ৰ কৰি নাটকৰ কাহিনীভাগ বৰ্ত্তি আছে যদিও কৰিম চৰিত্ৰই

সকলোকে ভল পেলাই নিজ কাৰ্য্যাৱলীৰে দৰ্শক-পাঠকৰ মনোযোগ আকৰ্ষণ কৰি লৈছে।

ট্ৰেজেডিৰ নায়ক সম্পৰ্কে এৰিষ্টটলে দিয়া ব্যাখ্যা আৰু মন্তব্য অনুসৰি উচ্চস্তৰৰ বা উচ্চ বংশজাত লোকহে ট্ৰেজেডিৰ নায়ক হোৱাৰ যোগ্য যদিওঁ, বৰ্ত্তমান সময়ত কিন্তু গণতন্ত্ৰৰ প্ৰসাৰতাৰ লগে লগে ট্ৰেজেডিৰ নায়কৰ ক্ষেত্ৰত বংশমৰ্য্যদাৰ স্বীকৃতি মানি চলা নহয়। বৰ্ত্তমান সময়ত ট্ৰেজেডিৰ নায়ক সমাজৰ যিকোনো স্তৰৰ লোকেই হব পাৰে যদিও বৰ্ত্তমানেও ট্ৰেজেডিৰ নায়ক-নায়িকাৰ বাবে কিন্তু একপ্ৰকাৰৰ অসাধাৰণত্ব থকা দৰকাৰ। এই দৃষ্টিভংগীৰে 'মগৰীৱৰ আজান' নাটকৰ নায়ক কৰিমৰ চৰিত্ৰ বিচাৰ কৰিবলৈ গলে দেখা যায়, কৰিম চৰিত্ৰই সমাজৰ কোনো এটা বিশিষ্ট তথা মৰ্য্যাদাসম্পন্ন চৰিত্ৰক প্ৰতিনিধিত্ব কৰা নাই। কৰিম, গাওঁলীয়া সমাজৰ অতি সাধাৰণ মানুহৰ লৰা। শিক্ষা-দীক্ষাৰ ক্ষেত্ৰতো কৰিম আগবঢ়া নহয়। কিন্তু নাটকৰ শেষলৈ কৰিমৰ নাটকীয় কাৰ্য্যাৱলী অনুধাৱন কৰিলে এইটো স্পষ্ট হৈ পৰে যে কৰিমৰ ছুৱালিৰ মাজতো এই চৰিত্ৰৰ কেইটামান প্ৰধান বৈশিষ্ট্য প্ৰতিফলিত হয়। এজন প্ৰকৃত আৰু অন্তৰংগ বন্ধু হিচাপে নিজৰ সমস্ত স্বাৰ্থ বিসৰ্জ্জন দি হলেও লথোৰ পৰিয়ালক সহায় কৰাটোৱে যেন কৰিমৰ জীৱনৰ ব্ৰত হৈ পৰিছিল আৰু তাতেই যেন ফুটি ওলাইছিল কৰিম চৰিত্ৰৰ অসাধাৰণত্ব। এই ফালৰ পৰা 'মগৰীৱৰ আজান' নাটকৰ নায়ক কৰিমে ট্ৰেজেডিৰ নায়কৰ বৈশিষ্ট্য কিছুমান আহৰণ কৰিছে।

ট্ৰেজেডিৰ ( এৰিষ্টটলৰ মতে ) নায়কৰ পতন ঘটাই দৰ্শক-পাঠকৰ অন্তৰত ভীতি আৰু সহানুভূতিৰ উদ্ৰেক কৰিবলৈ সক্ষম হব লাগে। কিন্তু 'মগৰীৱৰ আজান' নাটকৰ কৰিমৰ পতনে দৰ্শক-পাঠকৰ অন্তৰত সাময়িক ভাৱে সহানুভূতিৰ সৃষ্টি হয় যদিওঁ দৰ্শক-পাঠকৰ অন্তৰত ভীতিবোধ নজন্মে। লগতে পাঠকৰ কৰিমৰ মৃত্যুৰ ঘটনা-টোৱে অস্বাভাৱিক ভাৱেহে দৰ্শক-পাঠকৰ অন্তৰত সহানুভূতিৰ সৃষ্টি কৰিছে। নাট্যকাৰে কৰিমৰ মৃত্যু নেদেখুৱালে নাটকখনত ট্ৰেজেডিৰ গোন্ধেই পোৱা নগলহেতেন।

সাৰদা বৰদলৈৰ 'মগৰীৱৰ আজান' নাটক-খনত উপসংহাৰৰ ফালৰ পৰা ট্ৰেজেডিৰ বৈশিষ্ট্য এটা আছে বুলি আমি কব পাৰো। কাৰণ নাটকৰ শেষত কৰিমৰ মৃত্যুয়ে দৰ্শক-পাঠকৰ অন্তৰত শোকাবহ পৰিস্থিতি এটাৰ সৃষ্টি কৰে। কিন্তু নিৰ্দ্দিষ্ট এটা দৃশ্যৰ পৰাই নাটক এখন ট্ৰেজেডি হয়নে নহয়, সেই কথা বিচাৰ কৰা নহয়। সাধাৰণতে গোটেই নাটকখন মঞ্চত চোৱা বা পঢ়াৰ পিছত দৰ্শক-পাঠকৰ অন্তৰত ৰৈ যোৱা ধাৰণাটোহে ট্ৰেজেডি বিচাৰৰ ক্ষেত্ৰত আৱশ্যকীয়। সমালোচকৰ ভাষাত ট্ৰেজেডি সৃষ্টিৰ ক্ষেত্ৰত সহায়ক ধাৰণাটোকেই 'ট্ৰেজিক-সংবিদ' বুলি কোৱা হয়। 'মগৰীৱৰ-আজান' নাটকত কৰিমৰ মৃত্যুৰ পৰিসমাপ্তিৰে নাটখন নাট্যকাৰে আমাৰ সন্মুখত উপস্থাপন কৰিছে যদিও ট্ৰেজেডিৰ কাৰণে আৱশ্যকীয় প্ৰকৃত 'ট্ৰেজিক সংবিদ'ৰ অভাৱ নাটখনত বাৰুকৈয়ে অনুভৱ হয়।



সকলোপিনৰ পৰা বিচাৰ কৰিলে সাৰদা বৰদলৈৰ 'মগৰীৱৰ আজান' নাটকক আমি প্ৰকৃত ট্ৰেজডি বুলি কব নোৱাৰো। অৱশ্যে নাটক-খনত ট্ৰেজেডিৰ কিছুমান উপাদান যে আছে তাক স্বীকাৰ কৰিব লাগিব। □

*সহায় লোৱা গ্ৰন্থসমূহ—*

১। অসমীয়া নাট্যসাহিত্যৰ জিলিকনি— ডঃ হৰিচন্দ্ৰ ভট্টাচাৰ্য্য।
২। আধুনিক অসমীয়া সাহিত্যৰ দুটি তৰংগ— ডঃ শৈলেন ভৰালী।
৩। ট্ৰেজেডিৰ বিচাৰ— ডঃ শৈলেন ভৰালী।
৪। অসমীয়া নাট্যসাহিত্য— ডঃ সত্যেন্দ্ৰ নাথ শৰ্মা।

## ॥ যুদ্ধোত্তৰ যুগৰ অসমীয়া উপন্যাস ॥

শ্রীৰুদ্র কলিতা,
প্রবক্তা, অসমীয়া বিভাগ ।

অসমীয়া উপন্যাস সাহিত্য এতিয়াও অপৈনত অৱস্থাত থকা বুলি কব পাৰি । ইয়াৰ জন্ম হবৰ আজিও এশ বছৰ সম্পূৰ্ণ হোৱা নাই । সাহিত্য কলাৰ এটা বিশিষ্ট অংগ হিচাপে স্বীকৃত হোৱাৰ পিছত আন্যান্য সাহিত্যৰ দৰে ইয়াৰ গতি ধাৰাও বাধাগ্রস্ত হোৱা নাই । সময়ৰ লগে লগে নতুন ৰূপত উপন্যাস সৃষ্টি হৈ আছে । প্রকৃততে অসমীয়া সাহিত্যৰ ৰোমাণ্টিক যুগত অসমীয়া উপন্যাসে জন্ম লাভ কৰে । ইয়াৰ আগতে অৰ্থাৎ 'অৰুনোদই' দিনত ৰচিত কেইখনমান পুথিত উপন্যাসৰ দুই-এটা লক্ষণ পৰিস্ফুট হৈছিল যদিও সাহিত্য কলাৰ এটি বিশিষ্ট অংগ হিচাপে উপন্যাসে প্রতিষ্ঠা লাভ কৰিছিল ৰোমাণ্টিক যুগতহে । স্বাধীনতাৰ পাছৰ পৰা এতিয়ালৈকে অসমীয় সাহিত্যৰ পঁচিশ বছৰীয়া ইতিহাসত উপন্যাসৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে আৰু উপন্যাস ৰচনা ৰীতিৰ কলা-কৌশলৰো ভালেখিনি পৰিবৰ্ত্তন ঘটিছে । দ্বিতীয় মহাযুদ্ধৰ কেইবছৰত আৰু তাৰ কেইবছৰমান পাছলৈকে দেশৰ অস্থিৰ অৱস্থা, সামগ্রীৰ মূল্য, লেখক সকলৰ এক মানসিক দোদুল্যমান অৱস্থাই অনুকুল পৰিবেশ সৃষ্টি কৰাত সফল হব পৰা নাছিল । লাহে লাহে সাময়িক জড়তা অতিক্রম কৰি নতুন পুৰুষৰ সাহিত্য প্রচেষ্টাৰ যোগেদি অসমীয়া উপন্যাসে ধীৰে ধীৰে অগ্রগতিৰ পথত আগবাঢ়িবলৈ আৰম্ভ কৰে ।

যুদ্ধোত্তৰ যুগত অসমীয়া উপন্যাসে দ্রুতভাৱে বিকাশ লাভ কৰে । এই সময়ছোৱাত ওলোৱা অসংখ্য উপন্যাসত সামাজিক আৰু প্রশাসনীয় দুৰ্নীতিৰ বা ব্যক্তি জীৱনৰ নৈতিক স্খলনৰ প্রতিচ্ছবি দাঙি ধৰা হৈছে । আন কিছুমান উপন্যাসত এই যুগৰ অসমীয়া লোকৰ অৰ্থনৈতিক দুৰ্দশা আৰু সামাজিক অৱক্ষয়ৰ পৰিপ্রেক্ষিতত অসমীয়া যুৱকৰ আত্ম প্রতিষ্ঠাৰ প্রয়াসক বিষয়বস্তু কৰি লোৱা হৈছে । নাগৰিক সভ্যতাৰ পতন, বেপাৰ-বাণিজ্যৰ প্রসাৰ, শিক্ষিত মধ্যবিত্ত শ্রেণীৰ উদ্ভৱ আৰু গণতান্ত্রিক ভাবধাৰাৰ বিকাশে উপন্যাসৰ জনপ্রিয়তাত বৰঙণি আগবঢ়ালে । ফলস্বৰূপে উপন্যাসৰ সংখ্যা বৃদ্ধি পালে, বিষয়বস্তু আৰু কলা-কৌশলৰ পৰিসৰ বহল হল আৰু নতুন চিন্তা চৰ্চাৰ পৰিস্ফুৰণ ঘটিল । স্বাধীনতা লাভ কৰাৰ লগে লগে দেশ-বিদেশৰ বিভিন্ন ভাবধাৰাই প্রবেশ কৰিলে । বিদেশী লেখকসকলৰ সৈতে সম্পৰ্ক স্থাপন হ'ল আৰু তেওঁলোকৰ আদৰ্শৰে উপন্যাস লিখাৰ প্রেৰণা লাভ কৰিলে । উপন্যাসৰ উৎপত্তি আৰু বিকাশত শিক্ষিত মধ্যবিত্ত শ্রেণীৰ বৰঙণি বিশেষ ভাৱে উল্লেখযোগ্য । এক বৃজন সংখ্যক উপন্যাসত অসমৰ নগৰ-চহৰৰ মধ্যবিত্ত সমাজখনৰ বা অৱহেলিত কৃষক শ্রমিকৰ দৈনন্দিন জীৱন, সিবিলাকৰ আশা-আকাঙ্খা, জীৱন-নিৰ্বাহৰ সমস্যা, গাওঁ-ভূঁইৰ বাট পথ, নদী-নলা আদিৰ ছবি অকা হৈছে ।

১৯৪৭ চনৰ পৰা ১৯৬০ চন মানলৈকে এই সময়ছোৱা আধুনিক উপন্যাস ধাৰাৰ প্রাৰম্ভিক প্রস্তুতিৰ যুগ বুলি কব পাৰি । যি কেইজন লেখকে ষাঠিৰ দশকত ঔপন্যাসিক ৰূপে নিজকে প্রতিষ্ঠা কৰিব পাৰিছে সেই কেইজনে পঞ্চাশৰ দশকত উপন্যাসৰ পাতনি মেলিছিল মাত্র । যোগেশ দাস, বীৰেন্দ্রকুমাৰ ভট্টাচাৰ্য্য, চৈয়দ আব্দুল মালিক, পদ্ম বৰকটকী, হিতেশ ডেকা আদিয়ে পঞ্চাশৰ দশকত আৰম্ভ কৰিলেও ষাঠিৰ দশকতহে ঔপন্যাসিক ৰূপে প্রতিষ্ঠা লাভ কৰিছে । দ্বিতীয় মহাসমৰৰ অভিজ্ঞতা মানৱ জাতিয়ে এতিয়ালৈকে লাভ কৰা অভিজ্ঞতাৰ ভিতৰত আটাইতকৈ ভয়াবহ, হৃদয়বিদাৰক আৰু চিন্তা উদ্রেককাৰী । এই যুদ্ধই মানুহৰ মনক ঘৃণা, হিংসা, হত্যা লুণ্ঠন আদি বিভৎসতাৰে ভৰাই তুলিলে ।

এনেকুৱা এটা সন্ধিক্ষণতে অসমৰ বিশিষ্ট কথা সাহিত্যিক যোগেশ দাসে এক শৃঙ্খলিত আৰু পৰিমাৰ্জিত ৰুচিবোধেৰে ১৯৫৫ চনত ৰচনা কৰিলে তেওঁৰ প্রথম উপন্যাস 'ডাৱৰ আৰু নাই' । 'ডাৱৰ আৰু নাই' এনে এখন উপন্যাস যত যুদ্ধকালীন যাতনা বেদনাই অসম বাসীক বিভিন্ন দিশত ঘেৰি দেখুওৱা হৈছে আৰু তাকে যোগেশ দাসে তেওঁৰ উপন্যাসৰ নায়ক তথা মুখ্য চৰিত্র বাখৰৰ যোগেদি ব্যক্ত কৰিছে । দ্বিতীয় বিশ্ব যুদ্ধৰ পটভূমিত অসমৰ এখন চাহবাগানক কেন্দ্র কৰি উপন্যাসখন ৰচনা কৰা হৈছে । এগৰাকী সুদক্ষ কুশলী শিল্পীৰূপে যোগেশ দাসে এটা তেনেই সাধাৰণ আৰু সহজ বাক্যৰে উপন্যাসখন আৰম্ভ কৰিছে— "পৃথিবীত জুই লাগিছে ।" তেওঁৰ 'এমুঠি ধূলি' 'অবৈধ', 'জোনাকীৰ জুই', 'এনাজৰী', 'পোহৰ বিচাৰি', আদি উল্লেখযোগ্য উপন্যাস ।

নিষ্ঠা আৰু একাগ্রতাৰে উপন্যাস ৰচনাত ব্রতী হোৱা সাম্প্রতিক কালৰ অসমীয়া সাহিত্যিক সকলৰ ভিতৰত বীৰেন্দ্রকুমাৰ ভট্টাচাৰ্য্য অন্যতম । তেওঁৰ উপন্যাস সমূহৰ সাহিত্যিক উৎকৰ্ষই সৃষ্টিধৰ্মী লিখক হিচাপে তেওঁৰ যোগ্যতা প্রমাণ কৰিছে । 'ৰাজপথে ৰিঙিয়াই', 'ইয়াৰুইঙ্গম', 'শতঘ্নী' 'মৃত্যুঞ্জয়', 'প্রতিপদ' আৰু 'কবৰ আৰু ফুল' এই সকলোবোৰৰ কাহিনী মুঞ্জৰিত হৈছে বৈপ্লবিক পটভূমিত । তেওঁ চৰিত্রাৱলীক অসামান্য পৰিবেশত বিচৰণ কৰাই চাৰিত্রিক বৈশিষ্ট্যবোৰৰ স্ফুৰণ ঘটায় । ভট্টাচাৰ্য্যৰ উপন্যাসত প্রেমৰ স্থান গৌণ, সস্তীয়া যৌন আবেদন তেওঁৰ উপন্যাসত নাই । যুদ্ধবিধ্বস্ত স্বাধীন নগাভূমিৰ আন্দোলনৰ পটভূমিত 'ইয়াৰুইঙ্গম', বিয়াল্লিশৰ গন আন্দোলনৰ পৰিপ্রেক্ষিতত 'মৃত্যুঞ্জয়', চীনা আক্রমণৰ বাতাৱৰণত 'শতঘ্নী', শ্রমিক আন্দোলনক কেন্দ্র কৰি 'প্রতিপদ', বাংলাদেশৰ স্বাধীনতাৰ ভেটিত 'কবৰ আৰু ফুল' ৰচিত হৈছে । চৰিত্র সৃষ্টিতকৈ ঘটনাৰ প্রাধান্য তেওঁৰ ৰচনাত লক্ষ্য কৰা যায় । চৰিত্রবোৰ সাধাৰণতে flat বা একমুখী যেন ধাৰণা হয় ।

অসমীয়া ঔপন্যাসিক সকলৰ ভিতৰত চৈয়দ আব্দুল মালিকেই সৰ্বাধিক সংখ্যক উপন্যাস লিখিছে আৰু আধুনিক অসমীয়া উপন্যাসৰ যি কোনো আলোচনাতেই তেওঁৰ নাম সৰ্বাগ্রে উল্লেখযোগ্য। সমাজৰ ক্লিষ্টজনৰ প্ৰতি সহানুভূতি আৰু অসমীয়া গাঁওবোৰৰ নিখুত ছবি একোখন তেওঁৰ উপন্যাসত দেখা যায়। কাহিনীবোৰৰ গঠন প্ৰায় শিথিল। মূল বিষয়ৰ লগত সম্পৰ্ক ৰহিত ঘটনা, পৰিস্থিতি আৰু চৰিত্ৰও কোনো কোনো উপন্যাসত পোৱা যায়। মালিকৰ উপন্যাস ৰাজিৰ ভিতৰত 'সুৰুযমুখীৰ স্বপ্ন' নিসন্দেহে শ্ৰেষ্ঠ ৰচনা। অন্য উল্লেখযোগ্য উপন্যাসৰ ভিতৰত 'মাটিৰ চাকি', 'অন্য আকাশ অন্য তৰা' 'ৰথৰ চকৰি ঘূৰে', 'আধাৰ শিলা', 'অঘৰী আত্মাৰ কাহিনী' আদি উল্লেখযোগ্য উপন্যাস।

পদ্ম বৰকটকীৰ উপন্যাস বিলাস্কিত চৰিত্ৰ বিশেষৰ ভণ্ডামি, সুবিধাবাদী মনোবৃত্তিৰ নগ্নৰূপ দাঙি ধৰাৰ লগে লগে মধ্যবিত্ত শ্ৰেণীৰ ভণ্ডামি আৰু ভোগ-বিলাসৰ নিঃসহায় বলিস্বৰূপ নিষ্পেষিতৰ প্ৰতি মৰম প্ৰতিফলিত হৈছে। তেওঁৰ প্ৰথম উপন্যাস 'মনৰ দাপোন'ৰ পাছত 'খবৰ বিচাৰি', 'নজলা ধূপৰ ইতিকথা', জীৱন এষণা' 'কোনো খেদ নাই', 'পুতলাৰ নমস্কাৰ', আদি প্ৰায় দহখনমান উপন্যাস প্ৰকাশ পাইছে। বৰকটকীৰ উপন্যাসৰ প্ৰধান সুৰ ব্যংগ আৰু ভণ্ড দুৰ্নীতি পৰায়ণ ব্যক্তি আৰু সমাজ তেওঁৰ ব্যঙ্গবাণৰ লক্ষ্য। তেওঁৰ উপন্যাসৰ কাহিনী অসংলগ্ন শিথিল। পৰিস্থিতি কিছুমান গাঁথি চৰিত্ৰৰ প্ৰকৃত স্বৰূপ উদ্‌ঘাটন কৰাই-প্ৰধান উদ্দেশ্য। জীৱনৰ গভীৰ দিশ বা ৰহস্য উদ্‌ঘাটনৰ প্ৰচেষ্টা তেওঁৰ উপন্যাসত নাই। যুদ্ধ যুগৰ আন এজন ঔপন্যাসিক হিতেশ ডেকাৰ ৰচনাত ব্যঙ্গ আৰু সমাজ সমালোচনা অধিক তীব্ৰ। তেওঁৰ 'আজিৰ মানুহ' উপন্যাসত সাম্যবাদ আৰু জাতীয়তাবাদৰ সুন্দৰ প্ৰকাশ ঘটিছে। তিনিখণ্ডত বিভক্ত 'এয়েতো জীৱনত' গ্ৰাম্য জীৱনৰ ব্যাপক চিত্ৰ ফুটি উঠিছে। 'মাটি কাৰ', 'আচল মানুহ' এই যুগৰে শ্ৰেষ্ঠ উপন্যাস।

হোমেন বৰগোহাঞিদেৱে বেছি উপন্যাস প্ৰকাশ নকৰিলেও যি কেইখন প্ৰকাশ পাইছে তাতেই গতানুগতিক ৰীতিৰ পৰা ফালৰি কাটি নতুন দিশ উদ্‌ঘাটন কৰিবলৈ চেষ্টা কৰিছে। তেওঁৰ 'হালধীয়া চৰায়ে বাওধান খায়'ৰ বিষয়বস্তুৰ বাস্তৱতা থাকিলেও, ধনী তথাকথিত গ্ৰাম্য খেতিয়কৰ নিকৰুণ চিত্ৰ সন্নিবিষ্ট হৈছে যদিও ৰসোত্তীৰ্ণ স্তৰলৈ উঠা নাই যেন অনুমান হয়। সুবাসাত এজনী গ্ৰাম্য গাভৰুক তাইৰ ইচ্ছাৰ বিপৰীতে অসৎ, কামুক লোকে প্ৰলোভনৰ ৰঙীন স্বপ্ন দেখুৱাই কেনেকৈ গণিকাবৃত্তি লবলৈ বাধ্য কৰিলে, তাৰ কৰুণ ইতিহাস বৰ্ণিত হৈছে।

পাঠক সমাজৰ ওচৰত চুটিগল্প লিখিকা বুলিলে বিশেষকৈ পৰিচিতা মামনি ৰয়চম গোস্বামীৰ উপন্যাসত অগতানুগতিক বিষয়বস্তুৰ বিশিষ্ট সংযোজন কৰিছে। তেওঁৰ 'চীনাবৰ সোঁত' প্ৰথম উপন্যাসখনত চীনাৰ নদীৰ ওচৰত দলং দিয়া কামত ব্যস্ত এদল বনুৱা মুনিহ তিৰোতাৰ জীৱনৰ আশা আকাঙ্খা, লোভ-মোহ, দুখ-বেজাৰ, হাঁহি কান্দোনৰ এক চিত্তস্পৰ্শী কাহিনী উপন্যাসত দিবলৈ যত্ন কৰিছে। 'নীলকণ্ঠী ব্ৰজ' তেওঁৰ আন এক অনবদ্য সৃষ্টি। নিৰুপমা বৰগোহাঞি স্ত্ৰী ঔপন্যাসিকাসকলৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য। তেওঁৰ 'সেই নদী নিৰৱধি', 'এজন বুঢ়া মানুহ', 'দিনৰ পিছত দিন', 'কেকটাছ ফুল', 'সামান্য-অসামান্য', আদি কেবাখনো উপন্যাস প্ৰকাশ পাইছে। তেওঁৰ ৰচনাত নাৰী সুলভ দৃষ্টিভংগী এটা মন কৰিবলগীয়া বিশেষত্ব। এওঁৰ উপন্যাসত পুৰুষৰ চৰিত্ৰ গৌণ নাৰীৰ চৰিত্ৰইহে প্ৰধান স্থান দখল কৰিছে। নাৰীৰ মনস্তত্ব, নাৰী জীৱনৰ বিবিধ পাৰিবাৰিক সমস্যা, নতুন যুগে কঢ়িয়াই অনা ভাব আৰু জীৱন ধাৰাৰ নাৰীৰ ওপৰত প্ৰভাব আদি বিষয়ত তেওঁ গুৰুত্ব আৰোপ কৰিছে।

পঞ্চাশৰ দশকত প্ৰকাশ পোৱা নবকান্ত বৰুৱাৰ উপন্যাস 'কপিলীপৰীয়া সাধু'ত প্ৰধান চৰিত্ৰ ৰূপাইৰ কপিলীৰ প্ৰতি নিবিড় আকৰ্ষণ আৰু প্ৰেমৰ ৰহস্যময় ইতিহাস কাব্যিক সুৰত বৰ্ণিত হৈছে। তেওঁৰ 'কককাদেউতাৰ হাৰ'ত দুটা শক্তিশালী প্ৰাচীন পৰিয়ালৰ সংঘৰ্ষ ইতিহাসৰ বিষয়া পাইকৰ বাতাবৰণত সংস্থাপিত কৰি আকৰ্ষণীয় ৰূপে সংস্থাপন কৰিছে। যুদ্ধ যুগৰ আন এজন শ্ৰেষ্ঠ ঔপন্যাসিক নিৰোদ চৌধাৰীৰ উপন্যাসত চিন্তাশীলতা, সুকুমাৰ অনুভূতিৰ প্ৰাধান্য আৰু কাব্যধৰ্মিতাৰ প্ৰকাশ দেখা যায়। তেওঁৰ উপন্যাসৰ প্ৰায়বোৰ কাহিনীয়েই মনস্তাত্বিক। সংঘাতময় পৰিস্থিতি একোটাত ব্যক্তিবিশেষৰ অন্তৰ্দ্বন্দ্বক যথাযথ ভাৱে ৰূপায়িত কৰাত তেওঁ কৃতিত্বৰ পৰিচয় দিছে। তেওঁৰ 'মন প্ৰজাপতি', 'কুৱলীৰ আঁখৰ', 'জটায়ু', 'বনহংস' আদি উল্লেখযোগ্য উপন্যাস।

ইয়াৰ উপৰিও শীলভদ্ৰৰ 'মধুপুৰ', 'তৰঙ্গিনী', 'আগমনীৰ ঘাট', অমূল্য বৰুৱাৰ 'এই পদুমণি', নিলীমা দত্তৰ 'আকাশবন্তি', কুমাৰ কিশোৰৰ 'কপিলী নীৰৱে কান্দে', 'শিখাৰ কঁপনি', 'শতাব্দীৰ স্বপ্ন', ৰোহিনী কাকতিৰ 'এক নক্ষত্ৰৰ নিশা', 'ৰদ আৰু কুঁৱলী', চন্দ্ৰপ্ৰসাদ শইকীয়াৰ 'মন্দাক্ৰান্তা', 'মেঘমল্লাৰ', ত্ৰৈলোক্য ভট্টাচাৰ্য্যৰ 'সাচিপাতৰ পুথি', 'অৰুনোদয়', লক্ষ্মীনন্দন বৰাৰ 'গঙাচিলনীৰ পাখি', 'মাটিৰ মেঘত ছাঁ', মহিম বৰাৰ 'পুতলা ঘৰ', 'হেৰোৱা দিগন্তৰ মায়া', আদি উল্লেখযোগ্য যুদ্ধোত্তৰ যুগৰ উপন্যাস। আমাৰ উপন্যাস অদ্যাবধি বিৰল। অসমীয়া সমাজ অভিজ্ঞতাৰ ফালৰ পৰা সংকীৰ্ণ আৰু সীমাবদ্ধ। তথাপিও যুদ্ধৰ পিছৰ পৰা অসমীয়া উপন্যাসৰ গতিধাৰা থমকি ৰবলগীয়া হোৱা নাই আৰু এনেদৰে সাহিত্যৰ বিভাগত উপন্যাসে এক বিশেষ স্থান দখল কৰি আছিছে। □

*সহায় লোৱা গ্ৰন্থ—*
স্বৰাজোত্তৰ অসমীয়া উপন্যাস — ডঃ প্ৰফুল্ল কটকী
অসমীয়া সাহিত্যৰ বেঙণি — ডঃ হেমন্ত কুমাৰ শৰ্মা
মধ্যবিংশ শতিকাৰ অসমীয়া সাহিত্য — তফজ্জুল আলি ( সম্পাদনা )
সাহিত্য সমীক্ষা — ডঃ মহেশ্বৰ নেওগ ( সম্পাদনা )
ডঃ হেমন্ত কুমাৰ শৰ্মা ।
উপন্যাস বিচাৰ আৰু বিশ্লেষণ— ডঃ শৈলেন ভৰালী ।

# এটি ভ্ৰমণ কাহিনী

শ্ৰীগৌতম দাস,
স্নাতক দ্বিতীয় বাৰ্ষিক।

***পাতনি—*** মানুহৰ কৌতুহল অসীম। এই কৌতুহ'ল নিবৃত্তিৰ বাবে মানুহে নানা ধৰণে নানা দিশত আগুৱাই গৈছে। কতো থমকি ৰোৱা নাই। এই অদমনীয় কৌতুহল পূৰণৰ বাবে প্ৰকৃতিৰ হেজাৰ বাধা নেওচি সুমেৰুৰ পৰা কুমেৰুলৈ অটল সমুদ্ৰতলিৰ পৰা মহাকাশত লুকাই থকা প্ৰকৃতিৰ গোপন ৰহস্য উদ্ধাৰৰ বাবে মানুহে অহৰ্নিশে চেষ্টা চলাই আহিছে।

ভ্ৰমণে মানুহৰ মনত জ্ঞানৰ প্ৰসাৰতা বঢ়ায়। পাঠ্য পুথি অধ্যয়নৰ মাজেদি জ্ঞান আহৰণ কৰিব পাৰি সঁচা, কিন্তু বাস্তৱ ক্ষেত্ৰত ব্যৱহাৰিক জ্ঞানৰো বিশেষ প্ৰয়োজন।

***স্থান নিৰ্বাচন আৰু দিশ নিৰ্ণয়—*** ভ্ৰমণৰ কাৰণে অসমৰ বিভিন্ন ঠাই পৰিদৰ্শন কৰিব পাৰি। এই পৰিদৰ্শনৰ দ্বাৰা বিভিন্ন জ্ঞান আহৰণ চলিব পাৰি।

আমি কেইজনমান বন্ধুই প্ৰাণী আৰু উদ্ভিদ সম্পদেৰে ভৰপুৰ, প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভাৰত বিখ্যাত তথা গোটেই পৃথিৱীৰে এখনি অন্যতম ৰাষ্ট্ৰীয় উদ্যান ৰহঁৰা অঞ্চল (কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান) পৰিভ্ৰমণ কৰিবলৈ মনস্থ কৰো।

***যাত্ৰাৰম্ভ ও ·· বৰ্ণনা***

**১২/১২/৯৩** সময় তেতিয়া নিশা ১০-৫ বাজিছে। আমি আটাইকেইজন বন্ধুই লগহৈ পাটাছাঁৰকুছিৰ পৰা যাত্ৰা আৰম্ভ কৰোঁ।

শীতৰ ঠেৰেঙা বতাহ লাগি আমাৰ সৰু বাছখনে পাহাৰৰ বুকুৰেদি মন্থৰ গতিৰে আগবাঢ়ি গৈছিল কাজিৰঙা অভিমুখে। পুৱতি নিশা ৪-৩০ বজাত মহাবাহু ব্ৰহ্মপুত্ৰৰ ওপৰত সজা দ্বিতীয়খন দলং কলিয়া ভোমোৰাত অৱতীৰ্ণ হওঁ। ১৯৭৮ চনতে তেতিয়াৰ প্ৰধান মন্ত্ৰী মোৰাৰজী দেশাইয়ে আধাৰশিলা স্থাপন কৰিছিল আৰু ১৯৮৭ চনৰ ১৫ এপ্ৰিলত এই দলংখন উন্মোচন কৰা হৈছিল। আমি আটাইয়ে দলংৰ ওপৰেৰে খোজ কাঢ়ি দলংৰ দৃশ্য উপভোগ কৰিছিলো আৰু এই ছেগতে লুইতক এটি প্ৰণিপাত জনাইছিলো। কাজিৰঙা পোৱাৰ আগতে আমি বুঢ়া পাহাৰ পাওঁ।

**১৩/১২/৯৩—** ৮-১০ বজাত মনৰ অভিলাষিত স্থান কাজিৰঙাত আগতিত হওঁ।

কাজিৰঙাই আমাক এজাক কিনকিনিয়া ৰৰষুণেৰে আদৰণি জনাইছিল। দুপৰীয়া ১২ বজাৰ আগতে গ্ৰেট পাৰ্মিচন নিদিয়ে। বাছৰ ভিতৰত ৰহি আমনি লগাত কিছু আগুৱাই যাওঁ। কিছু আতৰত পাহাৰৰ বুকুৰ পৰা এটি সৰু নিজৰা কুলু কুলু সুৰে সৰ্পিল গতিৰে তৈয়ামলৈ বৈ আছে। নিজৰাৰ পানী যে ইমান স্নিগ্ধ ভাবিবই নোৱাৰি। তাতে আকৌ সূৰ্য্যৰ কিৰণত পানী খিনিত যেন মুকুতাহে চৰিছিল। নিজৰাৰ শীতল পানীৰে হাত, মুখ ধোৱাৰ পিছত বিগত ৰাত্ৰিৰ চকুৰ বিনিদ্ৰতা ভাব যেন প্ৰত্যুষতে অৱসান ঘটিছিল। ১২ বাজিবলৈ বহু বাকী আছে। সেয়েহে অবাবত সময় নষ্ট নকৰি শিৱসাগৰলৈ যাত্ৰা আৰম্ভ কৰোঁ।

শিৱসাগৰ দৰ্শনৰ প্ৰবল হেপাহ বাস্তৱত পৰিণত হোৱাৰ বাবে নিজে গৌৰবান্বিত হোৱাৰ লগতে পৰম পিতা পৰমেশ্বৰে কৰা কৰুণাৰ বাবে মোৰ ভক্তি অঞ্জলী নিবেদিছো। ১ বজাত ৰাজহংস হোটেলত ভাত খাই পুনৰ আগবাঢ়ো। ৩-৩০ বজাত কামনাৰ ইপ্সিত স্থান শিৱসাগৰ পাওঁ।

প্ৰথমতে আমি জয়সাগৰ পুখুৰী:টা চাওঁ। জয়সাগৰ পুখুৰীৰ পাৰতে জয়দৌল। পুখুৰীৰ এটি পাৰত শিৱসাগৰ কলেজ। পুখুৰীৰ বিশালতালৈ চাই ইয়াক সাগৰ আখ্যা দিয়াতো অকণো ভুল হোৱা নাই। মেঘহীন সুনীল আকাশৰ ৰং আহি পুখুৰীৰ পৰিপূৰ্ণ পানীত পৰি গোটেই পুখুৰীৰ পানী য় নীলিমাময়ী হৈ পৰিছিল। সূৰ্য্যাস্তৰ পূৰ্বে ৰঙীন আভাৰে ইপাৰ, সিপাৰ মনিব নোৱাৰা জয়সাগৰে কি যে শোভ বৰ্দ্ধন কৰিছিল সচাকৈয়ে অবিস্মৰণীয়। মনত পৰিছিল কবি দেৱকান্ত বৰুৱাৰ বিখ্যাত কবিতাটিলৈ—

"সাগৰ দেখিছা? দেখা নাই
মেয়ো দেখা নাই ···।

জয়সাগৰৰ পাৰত থকা অকলশৰীয়া জয়দৌলৰ ওপৰত খোদিত কৰা চিত্ৰ কলাই শিল্পীৰ কাৰু-কাৰ্য্যৰ নিদৰ্শন যুগ যুগান্তৰলৈ সোঁৱৰাই থাকিব। জয়দৌলৰ চাৰিওপিনে প্ৰদক্ষিণ কৰি অহাৰ সময়ত এই দৃশ্য মোৰ কেমেৰাৰে ধৰি আনিব পাৰৰা নাছিলো।

শিৱসাগৰৰ আন দুটা ঐতিহাসিক স্মৃতি চিহ্ন হৈছে ৰংঘৰ আৰু তলাতল ঘৰ। ঘৰবোৰ আহল বহল। ইটাবোৰ বহল আৰু পাতল। ইটাৰ ওপৰত ৰঙা মাটিৰ প্ৰলেপ।

শিৱসাগৰ পুখুৰী জয়সাগৰতকৈ ডাঙৰ কিন্তু জয়সাগৰৰ দৰে পৰিস্কাৰ নহয়। দৌলৰ ওপৰৰ মুকুটটো সোণেৰে তৈয়াৰী। উচ্চতা প্ৰায় দহ মিটাৰ মান হব। এইদৰে শিৱসাগৰৰ আকৰ্ষণীয় বস্তু কেইটা চোৱা শেষ কৰো। আবেলি ৪-৩০ বজাত শিৱসাগৰ এৰি দিখৌ নৈ পাওঁ। দিখৌ নৈ পোৱাৰ লগে লগে মনত পৰিছিল দৰদী শিল্পী অনিমা চৌধুৰীৰ এই গীতটোলৈ—

"দিখৌ নৈৰ পাৰতে কহুৱাই বিনাই
নাই আজি সেই দিন নাই—
আজলি অসমীৰ সকলো হৰিলে
এদেউ দুদেউ চেগ পাই।"

এইদৰে নানান স্মৃতি মনত লৈ ১০ বজাত কাজিৰঙা পাওঁ। [ I. B. ]ত ৰাতিটোৰ বাবে নিদ্ৰাদেৱীৰ কোলাত শুই পৰো।

**১৪/১২/৯৩—** ৰাতিপুৱা ৫ বজাতে শুই উঠি আটায়ে প্ৰাতঃ ভ্ৰমণ হিচাবে বিশুদ্ধ বতাহ সেৱন কৰিবলৈ যাওঁ। উভতি আহি গা, পা ধুই ব্ৰেকফাষ্ট কৰি ৮-৩০ বজাত আমি কাজিৰঙা পৰিদৰ্শনাৰ্থে ৰাওঁনা হওঁ।

***কাজিৰঙাৰ ভৌগলিক অৱস্থান—*** ইয়াৰ মাটিৰ কালি ৪৩০ বৰ্গ কিঃ মিঃ। গড় সংৰক্ষণৰ বাবে বিশেষ বনাঞ্চল। ১৯০৮ চনত আৰাম্ভ কৰি ১৯১৬ চনত ইয়াক GAME SANCTUARY বুলি ঘোষণা কৰিছিল। ১৯৭৪ চনত ইয়াক ৰাষ্ট্ৰীয়

উদ্যানলৈ উন্নতি কৰণ কৰা হয়। ইয়াত সক ডাঙৰ ১৩০ খন মান বিল আছে। ৰাষ্ট্ৰীয় উদ্যানৰ পূবে বোকাখাট, পশ্চিমে কুকুৰা কাটি সংৰক্ষণ হাবি, দক্ষিণে যোৰাদি ফলা আৰু উত্তৰে ব্ৰহ্মপুত্ৰ নদী। ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথটোৱে ইয়াৰ দক্ষিণসীমা চুই গৈছে। কাজিৰঙা হাবিত নানা বিধ জীৱ, জন্তু, বং বিৰঙৰ চৰাই, হাতী, বাঘ, বনৰীয়া ম'হ, মেঠোন, গড় আদি জন্তু দেখা পাওঁ। জলাশয় বিলাকত মাছ, কাছ আদিৰ বাহিৰেও সাপ, সৰীসৃপ, শিহু, ঘৰীয়াল আদি অনেক জীৱ আছে। নানা বিধ উদ্ভিদ, নল, খাগৰি, ইকৰা, ঘাহনি আদিও আছে।

কাজিৰঙাৰ প্ৰাকৃতিক সৌন্দৰ্য্য বৰ মনোৰম আৰু উপভোগ্য। বিস্তীৰ্ণ বননী, শ্যামল ঘাঁহনী, সূৰ্য্যোদয় আৰু সূৰ্য্যাস্তৰ ৰাঙলী আভাই মন প্ৰাণ উতলা কৰে। ৰাস্তাৰ দাঁতিয়েদি বৈ যোৱা নিজৰাটিয়ে সৌন্দৰ্য্য আৰু এখোপ বঢ়াই যেন সোণত সুৱগা চৰিছে। সুদূৰত শ্যামলী পাহাৰ, নামনিত গছ, লতিকা, ওপৰত সুনীল আকাশ, আকাশত এজাক বগা বগলী, বৈ যোৱা সুনীল নিজৰাটিৰ কুলু কুলু শব্দ, সূৰ্য্যৰ ৰশ্মিৰ আভা এই সকলোখিনি মিলি আমাৰ মন, প্ৰাণ হৰি নিছিল। মনতে ভাব হৈছিল। স্বৰ্গৰ নন্দন কানন আহি মৰ্ত্ত্যত মিলিছে।

সচাঁ কাজিৰঙা প্ৰকৃতিৰে ৰম্যভূমি যাক চাবলৈ লক্ষজনৰ সমাগম ঘটে। অসমৰ আপুৰুগীয়া সম্পদ পৃথিবী বিখ্যাত এশিঙিয়া গড়ৰ আবাস ভূমি। সোণৰ মূল্যতকৈ অধিক এই থৰ্গৰ। ইয়াৰ মনোমহা দৃশ্যই আকৰ্ষিত কৰিছে বিভিন্ন দেশৰ পৰ্য্যটক সকলক। সুৰকাৰ সঙ্গীতকাৰ ডঃ ভুপেন হাজৰিকাই গাইছিল—

"কাজিৰঙা কাজিৰঙা নহয় ই অভয়াৰণ্য
ইয়াতকৈ ভয়াবহ জানা পৃথিবীৰ জন অৰণ্য"

কাজিৰঙাৰ ভিতৰলৈ যাব পৰা সুন্দৰ ব্যৱস্থা আছে। পৰ্য্যটক সকলে জিৰণী লোৱাৰ বাবে আধুনিক আদৰ কায়দাৰে সজ্জিত ঘৰ আছে। আমিও এটা বাংলাত উঠি গোটেই কাজিৰঙা পৰিভ্ৰমণ কৰোঁ। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানেই নহয়, ই আমাৰ গৌৰৱৰ বস্তু। কাজিৰঙা এৰি আহিবৰ ইচ্ছা নাছিল যদিও ৯-৩৫ বজাত পুনৰ যোৰহাট অভিমুখে ৰাওনা হওঁ।

যাওঁতে বাটত মিহিমুখীয়া চাহ বাগিছা, কাঠগৰা চাহ বাগিছা, ডিফলু চাহ বাগিছা, বিহৰা চাহ বাগিছা, মিছামৰা চাহ বাগিছা দেখিবলৈ পাওঁ।

১১-৪০ বজাত আমি যোৰহাট পাওঁ। বৰ্ত্তমান লক্ষ্যাধিক জন সংখ্যাৰে যোৰহাট এখন (গ) শ্ৰেণীৰ মহানগৰ ৰূপে ঘোষিত হৈছে।

ইয়াতে আছে বৃটিছ যুগত প্ৰতিষ্ঠা কৰা ভাৰতীয় চাহ সন্থাৰ গৱেষণা কেন্দ্ৰ Tocklai Tea research Center আৰু আন এটা প্ৰতিষ্ঠান আঞ্চলিক গবেষণাগাৰ Regional research laboratory সংক্ষেপে R R.L.

আমি আঞ্চলিক গবেষণাগাৰ চোৱাৰ বাবে নামি গলো। আমাৰ উদ্দেশ্যৰ কথা জানিব পাৰি Laboratory ৰ ছাৰ সকলে আমাক আগবঢ়াই লৈ গ'ল। আৰু তেখেতসকলে নিজৰ নিজৰ বিষয়বস্তু বিলাকৰ উৎপত্তি ব্যৱহাৰ আদিৰ বিষয়ে সুন্দৰ ভাৱে বুজাই দিছিল। ৰাসায়নিক বস্তু বিলাক কেনেকৈ তৈয়াৰ কৰা হয় Practically আমাক দেখুৱাই দিছিল। পদিনাৰ পৰা মেন্থল, প্লামৰটাৰ পৰা সুগন্ধি চাবোন, গোলাপ ফুলৰ পৰা কেনেকৈ সুগন্ধি তেল, এনাৰ্ট'ডাইৰ পৰা কেনেকৈ মিঠাইৰ কালাৰ কৰা হয় এই সকলো বিলাক দেখুৱাই দিলে। ভাৰতত ৪৮ টা এনেকুৱা Laboratory ৰ ভিতৰত অসমত এইটোৱেই। সচাঁকৈ Laboratory টো ইমান পৰিস্কাৰ পৰিচ্ছন্ন যে ভাবিবই নোৱাৰি। ১-১' ত আমি R.R.L ৰ পৰা বিদায় লওঁ। ৫-৪৫ ত আমি আমাৰ উদ্দেশ্যৰ শেষ ঠাই বলী, বাণৰ মনোৰঞ্জক কাহিনীৰে ভৰপুৰ তেজপুৰ নগৰ পাওঁ। প্ৰথমে আমি অগ্নিগড়লৈ যাবলৈ মনস্থ কৰো। সেই মৰ্মেই আমি অগ্নিগড়লৈ প্ৰত্যাগমন কৰো। অগ্নিগড়ৰ নিৰ্দ্দিষ্ট স্থানত উপনীত হবলৈ মুঠ ১৭৫ টা চিৰি অতিক্ৰম কৰিব লাগে। অগ্নিগড়ৰ পৰাই গোটেই তেজপুৰ চহৰখন স্বৰ্গপুৰী যেন অনুমান হয়। তাৰ পিছত আমি মহাভৈৰৱ মন্দিৰ দৰ্শন কৰিছিলো। আহোম যুগৰ দ'ল, দেৱালয়ে তেজপুৰৰ বুকুত সেই যুগৰ স্মৃতি যুগমীয়াকৈ ৰাখিছে। তেজপুৰৰ অতীত কাহিনী আৰু ভাস্কৰ্য্য স্থাপত্যই আমাক বিভিন্ন জ্ঞান দিয়াৰ লগতে চহৰ খনকো আকৰ্ষিত কৰিছে। তেজপুৰতেই আমি আমাৰ উদ্দেশ্যৰ সমাপ্তি ঘটাই ঘৰ অভিমুখে ৰাওঁনা হওঁ। যদিও আমি ঠাই বিলাক এৰি আহিছো স্মৃতিবিলাক কিন্তু আজিও এৰিব পৰা নাই।

*উপকাৰীতা*— মোৰ বোধেৰে এনেকুৱা ভ্ৰমণে আমাক বহুত জ্ঞান দিয়াৰ লগতে অভিজ্ঞতাও দান কৰিব পাৰে। এই ভ্ৰমণৰ দ্বাৰাই অকল আনন্দ পোৱাই নহয় পুলক আৰু জ্ঞানৰ মাজেৰে ন, ন চামৰ মাজত নেতৃত্বৰ সন্তেদ দিয়ে। অন্তিমত মই মোৰ উদ্দেশ্যৰ ঠাই বিলাকক আন্তৰিক অভিনন্দন জনাই ইমানতে মোৰ বৰ্ণনাৰ ইতি ৰেখা টানিলো। □

দৃষ্টিপাত ঃ

## "একবিংশ শতিকাৰ দুৱাৰডলিত অসমৰ ছাত্ৰ সমাজ"

> প্ৰতিটো বিষয় প্ৰতিজন ব্যক্তিয়ে বিভিন্ন দৃষ্টিকোণৰ পৰা বিচাৰ কৰে। বিভিন্নজনৰ দৃষ্টিভংগীৰ পৰাই কোনো এটা বিষয় সম্পৰ্কে সম্যক ধাৰণা কৰিব পাৰি। এই লক্ষ্য আগত ৰাখিয়ে প্ৰথমবাৰৰ বাবে নিৰ্মল হালৈ মহাবিদ্যালয় আলোচনীত 'দৃষ্টিপাত' শিতানটি সংযোজন কৰা হৈছে। আশা ৰাখিছোঁ, ছাত্ৰ-ছাত্ৰীসকল ইয়াৰ দ্বাৰা উপকৃত হ'ব। —'সম্পাদক'

শ্ৰীপ্ৰণৱ দাস,
প্ৰবক্তা, বুৰঞ্জী বিভাগ।

একবিংশ শতিকালৈ আৰু বেছি বছৰ নাই। ইতিমধ্যে নতুন শতিকাক আদৰিবলৈ বিশ্বৰ বিভিন্ন দেশ বিভিন্ন ধৰণে প্ৰস্তুত হৈছে। এনেকুৱা অৱস্থাত ভাৰতবৰ্ষৰ অংগৰাজ্য অসমৰ ছাত্ৰ সমাজ কেনেকুৱা অৱস্থাত আছে তাক বিচাৰ কৰি চোৱাটো অতি প্ৰয়োজন। সেয়েহে এই বিষয়টো মহাবিদ্যালয়ৰ আলোচনীত অন্তৰ্ভুক্ত কৰাত আলোচনীখনৰ কৰ্মকৰ্তা সকললৈ এই ছেগতে ধন্যবাদ জ্ঞাপন কৰিছো।

আজি বিশ্বৰ বিভিন্ন দেশে একবিংশ শতিকাত প্ৰৱেশৰ কাৰণে নানা ধৰণে প্ৰস্তুতি চলাইছে। উন্নত প্ৰযুক্তি কৌশল, কম্পিউটাৰৰ ব্যৱহাৰ, বৈজ্ঞানিক আৱিস্কাৰ, নতুন শক্তিৰ উদ্ভাৱন আদিৰে মানুহৰ জীৱন ধাৰণ পদ্ধতিৰ মান কিদৰে উন্নত কৰিব পাৰি তাৰ প্ৰচেষ্টা চলাই থকা হৈছে। লগতে সেই দেশসমূহে ছাত্ৰ-ছাত্ৰীৰ শিক্ষনীয় বিষয়বোৰৰ বৈপ্লৱীক পৰিবৰ্ত্তন সাধন কৰিছে। কিন্তু ভাৰতবৰ্ষৰ দৰে অৰ্দ্ধ উপনিবেশিক আৰু সামন্তবাদী দেশৰ শিক্ষা ব্যৱস্থাত তেনে পৰিবৰ্ত্তন প্ৰত্যক্ষ হোৱা নাই। ভাৰতবৰ্ষৰ কথা এই বাবেই আনিব লগা কথা যিহেতু অসম ভাৰতবৰ্ষৰ অংগৰাজ্য আৰু ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ প্ৰভাৱ অৱধাৰিতভাবেই অসমত পৰিব। সেয়েহে অসমক পৃথক ভাৱে চোৱাটো সম্ভৱ নহয়। স্বাধীনতাৰ পিছতে ভাৰতবৰ্ষত কেইবাটাও শিক্ষা আয়োগ গঠন কৰা হল কিন্তু আয়োগৰ প্ৰতিবেদন সমূহ সম্পূৰ্ণভাৱে আজিও গ্ৰহন কৰা নহল। তথাপি বিশ্বৰ বিভিন্ন দেশৰ লগত খোজ মিলাই যোৱাৰ প্ৰচেষ্টাত ১৯৮৬ চনত এক নতুন শিক্ষানীতি গ্ৰহণ কৰিছে। এই শিক্ষানীতিয়ে সাধাৰণ ছাত্ৰ-ছাত্ৰীৰ কিমানখিনি প্ৰয়োজনীয়তা পুৰণ কৰিব তাৰ বিচাৰৰ সময় যদিও হোৱা নাই তথাপি বিভিন্ন সমালোচনাই এখন নেতিবাচক চিত্ৰহে আমাৰ আগত ডাঙি ধৰে। ভ্ৰষ্টাচাৰী ৰাজনীতিৰ কবলত এনেদৰে আমাৰ ছাত্ৰ সমাজ গিনিপিগৰ দৰে পৰীক্ষাগাৰত আবদ্ধ হব লগা হৈছে। স্বাধীনতাৰ আগত বৃটিছে উপনিবেশীক স্বাৰ্থত যেনেধৰণৰ শিক্ষা ব্যৱস্থাৰ প্ৰৱৰ্ত্তন কৰিছিল তেনেবোৰকে ঘূৰাই পকাই চলাই থকা হৈছে। তথাপি শিক্ষা ব্যৱস্থাৰ এনে সীমাবদ্ধতাৰ মাজতো ভাৰতবৰ্ষৰ বেছিভাগ ৰাজ্যই সৰ্বভাৰতীয় ক্ষেত্ৰত নিজৰ যোগ্যতাৰ যিধৰণৰ পৰিচয় ডাঙি ধৰিছে অসমৰ দৰে ৰাজ্যই কিন্তু তুথ লগাকৈ পিছপৰি আছে। এই পিছপৰাৰ বাবে প্ৰথম দৃষ্টিত ছাত্ৰ সমাজকেই দোষাৰোপ কৰা হয়। যিহেতু ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা আৰু বৌদ্ধিক পাৰদৰ্শিতাৰ ওপৰতে ভৱিষ্যত সমাজখন নিৰ্মাণ হব, সেয়েহে তেওঁলোকৰ দায়িত্ব সৰ্ব্বাধিক। কিন্তু ছাত্ৰ সমাজ নিৰ্জীৱ বা অনুভূতিহীন ৰবট নহয় যে চুইচ টিপাৰ লগে লগে তেওঁলোক চলি থাকিব। যিহেতু তেওঁলোক অনুভূতি প্ৰৱণ কোমলবয়সীয়া সেয়েহে পৰিবেশৰ প্ৰভাৱ তেওঁলোকৰ ওপৰত কিছু পৰিমাণে পৰাটো স্বাভাৱিক। কিন্তু সমাজ পৰিবেশৰ দায়িত্ব স্বীকাৰ কৰি নিজৰ জীৱন ধ্বংস কৰাৰ বিপৰীতে পৰিবেশক নিজৰ আয়ত্বলৈ আনি ছাত্ৰসকল অগ্ৰসৰ হোৱাৰহে আমি পক্ষপাতী। সেয়েহে ছাত্ৰ সমাজৰ বৰ্ত্তমান অৱস্থাটো বুজিবলৈ আমি বৰ্ত্তমান আৰ্থ সামাজিক বা ৰাজনৈতিক দিশটোও চুই যাব লাগিব নহলে ছাত্ৰ সমাজৰ এখন স্পষ্ট ছবি আমি নেপাম। সেয়েহে আমাৰ আলোচনা তেনেধৰণে কৰাৰহে চেষ্টা কৰা হৈছে।

শিশুসকল ভৱিষ্যতৰ নাগৰিক। শিশুসকলক উপযুক্ত পাঠ্যপুথিৰে যুগৰ উপযোগী নাগৰিক হিচাপে গঢ়ি তোলাটো চৰকাৰৰ কৰ্ত্তব্য। কিন্তু সেই শিশুসকলৰ পাঠ্যপুথি নিৰ্ব্বাচন কৰা হৈছে ৰাজনৈতিক বিচাৰ বিবেচনাত। যাৰ ফলত শিশুৰ অনুপযোগী যৌনগন্ধী পাঠ্যপুথি তেওঁলোকক পঢ়িবলৈ বাধ্য কৰোৱা হৈছে। আৰু শেষত তাৰ বিচাৰ কৰিব লগা হৈছে ন্যায়ালয়ে। আনহাতে শিশুসকলক শিকোৱাৰ বাবে যিবোৰ শিক্ষকক নিয়োগ কৰা হৈছে সেইবোৰ মেধাৰ ভিত্তিত যোৱা নাই। হৈছে উৎকোচ দিব পৰা ক্ষমতাৰ ওপৰত। অনুপযুক্ত শিক্ষকেৰে ভৰি পৰিছে অসমৰ বিদ্যালয়বোৰ। পাঠ্যপুথি যোগানৰ নামত চলিছে ভেকোভাওঁনা। বছৰৰ আধাদিন যোৱালৈকে ছাত্ৰ-ছাত্ৰীয়ে পঢ়িবলৈ কিতাপ নেপায়। সেয়েহে বিদ্যালয়বোৰেও একোটা শ্ৰেণীতে ছাত্ৰ-ছাত্ৰীৰ ভীৰৰ বোজাৰ আশংকাত অনুপযুক্ত ছাত্ৰ-ছাত্ৰীকো ওপৰৰ শ্ৰেণীলৈ উত্তীৰ্ণ কৰি দিয়ে। যাৰ ফলত H.S.L.C ৰ দৰে পৰীক্ষাত অকৃতকাৰ্য্য ছাত্ৰ-ছাত্ৰীৰ সংখ্যাই হৈ পৰে সৰ্ব্বাধিক। চৰকাৰী অসমীয়া মাধ্যমৰ স্কুলৰ এনে ফলাফলৰ বিপৰীতে বেচৰকাৰী ইংৰাজী মাধ্যমৰ স্কুলৰ ফলাফল তুলনামুলক ভাবে ভাল। কিয়নো এই স্কুলবোৰ অসম চৰকাৰৰ কিতাপ যোগান আচনি, বদলিৰ তালিকা বা শিক্ষক

নিয়োগ ব্যৱস্থাৰ পৰা বহু আঁতৰত। কিন্তু এই স্কুলৰ পৰা ওলোৱা বেছিভাগ ছাত্ৰ-ছাত্ৰীৰ মাজত নিজ ভাষা সংস্কৃতিৰ প্ৰতি এক তুচ্ছ তাচ্ছিল্য মনোভাৱ গা কৰি উঠিছে আৰু তেওঁলোক এক বিজতৰীয়া সংস্কৃতিৰ মাজত আৱদ্ধ হৈ পৰিছে; যিটো অসমীয়া ভাষা আৰু জাতিৰ স্বাৰ্থত মুঠেই গ্ৰহণযোগ্য নহয়।

হাইস্কুলীয়া জীৱনৰ তিক্ত অভিজ্ঞতাৰে পুষ্ট ছাত্ৰ-ছাত্ৰী খিনিয়ে ৰঙীন সপোন বুকুত লৈ ভীৰ কৰেহি মহাবিদ্যালয়ৰ দুৱাৰডলিত। কিন্তু সেই সপোন ভাঙোতে তেওঁলোকে বেছিদিন অপেক্ষা কৰিব লগা নহয়। মহাবিদ্যালয়বোৰত বছৰত খুব বেছি ১২০ দিন শ্ৰেণী বহে। যাৰ ফলত বেছি ভাগ বিভাগৰে পাঠ্যক্ৰম শেষ নহয়। আনহাতে দৰ্শনকে আদি কৰি কেইবাটাও বিভাগৰ পাঠ্যক্ৰম বিশ্ববিদ্যালয়ে অনুবাদ নকৰি ছাত্ৰ-ছাত্ৰীখিনিৰ অকল ক্ষতি কৰা নাই; মাধ্যম আন্দোলনৰ দুৰ্ব্বল দিশো উদঙাই দিছে। আনহাতে উচ্চ শিক্ষাৰ অনুষ্ঠানৰ মেৰুদণ্ড স্বৰূপ গ্ৰন্থাগাৰবোৰৰ অৱস্থাও তথৈবচ। গতিকে এনেকুৱা অৱস্থাত ছাত্ৰ-ছাত্ৰীৰ মাজৰ 'পৰা বৌদ্ধিক বিকাশ আমি কিমানখিনি আশা কৰিম।

বিদ্যালয়ৰ পৰা বিশ্ববিদ্যালয়লৈ শিক্ষানুস্থান বোৰৰ এনেকুৱা অৱস্থাত অধ্যয়নৰত ছাত্ৰ ছাত্ৰীৰ মাজত সোমাই পৰিছে দলীয় ৰাজনীতিৰ কুট-কৌশল। ভোটাৰৰ বয়স ১৮ বছৰলৈ হ্ৰাস কৰাৰ পিছতে ছাত্ৰ একতা সভাৰ নিৰ্ব্বাচন বোৰতো আৰম্ভ হৈছে ৰাজনৈতিক হস্তক্ষেপ। বিগত তিনিবছৰত সংবাদ জগতত তোলপাৰ লগোৱা কটন কলেজৰ নিৰ্ব্বাচনে তাৰ প্ৰমাণ। নিজ নিজ দলৰ প্ৰভাৱ বৃদ্ধিৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত সোমাই দিয়া হৈছে সস্তীয়া আমোদ-প্ৰমোদৰ উপকৰণ। আনহাতে ছাত্ৰ-ছাত্ৰীৰ একাংশইও ৰাজনীতিৰ ক, খ নজনাকৈ ৰাজ-নৈতিক নেতাৰ হাতিয়াৰ হিছাবে এনে কাৰ্য্যক সমৰ্থন জনাই হস্তক্ষেপৰ ইন্ধন যোগাইছে। ফল-স্বৰূপে বিদ্যাৰ মন্দিৰবোৰ হৈ পৰিছে ৰাজনৈতিক নেতাৰ খেল পথাৰ।

ইয়াৰোপৰি দেশৰ আৰ্থ-ৰাজনৈতিক অৱস্থাইও ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত অনিশ্চিত কৰি তুলিছে মুক্ত বজাৰ অৰ্থনীতিৰ প্ৰভাৱত দেশৰ অৰ্থনীতি। পৰিচালিত হব ধৰিছে পুঁজিবাদী দেশৰ নিৰ্দেশত। মুক্ত বজাৰ অৰ্থনীতিৰ কিছু অসুবিধা থাকিলেও তাৰ সুবিধাও যথেষ্টখিনি আছে, যিটো আমি লব পৰা নাই। পশ্চিমবংগকে আদি কৰি যিবোৰ ৰাজ্যই এসময়ত ইয়াৰ বিৰোধীতা কৰিছিল আজি সেইবোৰ ৰাজ্যই ইয়াৰ সুবিধা লোৱাৰ বাবে আগবাঢ়ি আহিছে। ফলস্বৰূপ জাৰ্মানী, জাপান, ইংলণ্ডকে আদি কৰি পুঁজিবাদী বিশ্বই আজি কলিকতাক এখন উদ্যোগ নগৰীলৈ ৰূপান্তৰিত কৰাৰ পৰিকল্পনা গ্ৰহণ কৰিছে। আনহাতে অসম চৰকাৰে নতুন প্ৰচেষ্টাটো লোৱাই নাই পুৰণা উদ্যোগখিনিও পানীৰ দামত বিক্ৰী কৰিবলৈ আৰম্ভ কৰিছে আৰু সেয়েহে আজি অসমত শিক্ষকৰ বাহিৰে অইন বিভাগত নিয়োগ প্ৰায় বন্ধ অৱস্থাত।

শিক্ষাৰ ক্ষেত্ৰত দেখুৱা চৰকাৰৰ অমনো-যোগী মনোভাৱ আৰু নিয়োগবৰ্জিত অৰ্থনীতিৰ বিৰুদ্ধে আমাৰ বেছিভাগ লেখক বুদ্ধিজীৱিৰ ভূমিকা কিন্তু সুবিধাবাদ। ভৱিষ্যত প্ৰজন্মৰ



চিন্তাতকৈ ব্যক্তিগত লাভালাভতহে তেওঁলোকে গুৰুত্ব দিছে যাৰ ফলত ছাত্ৰ ছাত্ৰীয়ে এক অনিশ্চিত ভৱিষ্যতৰ পিনে আগবাঢ়িব লগা হৈছে।

দেশৰ এনেকুৱা আৰ্থ ৰাজনৈতিক অৱস্থাৰ মাজেৰে আহিব লগা হৈছে আমাৰ ছাত্ৰ সমাজ। ওপৰত উল্লেখিত অসুবিধাৰ মাজতো নিজক প্ৰতিষ্ঠা কৰাৰ অনেক সুবিধা ইয়াত আছে। কিন্তু ইয়াৰ বাবে লাগিব এটা স্থিৰ প্ৰচণ্ড মন। এইটো প্ৰতিযোগিতাৰ যুগ। প্ৰতিযোগিতা আৰম্ভ হৈছে দেশে দেশে, ব্যক্তিয়ে ব্যক্তিয়ে গতিকে প্ৰতিযোগিতাৰ প্ৰত্যাহ্বান গ্ৰহণ কৰাৰ বাহিৰে বিকল্প নাই। কম বেছি পৰিমাণে ভাৰতবৰ্ষৰ বাকী অংশৰ ছাত্ৰ সমাজেও উল্লেখিত সমস্যাত ভুগিছে। হয়তো আমাৰ ইয়াত এই সমস্যাবোৰে ব্যাপকৰূপ ধাৰণ কৰিছে কিন্তু আয়ত্বৰ বাহিৰ হোৱা নাই। ভাৰতবৰ্ষৰ বাকী অংশৰ ছাত্ৰ সমাজ এনে সীমাবদ্ধতাৰ মাজতো নিজ দক্ষতাৰে সৰ্ব্বভাৰতীয় ক্ষেত্ৰত যেনেদৰে নিদৰ্শন ডাঙি ধৰিছে আমাৰ ছাত্ৰ সমাজে কিন্তু পৰা নাই। জ্ঞানাৰ্জনৰ কাৰণে যি শৃঙ্খলাবদ্ধ কষ্টকৰ পৰিশ্ৰমৰ প্ৰয়োজন আমাৰ ছাত্ৰ সমাজ তাৰ প্ৰতি বিতৰাগ। সেয়েহে তেওঁলোকক আজি পাতল চিন্তা চৰ্চাৰ বীজাণুৱে পক্ষাঘাত ৰোগীৰদৰে এফালৰ পৰা গ্ৰাস কৰি যাব ধৰিছে।

অধ্যয়ন বিমুখীতা আমাৰ ছাত্ৰ সমাজৰ প্ৰধান দুৰ্বলতা। জ্ঞানাৰ্জনৰ বাবে অধ্যয়ন অপৰিহাৰ্য্য। কিন্তু আমাৰ ছাত্ৰ সমাজৰ মাজত তেনে মনোভাৱ অনুপস্থিত। যাৰ ফলত পৰীক্ষা-গৃহত তেওঁলোকে অসৎ উপায় অৱলম্বন কৰিব লগা হয় আৰু যদি নিৰীক্ষকে তেনে কাৰ্য্যত বাধা প্ৰদান কৰে তেতিয়া ছাত্ৰৰ হাতত নিৰীক্ষক অপমানিত বা লাঞ্চিত হবলগা হয়। আজি অসমত 'গৰীয়সী' বা 'ভেউকা'ৰ দৰে মননশীল আলোচনীৰ প্ৰচাৰ সংখ্যা হল ক্ৰমে ১০ হেজাৰ আৰু ১½ হেজাৰ মাত্ৰ। কিন্তু সস্তীয়া যৌনগন্ধী আলোচনীৰ প্ৰচাৰৰ সংখ্যা ভাবিব নোৱাৰা। গভীৰ যুক্তিপূৰ্ণ আলোচনাৰ ঠাই আজি দখল কৰিছে পাতল চিন্তাই। শাসক চক্ৰইও ছাত্ৰই যাতে বিকল্পৰ সন্ধানত স্থিতাৱস্থাৰ বিৰোধিতা কৰিব নোৱাৰে তাৰ বাবে ছাত্ৰৰ মাজত মেলি দিয়া হৈছে মদ, জুৱা, লটাৰীকে আদি কৰি ব্লু ফিল্ম জাতীয় নিম্নৰুচিৰ কিছুমান চিনেমা। আমাৰ ছাত্ৰ সমাজেও সেইখিনিয়ে জীৱন বুলি মদ-জুৱা বা চিনেমাৰ ৰাগীত ব্যস্ত হৈ নিজৰ মহান শক্তিক অকালতে ধ্বংস কৰিছে। নৈতিকতা আজি ছাত্ৰ সমাজৰ পৰা বহু আঁতৰত। ছাত্ৰৰ হাতত শিক্ষক, অভিভাৱক নিগৃহীত হোৱাৰ ঘটনাৰে পৰিপূৰ্ণ আজিৰ দৈনিক বাতৰি কাকত। মাতৃসদৃশ মহিলাও আজি ছাত্ৰৰ হাতত ধৰ্ষিতা, অপমানিত। বিদেশৰ সকলো বস্তু ভাল বুলি গ্ৰহণ কৰাৰ মানসিকতাই আজিৰ ছাত্ৰ সমাজৰ মাজত গা কৰি উঠিছে। অসমৰ জাতীয় উৎসৱ বিহুতো বিহুগীতৰ পৰিবৰ্ত্তে যৌনগন্ধী গানহে শুনিব লগা হৈছে।

ইয়াৰ বাহিৰেও আন এচাম ছাত্ৰ আছে যি চামে বাস্তৱ সমাজৰ কদৰ্য্যৰূপ প্ৰত্যক্ষ কৰিব নোৱাৰি সমাজ পৰিবৰ্ত্তনৰ বাবে হাতত অস্ত্ৰ তুলি লৈছে। কিন্তু তেওঁলোকেও বাস্তৱ সমাজৰ দুৰ্বলতা সমূহ অতিক্ৰম কৰাত এতিয়াও সফল

হব পৰা নাই। যাৰ বাবে অকালতে বহুতো মূল্যবান জীৱন ধ্বংস হব ধৰিছে।

ওপৰত উল্লেখ কৰা ছাত্ৰ সমাজৰ প্ৰতিচ্ছবিখন আমি সৰলীকৰণ কৰিব বিচৰা নাই। আমাৰ সমাজৰ এতিয়াও এচাম ছাত্ৰ আছে যিচামে নিজৰ দায়িত্ব আৰু কৰ্ত্তব্যৰ মাজেৰে নিজক উপযুক্ত কৰাৰ প্ৰতিদ্বন্দ্বিতাত আত্ম নিয়োগ কৰি আছে। কিন্তু সেইচাম ছাত্ৰৰে যদি আমি একবিংশ শতিকাত প্ৰৱেশ কৰিব লগা হয় তেতিয়া অহা শতিকাটো আমাৰ বাবে আশীৰ্ব্বাদ নহৈ অভিশাপ হৈ পৰিব আৰু আমি অন্ধকূপত নিমজ্জিত হোৱাৰ সম্ভাৱনাই প্ৰবল।

কিন্তু ছাত্ৰ শক্তি বৃহৎ শক্তি। বিশ্ব ইতিহাসত ছাত্ৰ শক্তিৰ ভূমিকা অনস্বীকাৰ্য্য। চীনত কমিউনিষ্ট শাসন প্ৰতিস্থাৰ ক্ষেত্ৰত বা আমেৰিকাক ভিয়েটনাম যুদ্ধৰ পৰা আঁতৰি অহাৰ ক্ষেত্ৰত ক্ৰমে চীন আৰু আমেৰিকাৰ ছাত্ৰ সমাজেই মূল ভূমিকা গ্ৰহণ কৰিছিল। আনহাতে স্বাধীনতাৰ আগৰে পৰা অসমৰ ছাত্ৰ-সমাজৰ অন্যায়ৰ বিৰুদ্ধে যুঁজি দেশ আৰু সমাজক আগবঢ়াই নিয়াৰ এক ধাৰাবাহিকতা আছে। স্বাধীনতাৰ পিছতো ভাষা আন্দোলন, মাধ্যম আন্দোলন, খাদ্য আন্দোলন আৰু শেহতীয়াকৈ বিদেশী বিতাৰণ আন্দোলনলৈ সেই ধাৰাবাহিকতা দেখা যায়। গতিকে আশা কৰো আজিৰ ছাত্ৰ সমাজেও, যিবোৰ সমস্যাই তেওঁলোকৰ সন্মুখত প্ৰত্যাহ্বান হিচাপে থিয় দিছে তাক অতিক্ৰম কৰি নিজ দায়িত্বৰে আগবাঢ়ি যাব আৰু তেতিয়াহে একবিংশ শতিকা আমাৰ বাবে হৈ পৰিব আশাৰ প্ৰদীপ। □

**শ্ৰীহেমন্ত কুমাৰ ৰয়,**
ছাত্ৰ, স্নাতক তৃতীয় বাৰ্ষিক।

কেইটামান বছৰৰ পিছতে বৰ্ত্তমানৰ যুৱক-যুৱতী সকলৰ মাজৰ পৰাই গঢ় লৈ উঠিব আধুনিক সমাজ। কিন্তু এখন আধুনিক সভ্য সমাজ গঢ়লৈ উঠিবলৈ শিক্ষাৰ প্ৰয়োজন, বৰ্ত্তমান সমাজত তাৰ অভাৱ পৰিলক্ষিত হৈছে।

সুস্থ শৈক্ষিক পৰিবেশৰ কথা কবলৈ যাওঁতে এটা কথা ছাত্ৰ-ছাত্ৰীসকলে মনত ৰখা প্ৰয়োজন যে আজি ভাল শৈক্ষিক পৰিবেশ সৃষ্টি কৰিব লাগিলে ঋণাত্মক পৰিবেশ ছাত্ৰ-ছাত্ৰীসকলে যিকোনো প্ৰকাৰে ওকৰাব লাগিব। গম্ভীৰ ভাৱে লক্ষ্য কৰিলে দেখা যায় যে আমি যাতে প্ৰকৃত শিক্ষাৰে শিক্ষিত হব নোৱাৰো বা আমাৰ প্ৰাথমিক স্তৰত পঢ়ি থকা ভাই ভনীসকলে যাতে প্ৰকৃত শিক্ষা গ্ৰহণ কৰিব নোৱাৰে সেই ব্যৱস্থাহে বৰ্ত্তমান চৰকাৰে প্ৰযোজ্য কৰিছে। কিয়নো দুই তিনি বাৰকৈ Compl পৰীক্ষা দি কোনোমতে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ দেওনা পাৰহৈ বিশ হাজাৰ টকাৰে যিসকলে শিক্ষকৰ পদ কিনি লৈছে সেইসকল শিক্ষকেই একবিংশ শতিকালৈ আগবঢ়া ছাত্ৰ-ছাত্ৰীসকলক প্ৰকৃত শিক্ষাৰে শিক্ষিত কৰিব পাৰিবনে ?

বৰ্ত্তমান সমাজত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গঢ়লৈ উঠিছে মদ, জুৱা, লটাৰীৰ দৰে নিচাযুক্ত প্ৰৱণতা। মদ খাই ৰাস্তাত অশালীন আচৰণ



কৰি জেলত যাব লগা হয় মহাবিদ্যালয় পৰ্য্যায়ৰ ছাত্ৰই। লটাৰীৰ মায়াজালত আবদ্ধ হৈ এচাম ছাত্ৰ ধ্বংসৰ পথলৈ আগবাঢ়িছে। কিয়ে সাংঘাতিক সমাজ ব্যৱস্থা। বৰ্ত্তমান চৰকাৰখনে চহৰে নগৰে, চুকে কোণে ব্যক্তিগত ৰাজনৈতিক স্বাৰ্থ পূৰণাৰ্থে এচাম ব্যক্তিৰ হাতত মদৰ পাৰমিট্ বিতৰণ কৰি গোটেই সামাজিক পৰিবেশ দুষিত কৰি তুলিছে। চৰকাৰে প্ৰচলন কৰিছে জুৱা খেল। হায় আমাৰ সোণৰ অসম।

ইতিহাসে আমাক কোনো কথাই পাহৰাই নাৰাখে। ইংৰাজ আহিছিল, বৰ্মা বঙাল বহিষ্কাৰৰ দাবীত আন্দোলন আৰম্ভ হৈছিল এইখন অসমতে। প্ৰকৃত দাবী নীতিৰ পৰা আঁতৰাই ৰাখিবলৈ জনগণৰ মাজত কানিৰ প্ৰচলন কৰিছিল। এটা সময়ত বিদেশীৰ ঠাইত দেশীয় চৰকাৰ হল কিন্তু একেই ব্যৱস্থা থাকিল। দেশীয় চৰকাৰেই আমাৰ সমাজত মদ, জুৱাৰ দৰে নিচাযুক্ত দ্ৰব্যৰ প্ৰচলন কৰি প্ৰকৃত শিক্ষাৰে শিক্ষিত ছাত্ৰ-ছাত্ৰীসকলক কোনো ধৰণৰ শোষণৰ বিৰুদ্ধে প্ৰতিবাদ নকৰিবলৈ উদগনি দিছে।

শিক্ষানুস্থান সমূহ ৰাজনৈতিক মঞ্চ হিচাপে গঢ়ি তুলিব বিচৰা হৈছে, ছাত্ৰৰ মাজত বিভাজনৰ ৰাজনীতিৰে ছাত্ৰ-ছাত্ৰীৰ ঐক্যৰ হানি ঘটাবলৈ উঠিপৰি লাগিছে বৰ্ত্তমানৰ চৰকাৰে। যিখন শিক্ষানুস্থানত অসম মন্ত্ৰী সভাৰ মন্ত্ৰীক আমন্ত্ৰণ কৰা হয় সেই শিক্ষানুস্থানত লাখ লাখ টকা সেই মন্ত্ৰীসকলে দিয়াটো এক ভুৱা প্ৰতিশ্ৰুতি। এই প্ৰতিশ্ৰুতি সমূহত এচাম নীচ্ মনোবৃত্তিৰ শিক্ষকেও ইন্ধন যোগাইছে।

কথাবোৰ ভালদৰে ভাবিলে আচৰিত লাগে, ছাত্ৰ-ছাত্ৰীৰ প্ৰয়োজনীয় পাঠ্যপুথিৰ কাৰণে আন্দোলন কৰিবলগীয়া হৈছে। সুস্থ সমাজ গঢ়াৰ দৃঢ় সংকল্প, ছাত্ৰ-ছাত্ৰীৰ ঐক্যতাৰ প্ৰতীক, অসমৰ একমাত্ৰ অৰাজনৈতিক অদ্বিতীয় সংগঠন ছাত্ৰসন্থা ( AASU )। ছাত্ৰ সন্থাই মাজে মাজে মদ, জুৱা আদিৰ বিপক্ষে প্ৰতিবাদ শোভাযাত্ৰা উলিওৱা দেখা যায় যদিও ই দৃঢ় হোৱা নাই। যথেষ্ট দৃঢ় হোৱাৰ প্ৰয়োজন আছে আজিৰ সমাজত। ছাত্ৰ সন্থাই এটা কথা অনুভৱ কৰিব পাৰিব লাগিব যে জনগণক বিভ্ৰান্ত কৰিব পৰা বক্তব্যৰ সলনি মানৱ সভ্যতা ৰক্ষাৰ স্বাৰ্থত একবিংশ শতিকালৈ আহিব ধৰা ছাত্ৰ-ছাত্ৰীসকলক সকলোধৰণৰ ৰাজনৈতিক কু-প্ৰভাৱৰ পৰা মুক্ত কৰিব পৰা শিক্ষাবিদৰ জৰিয়তে বৈজ্ঞানিক কাৰ্য্যসূচী প্ৰস্তুত কৰি দৃঢ় প্ৰতিবাদী কাৰ্য্যসূচী প্ৰস্তুত কৰিব লাগিব।

আমি নিজেই নিজৰ ভৱিষ্যত গঢ়িবলৈ হলে নিজকে প্ৰকৃত শিক্ষাৰে শিক্ষিত হৈ শোষকৰ পক্ষৰ সাক্ষী শোষিতৰ পক্ষলৈ চৰকাৰৰ নগ্নৰূপ উদঙাই দৃঢ় প্ৰতিবাদী কাৰ্য্য-সূচীৰে বৰ্ত্তমান আৰু ভৱিষ্যতৰ মানৱ সভ্যতা ৰক্ষাৰ স্বাৰ্থত বৰ্ত্তমানৰ ছাত্ৰ-ছাত্ৰীসকলক ঐক্যবদ্ধতা বিনষ্ট কৰিব নোৱাৰে তাৰ প্ৰতি দৃষ্টি ৰাখিব লাগিব।

একবিংশ শতিকাৰ দুৱাৰ দলিত যদিও আমি থিয় হৈছো আমাৰ ছাত্ৰ-ছাত্ৰীসকলৰ যেনে, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক সমস্যাবোৰ অধিক জটিল হৈ পৰিছে। এই সমস্যা সমাধানৰ বাবে মানৱ সভ্যতা ৰক্ষাৰ বাবে আকৌ এটা জন জাগৰণৰ প্ৰয়োজন নেকি? এই কথা হয়তো আজি নহলেও ভৱিষ্যতে প্ৰত্যেকেই উপলব্ধি কৰিব। শেষত বৰ্ত্তমান প্ৰবৰ্ত্তিত ব্যৱস্থাৰ পৰিবৰ্ত্তন বাকী থকা বছৰ কেইটাত নহলে একবিংশ শতিকা হৈ পৰিব ছাত্ৰসমাজৰ বাবে অন্ধকূপ সদৃশ। □

## ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন
## ১৯৯৩-৯৪ ইং চন।

জয় জয়তে স্বদেশ আৰু স্বজাতিৰ অস্তিত্ব ৰক্ষাৰ হেতুকে প্ৰাণ আহুতি দি চিৰদিনলৈ আতৰি যোৱা মহান বীৰ বীৰাঙ্গণা সকলক সশ্ৰদ্ধ প্ৰণাম জনাইছো।

শব্দৰ গাঠনিৰে কৃতজ্ঞতা কিমান সফলতাৰে ফুটাই তুলিব পাৰি তাক মই উপলব্ধি কৰিব নোৱাৰো। তথাপি প্ৰতিবেদনৰ বুলনিতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু তথা মোৰ সহপাঠী বন্ধু-বান্ধৱীলৈ মৰম ও শ্ৰদ্ধা আগবঢ়াইছো।

১৯৯৩-৯৪ বৰ্ষৰ মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে যিসকল শুভাকাংক্ষী ছাত্ৰ-ছাত্ৰীয়ে মোক প্ৰত্যক্ষ নিৰ্বাচনেৰে জয়যুক্ত কৰি পবিত্ৰ অনুষ্ঠানটিৰ দায়িত্ব লগতে সেৱা কৰাৰ সুবিধাকণ দিলে তেখেত সকলক কৃতজ্ঞভাৰে সুঁৱৰিছো লগতে মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো।

***কাৰ্য্যকালৰ চমু খতিয়ানঃ*** - ১৯৯৩ ৯৪ বৰ্ষৰ সাধাৰণ সম্পাদক হিচাপে যোৱা ৩/১/৯৩ ইং তাৰিখে কাৰ্য্যভাৰ গ্ৰহণ কৰো। কাৰ্য্যকালৰ সময়ছোৱাত মহাবিদ্যালয়ৰ প্ৰগতিৰ হকে কৰিবলগীয়া কাম যথেষ্ট থাকে কিন্তু সীমিত মূলধনেৰে আটাইবোৰ কাম সুচাৰুৰূপে কৰা সম্ভৱ নহয়। তথাপি ঘাত প্ৰতিঘাত বা ভুল-ভ্ৰান্তিৰ মাজেৰে অতিবাহিত কৰি অহা কাৰ্য্যকালৰ চমু আভাষ দাঙি ধৰিলো।

মহাবিদ্যালয়ৰ খেলা-ধূলা, সঙ্গীত, কুইজ, আদিত প্ৰতিভা থকা ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতিভা বিকাশৰ উদ্দেশ্যে আৰু মানসিক তথা শাৰীৰিক উৎকৰ্ষ সাধনাৰ্থে চলি অহা "মহাবিদ্যালয় সপ্তাহ" এইবেলিও ৭/১/৯৪ ইং তাৰিখৰ পৰা আৰম্ভ কৰিবলৈ লোৱা হয়। কিন্তু অনিবাৰ্য্য কাৰণ বশতঃ ৭/১/৯৪ আৰু ৮/১/৯৪ ইং তাৰিখত আৰম্ভ কৰিব পৰা নগল। ৯/১/৯৪ ইং তাৰিখৰ পৰা ১৭/১/৯৪ ইং তাৰিখৰ ভিতৰত খেল-ধেমালীৰ প্ৰতিযোগিতা সমূহ সুকলমে শেষ কৰা হয় আৰু প্ৰতিযোগিতা সমূহত জয় লাভ কৰা বিজেতা সকলক উৎসাহ, উদ্দীপনা জনোৱাৰ মানসেৰে ১৮/১/৯৪ ইং তাৰিখে বটা বিতৰণি ও মুকলি সভাখন অনুষ্ঠিত কৰা হয়।

ভৱিষ্যতৰ ৰঙীন সপোন বাস্তৱত ৰূপায়িত কৰাৰ হেপাহ আৰু নিজকে সুনাগৰিক হিচাপে প্ৰতিষ্ঠা কৰিবলৈ পুহি ৰখা লক্ষ্য, উদ্দেশ্য সমূহ সুদৃঢ় কৰাৰ আশাৰে আমাৰ মহাবিদ্যালয়ত পদাৰ্পন কৰা নৱাগত ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিক ভাবে আদৰণি জনাবলৈ নৱাগত আদৰণি সভাখন ২৩/৯/৯৪ ইং তাৰিখে পতা হয়। সভাত বিশিষ্ট অতিথি মাননীয় শ্ৰীযুত উদায়াদিত্য ভৰালী আৰু নিৰ্দ্দিষ্ট বক্তা ডঃ ৰমেশ পাঠকক আমন্ত্ৰণ কৰি অনাৰ লগতে সুন্দৰ ভাবে সভাখন পৰিচালনা কৰা হয়।



Student Development ৰ হকে চৰকাৰৰ পৰা ১ লাখ টকা অনুদান আমাৰ মহাবিদ্যালয়ে এই বছৰতে লাভ কৰে। উক্ত টকাখিনি অধ্যক্ষ, মহাবিদ্যালয় পৰিচালনা সমিতি, সাধাৰণ সম্পাদক সমন্বিতে প্ৰস্তাৱ গ্ৰহণ কৰি ছাত্ৰী জিৰণি ভৱন নিৰ্মাণ কৰিবলৈ সিদ্ধান্ত লোৱা হয়। অস্থায়ী ভাবে ছাত্ৰী জিৰণি ভৱনৰ সুবিধা কৰি দিয়া হৈছিল যদিও যথেষ্ট অসুবিধা ভোগ কৰি আছিল।

আমাৰ মহাবিদ্যালয়ত বৰ্ত্তমানও অসীম অভাৱে জুমুৰ দি আছে। মোৰ কাৰ্য্যকালৰ সময়ত মহাবিদ্যালয়ৰ দুই এটা অভাৱ মষিমূৰ কৰিবলৈ কেবাজনো বিষয়াৰ ওচৰ চাপিছিলো আৰু অনুদানৰ বাবে স্মাৰকপত্ৰ প্ৰদান কৰিছিলো তাৰ ভিতৰত মহাবিদ্যালয়ৰ মুখ্য পথটো (গৰ্গনাৰায়ণ পথ) উন্নতিকৰণ, মহাবিদ্যালয়ৰ চৌহদত লোৰ তাঁৰৰ বেৰ দিয়াৰ বাবে অনুদান আদি লাভ কৰিবলৈ চেষ্টা কৰিছিলো। কিন্তু তেওঁলোকৰ পৰা আশ্বাসহে পালো, বৰ্ত্তমানলৈ কোনো অনুদান আমাৰ মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা নহল।

***ছাত্ৰ মহাবিদ্যালয়ঃ—*** ছাত্ৰ ছাত্ৰীসকলৰ উচ্চ শিক্ষা উপাৰ্জন কৰা পবিত্ৰ অনুষ্ঠানটো আমাৰ সকলোৰে এটা জ্ঞান মন্দিৰ। এই শিক্ষানুষ্ঠানৰ ভৱিষ্যতে বহুজনৰ জ্ঞানৰ পৰিসৰ বাঢ়ে। সুনাগৰিক হিচাপে নিজক প্ৰতিষ্ঠা কৰিবলৈ শিকাই দেখুৱাই দিয়ে।

"Students of today are citizen of tomorrow" আজিৰ ছাত্ৰ কালিৰ নাগৰিক কোনো এখন দেশৰ ভৱিষ্যত নিৰ্ভৰ কৰে ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত।

তাৰোপৰি শিক্ষাই উন্নতিৰ সোপান জাতিৰ জীৱন। যেনেদৰে এখন ফুলনি বাগিছা শুৱনি কৰি গঢ়িবৰ বাবে প্ৰতিজোপা গছে, প্ৰতিজোপা ফুলে নিজস্ব গুণাৱলী প্ৰদৰ্শন কৰিবলৈ উপযুক্ত সাৰ, পানী, তাপ, বায়ু, পোহৰ সেৱন কৰে ঠিক তেনেদৰে সু-সভ্য, সমৃদ্ধ জাতি গঢ়ি তোলাৰ মূলতে থাকিব দেশৰ প্ৰতিজন নাগৰিকৰ প্ৰকৃত শিক্ষা, জীৱন প্ৰস্তুতিৰ সৰ্বাঙ্গীন ব্যৱস্থা আৰু অন্য অন্য বাতাবৰণৰ। দেশৰ কণ কণ নাগৰিক সকলক গঢ় দিয়াৰ দায়িত্ব ন্যস্ত হয় মাধ্যমিক স্তৰৰ বিদ্যালয় সমূহত। পৰ্য্যায় ক্ৰমে ভৱিষ্যত জীৱনৰ লক্ষ্য সমূহৰ বাস্তৱত ৰূপ দিয়াৰ উদ্দেশ্যে উচ্চ শিক্ষাৰ শিক্ষাৰ্থী সকলকও বিভিন্ন শিক্ষাৰে উপযোগী কৰি গঢ় দিবলৈ ভিন ভিন মহাবিদ্যালয়ৰ বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হয়।

এই সন্দৰ্ভত এইটোও দৃঢ় বিশ্বাস ৰাখিছো যে আমাৰ মহাবিদ্যালয়খন অচিৰেই পূৰ্ণাঙ্গ ৰূপ পাব আৰু শিক্ষাৰ্থী সকলৰ দুখ দুৰ্গতি, অভাৱ অভিযোগ দূৰ হব লগতে প্ৰতিজনৰ লক্ষ্য, উদ্দেশ্য সমূহ সফল ৰূপায়নৰ মাধ্যমেৰে নিজকে উপযোগী কৰি গঢ়ি তুলিব।

***মোৰ দুষাৰঃ—*** শিক্ষানুষ্ঠানত শিক্ষা দান আৰু শিক্ষা গ্ৰহণৰ মূলতেই হ'ল সুস্থ শিক্ষিত পৰিবেশ, ছাত্ৰ আৰু শিক্ষক। এই তিনিওটাৰে সহযোগিতা, আদৰ্শ, সুস্থিৰতা, লগতে সুন্দৰ মানসিকতাৰও নিতান্ত প্ৰয়োজন। অৱশ্যে আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলৰ স্থায়ী জিৰণি ভৱন নহোৱা বাবে মাজে মাজে বিশৃংখল পৰিবেশ সৃষ্টি হয়। দৰাচলতে তাৰ বাবে দায়ী ছাত্ৰ-ছাত্ৰীসকল নহয়

বুলি মই ভাবো, কিয়নো ছাত্ৰ-ছাত্ৰী তথা শিক্ষক সকলৰ সংখ্যাৰ তুলনাত সা-সুবিধা যথেষ্ট তাকৰ। অভাৱ সমূহ দূৰীকৰণৰ বাবে অধ্যক্ষ লগতে মহাবিদ্যালয় পৰিচালনা সমিতিক দাবী জনালো!

আনহাতে শিক্ষক, ছাত্ৰ-ছাত্ৰীৰ মাজৰ সম্পৰ্কত যথেষ্ট খেলি মেলি থকাটোও মোৰ কাৰ্য্যকালত দৃষ্টিগোচৰ হল। আনকি দুই এটা অপ্ৰীতিকৰ ঘটনাও নঘটা নহয়। এই সকলোবোৰ আসোঁৱাহ দূৰ কৰিবলৈ অধ্যক্ষদেৱক অনুৰোধ জনালো লগতে সুস্থ শৈক্ষিক পৰিবেশ বজাই ৰাখিবলৈ শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু স্থানীয় ৰাইজৰ সহযোগ কামনা কৰিলো।

*শলাগ লৈছো :—* নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা ছাত্ৰ একতা সভাৰ সভাপতি ডঃ ৰমেশ চন্দ্ৰ শৰ্মা দেৱলৈ কৃতজ্ঞতা নিবেদিছো। মোৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন গঠনমুলক দিহা পৰামৰ্শৰে আগবঢ়াই দিয়া বিভাগীয় তত্বাবধায়ক শ্ৰীযুক্ত প্ৰবোধ চন্দ্ৰ গোস্বামীদেৱৰ লগতে শিক্ষাগুৰু শ্ৰীযুত মণিকান্ত দাস, ৰুদ্ৰ কলিতা, জীতেন ভাগৱতী, হেমন্ত শীল, কিশোৰ শৰ্মা, অনিল মজুমদাৰ, প্ৰণৱ দাস, মাণিক দাস, নিৰ্মল শইকীয়া, সদা দাস, তৰুণ ভাগৱতী তথা সমূহ শিক্ষাগুৰুলৈ মোৰ শ্ৰদ্ধা ও কৃতজ্ঞতা জনাইছো। তাৰোপৰি ছাত্ৰ-ছাত্ৰী ভাই বন্ধুৰ সহযোগিতা সু-পৰামৰ্শক মই কাহানিও দুই কৰিব নোৱাৰো। সেয়ে আন্তৰিকতাৰে তেখেতসকলৰ শলাগ ও কৃতজ্ঞতা জনাইছো।

*ক্ষমাৰে চাইছো :—* ভুল ক্ৰুটিৰ মাজেৰেই আমি মানৱ সমাজ অগ্ৰগামী হৈ আছো। মানুহ মাত্ৰেই ভুল স্বাভাৱিক। কাৰ্য্যকালৰ সময়ছোৱাত জ্ঞাত অজ্ঞাতে যিবোৰ ভুল কৰিছো সেইবোৰ গঠনমূলক দৃষ্টিৰে মোক শুধৰাই দিব লগতে ক্ষমা দান কৰিব বুলি সমূহ ছাত্ৰ-ছাত্ৰী শিক্ষাগুৰুলৈ অনুৰোধ জনালো। কাৰ্য্যকালৰ পাতনিতেই বহুজনক দি অহা বহু ধৰণৰ প্ৰতিশ্ৰুতি মই সম্পূৰ্ণকৈ পূৰণ কৰিব পৰা নাই; তাৰ বাবে মই সকলোৰে ওচৰত নতশিৰে ক্ষমা বিচাৰিছো।

*সামৰণি :—* সদৌ শেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উত্তোৰত্তৰ কামনা কৰিছো লগতে বিগত কাৰ্য্যকালৰ সময়ছোৱাত আপোনালোকৰ ওচৰত কৰা ভুল ক্ৰুটিৰ মাৰ্জনা বিচাৰি মই মোৰ বছৰেকীয়া প্ৰতিবেদনৰ সামৰণি মাৰিছো।

জয়তু প্ৰাগ্‌জ্যোতি —

জয়তু নিৰ্ম্মল হালৈ মহাবিদালয়

ছাত্ৰ একতা সভা।

শ্ৰীপৰেশ ডেকা,

সাধাৰণ সম্পাদক।

ডিচেম্বৰ/৯৪



## সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৯৩-৯৪ ইং চন।

প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ জাতি ৰক্ষাৰ তথা সত্বা ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দি জননীক সেৱা কৰা বীৰ শ্বহীদসকললৈ মোৰ হিয়াভৰা আন্তৰিক অশ্ৰু অঞ্জলি নিবেদিছো।

নিৰ্মল হালৈ মহাবিদ্যালৰ ছাত্ৰ একতা সভালৈ সাংস্কৃতিক সম্পাদক পদত বিনা প্ৰতিদ্বন্দিতাৰে নিৰ্বাচিত হৈ আপোনালোকক সেৱা কৰাৰ সুযোগকণ পাই মই নিজকেই গৌৰৱ অনুভৱ কৰিছো। আৰু লগতে ইয়াৰ বাবে মই এই মহাবিদ্যালয়ৰ সমুহ ছাত্ৰ/ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো।

এবছৰীয়া কাৰ্যাকাল ছোৱাত মই কিমানখিনি ৰবঙণি আগবঢ়াইছো সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়।

যোৱা বছৰ কেইটিৰ দৰে এই বেলিও নিৰ্মল হালৈ মহাবিদ্যালয়ৰ "মহাবিদ্যালয় সপ্তাহ" এক জাকত জিলিকা অৱস্থাত সফলতাৰে অনুষ্ঠিত হয়। এই অনুষ্ঠানত অইন বছৰৰ দৰে এইবাৰো সঙ্গীত, চাৰুকলা, একক অভিনয়, কৌতুক অভিনয়, ভেশচন প্ৰতিযোগিতা আদি অনুষ্ঠিত কৰা হয়।

নিৰ্মল হালৈ মহাবিদালয়ৰ কলা আৰু সাংস্কৃতিক দিশ সিমান উচ্চখাপৰ নহয়। তথাপি মই ভৱিষ্যতৰ ছাত্ৰ/ছাত্ৰীসকলক সৃষ্টিশীল কলাৰ বাবে আহ্বান নজনাই নোৱাৰিছো। লগতে আমাৰ মহাবিদ্যালয়ৰ কিছুমান নতুন বাদ্য-যন্ত্ৰৰ অভাৱ আছে, সেই অভাৱকণ যেন অধ্যক্ষ মহোদয়ে পুৰ কৰে তাৰ বাবে মই অনুৰোধ জনাইছো।

মোৰ কাৰ্য্যকালৰ ভিতৰত বিভিন্ন দিশত বহুমূলীয়া উপদেশেৰে দিহা পৰামৰ্শ আগবঢ়োৱা বাবে বিভাগীয় উপদেষ্টা মাননীয় শ্ৰীযুত হেমন্ত শীল দেৱৰ ওচৰত মই চিৰকৃতজ্ঞ। লগতে মাননীয় অধ্যক্ষ ডঃ ৰমেশ শৰ্মা দেৱকো শ্ৰদ্ধাৰে সোঁৱৰিছো; এই ছেগতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ মাননীয় অধ্যাপক মহোদয়সকল আৰু মাননীয়া অধ্যাপিকা মহোদয়াসকললৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সদায় হাতে-কামে সহায় কৰা বন্ধু-বান্ধৱী সৰ্বশ্ৰী— জগত ৰাজবংশী, উত্তম ৰয়, গৌতম ডেকা, মহেন্দ্ৰ দাস, মনোৰঞ্জন মেধী, জুৰি চৌধুৰী, ৰীণা দাস, ৰীণা দেৱী, দিপিকা গোস্বামী আৰু সৰোজ চৌধুৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

সদৌ শেষত মোৰ কাৰ্য্যকালছোৱাত নাজানি কৰা ভুল ক্ৰুটৰ বাবে মই ক্ষমা বিচাৰিছো। নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি মোৰ এই ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

নমস্কাৰ

"জয় আই অসম"

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়

ছাত্ৰ একতা সভা।

শ্ৰীধৰণীধৰ বৰ্ম্মন,

সাংস্কৃতিক সম্পাদক।

## সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

### ১৯৯৩-৯৪ ইং চন।

প্ৰতিবেদনৰ আৰম্ভনিতে অসমৰ অস্তিত্ব ৰক্ষাৰ আন্দোলনত প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদ সকললৈ মোৰ শ্ৰদ্ধাঞ্জলি আৰু সমবেদনা জ্ঞাপন কৰিছো। লগে লগে মূৰ দোৱাইছো নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত, যিসকলে অপ্ৰতিদ্বন্দীতাৰে মোক আগবঢ়াই দিছিল সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে এই মহান অনুস্থানটোৰ সেৱা কৰিবলৈ। নেজানো মই মোৰ কাম কিমান সুচাৰুৰূপে সম্পন্ন কৰিছো। যিখিনি কৰিছো তাৰ বাবে একো নিবিচাৰো, কিন্তু কৰিব নোৱাৰা খিনিৰ বাবে মই সকলোৰে ওচৰত মাৰ্জনা বিচাৰিছো।

সমাজ সেৱাৰ দ্বাৰাই অকল এখন ঠাইয়েই পৰিস্কাৰ নহয়, ই মানুহক কৰ্মমুখী কৰে, একতা বঢ়াই, মানুহক কৰ্মমুখী হবলৈ শিকাই, সমাজৰ প্ৰতি থকা আমাৰ কথা সোঁৱৰাই দিয়ে। কিন্তু দুখৰ বিষয় যে উক্ত বিভাগৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নহয়। কৰ্তৃপক্ষই যদি মাজে সময়ে সমাজ সেৱাৰ কাৰ্য্যটিৰ ওপৰত আলোচনা-বিলোচনা পাতি উপযুক্ত লোকৰ দ্বাৰাই ইয়াক পৰিচালনা কৰে, তেন্তে মই ভাবো ইয়াৰ এদিন নিশ্চয় সুফল পোৱা যাব।

১৯৯৩/৯৪ ইং চনৰ সমাজসেৱা বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে সমুখীন হওঁ 'মহাবিদ্যালয় সপ্তাহ'ৰ। 'মহাবিদ্যালয় সপ্তাহ' উপলক্ষে মহাবিদ্যালয় চৌহদ পৰিস্কাৰ কৰো আৰু এই কাৰ্য্যৰে বছৰৰ শ্ৰেষ্ঠ সমাজসেৱী আৰু সমাজ সেৱিকা বাছনি কৰা হয় লগতে তেওঁলোকক বঁটা প্ৰদান কৰা হয়।

মোৰ এবছৰীয়া কাৰ্য্যকালত মহাবিদ্যালয়ৰ চৌহদৰ ভিতৰত থকা পুখুৰীটো পৰিস্কাৰ কৰো লগতে পুখুৰীৰ পাৰত গছপুলি ৰোপণ কৰি চৌহদৰ কাটাতাৰৰ বেৰ দিয়া হয়। এনেদৰে মোৰ কাৰ্য্যভাৰ শেষ হোৱাৰ আগে আগে অনুস্থিত হয় 'নৱাগত আদৰণি সভা।' সভা উপলক্ষে দিনজোৰা কাৰ্য্য সূচীৰে চাফাই শিবিৰ পতা হয়।

সমাজ সেৱাৰ দৰে এই মহান দায়িত্ব-সম্পন্ন কৰা এটি বছৰতেই সম্ভৱ নহয়, যাৰ বাবে মনৰ ইচ্ছাৰে আগবাঢ়িব নোৱাৰিলো। যিখিনি কৰিলো সেইখিনিত মোৰ অজানিতে ভুলভ্ৰান্তি হোৱাটো স্বাভাৱিক তাৰ বাবে মহাবিদ্যালয়ৰ সমুহ শিক্ষক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই ক্ষমা বিচাৰিছো।

শেষত মোৰ কাৰ্য্যকালত সকলো সময়তে নানা দিহা পৰামৰ্শ, সহায়-সহযোগ আগবঢ়োৱা সমাজসেৱা বিভাগৰ তত্বাৱধায়ক মাননীয় শ্ৰীযুত অনুপ শৰ্মা দেৱৰ ওচৰত মই চিৰকৃতজ্ঞ লগতে যিসকল বন্ধু-বান্ধৱী নহলে প্ৰতিটো কাৰ্য্যতে উজুটি খালোহেতেন তেওঁলোকলৈ মোৰ হিয়াভৰা অভিনন্দন কামনা কৰিছো।

সদৌ শেষত নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগ আৰু নিৰ্মল হালৈ মহাবিদালয়ৰ উত্তোৰত্তৰ মংগল কামনা কৰি মোৰ চমু প্ৰতিবেদন সামৰিলো। □

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়
ছাত্ৰ একতা সভা।

শ্ৰীঅনিল তালুকদাৰ,
সম্পাদক, সমাজসেৱা বিভাগ।



## তৰ্ক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

### ১৯৯৩-৯৪ ইং চন।

প্ৰতিবেদনৰ পাতনিতে জননীৰ জাতীয় জীৱন অক্ষুণ্ণ ৰাখিবলৈ অকাতৰে প্ৰাণ আহুতি দিয়া বীৰ শ্বহীদৰ পবিত্ৰ স্মৃতিত পুষ্পাৰ্ঘ্য নিবেদন কৰিছো। সংগ্ৰামী বন্ধু-বান্ধৱী সকললৈ শুভেচ্ছা যাচিছোঁ। প্ৰতিবেদনৰ জৰিয়তে— "চিৰচেনেহী মোৰ ভাষা জননী"কো সশ্ৰদ্ধ প্ৰনিপাত জনাইছো। লগতে ১৯৯৩-৯৪ ইং বৰ্ষৰ তৰ্ক বিভাগৰ সম্পাদক পদত মোক মনোনীত কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু সাধাৰণ সম্পাদকৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছো। তাৰ লগে লগে ব্যৰ্থতাওঁ অনুভৱ কৰিছো উক্ত পদটোত প্ৰতিদ্বন্দিতা কৰিবলৈ ছাত্ৰ-ছাত্ৰীৰ মানসিক দুৰ্বলতাৰ বাবে।

গতিকে সময়ৰ লগে লগে বৰ্ত্তমান পৃথিবীত দ্ৰুত পৰিবৰ্ত্তন ঘটিছে। বিভিন্ন মাধ্যম সমূহে ইয়াত মূখ্য ভুমিকা গ্ৰহণ কৰিছে। শব্দব্ৰহ্মৰ যাদুকৰী প্ৰভাৱে সমাজত তোলপাৰ লগাইছে। আমাৰ কণ্ঠতন্ত্ৰীৰে নিৰ্গত হোৱা শব্দ ৰাজিয়ে দুই ওঠৰ পৰশত বিনন্দীয়া ৰূপ ধাৰণ কৰে। বাক শক্তিৰ মূল হৈছে শব্দ শক্তি বা শব্দৰ অমিয়া ঝংকাৰ।

ছাত্ৰ একতা সভাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়েই আমি 'মহাবিদ্যালয় সপ্তাহ' উদ্‌যাপন কৰিবলগীয়া হৈছিলো। তাকৰীয়া সময়ৰ ভিতৰত তৰ্ক বিভাগৰ প্ৰতিযোগিতা সমূহ সুকলমে অনুষ্ঠিত হৈ যায়। মোৰ কাৰ্য্যকালত হৈ যোৱা 'মহাবিদ্যালয় সপ্তাহ' গতানুগতিকতাৰ উৰ্ধত নহয়। পৰৱৰ্ত্তী মহাবিদ্যালয় সপ্তাহ সমূহ উন্নত মানদণ্ডৰে উৰ্ধৰপৰা উৰ্ধতৰলৈ গতি কৰাটো বাঞ্চনীয় প্ৰয়োজনীয়। গতিশীল সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে আমাৰ মহাবিদ্যালয়ৰ 'মহাবিদ্যালয় সপ্তাহ'ৰো পৰিবৰ্ত্তন অৱশ্যম্ভাৱী।

প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা তাকৰীয়া হোৱাটো বৰ পৰিতাপৰ কথা। ইয়ে ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধনত যে প্ৰতিবন্ধকতাৰ সৃষ্টি কৰিছে সেইটো প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে হৃদয়ঙ্গম কৰা দৰকাৰ। ছাত্ৰ সমাজত এনে খবৰ উৎসাহজনক নহয়।

অতি পৰিতাপৰ কথা মোৰ কাৰ্য্যকালত কোনো প্ৰতিযোগিতাত যোগদান কৰিবলৈ সুবিধাকণ নাপালো। প্ৰতিযোগীৰ অভাৱত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত যোগদান কৰিব নোৱাৰিলো।

তৰ্ক, যুক্তি আদি জনসমাজত অতীজৰে পৰা প্ৰচলিত হৈ আহিছে। ইয়াৰ গুৰুত্ব অসীম। এই বিদ্যাত পাৰ্গত তথা বিদ্বানসকলে সমাজৰ অগ্ৰগণ্য। ইয়াৰ প্ৰসাৰ সাধন হোৱাটো মানৱ সমাজৰ বাবে মঙ্গলজনক।

মোৰ বিভাগৰ প্ৰতিযোগিতা সমূহ সুশৃঙ্খলৈকে পৰিচালনা কৰাৰ বাবে মাননীয় শ্ৰীযুত কিশোৰ শৰ্মা, শ্ৰীযুত অনিল মজুমদাৰ আৰু তৰ্ক বিভাগৰ তত্বাবধায়ক মাননীয় শ্ৰীযুত ৰুদ্ৰ কলিতা দেৱলৈ কৃতজ্ঞতা জনাইছো। সদৌ শেষত মোৰ কাৰ্য্যকালত জানি তথা নাজানি কৰা ভুল ত্ৰুটিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰী তথা শিক্ষাগুৰু সকলৰ ওচৰত কৰযোৰে মাৰ্জনা বিচাৰিছো আৰু সদৌটিলৈ কৃতজ্ঞতা জনাইছো, লগতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ উত্তৰোত্তৰ কামনা কৰি মোৰ চমু প্ৰতিবেদনৰ ইতি ৰেখা টানিছো। □

জয়হিন্দ, নিৰ্মল হালৈ মহাবিদ্যালয়।

**শ্ৰীৰঞ্জিত ৰঞ্জন ডেকা,**

সম্পাদক, তৰ্ক বিভাগ।

নিৰ্মল হালৈ মহাবিদ্যালয়

ছাত্ৰ একতা সভা।

## ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন

### ১৯৯৩-৯৪ ইং চন।

প্ৰতিবেদনৰ প্ৰাক্মুহূৰ্ত্তত দেশ আৰু জাতিৰ বিভিন্ন সংকটাপন্ন অৱস্থাত হাঁহি হাঁহি প্ৰাণ উৎসৰ্গা কৰা বীৰ বীৰাঙ্গনা সকলৰ প্ৰতি শ্ৰদ্ধাৰে শিৰ নত কৰিছো, লগতে ১৯৯৩-৯৪ ইং চনৰ ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ পদত মনোনীত কৰাৰ বাবে মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু ছাত্ৰ একতা সভাৰ প্ৰতি কৃতজ্ঞতা জ্ঞাপন কৰিছো।

ছাত্ৰ একতা সভাৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে আমি 'মহাবিদ্যালয় সপ্তাহ' উদযাপন কৰিবলগীয়া হয়। খুব কম দিনৰ ভিতৰত উদয পিত অনুস্থানত মোৰ বিভাগৰ পৰা বিভিন্ন খেল-ধেমালি পতা হয়। ছাত্ৰ জিৰণি কোঠাৰ খেল সমূহত বহু সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে যদিও মহাবিদ্যালয়ৰ ছাত্ৰ সংখ্যা অনুপাতে অংশ গ্ৰহণ কাৰীৰ সংখ্যা কম লগতে খেলবোৰ উচ্চ মানদণ্ডৰ নহয়।

মোৰ কাৰ্যাকালৰ সময়ছোৱাত বিভিন্ন সমস্যা ও অভাৱৰ সন্মুখীন হওঁ। সেইবোৰৰ ভিতৰত ছাত্ৰ জিৰণী কোঠাৰ অভাৱ, বিশুদ্ধ খোৱা পানীৰ অভাৱ জিৰণি কোঠাত আসনৰ অভাৱ, জিৰণী কোঠাত আলোচনী, বাতৰি কাকত আদিৰ উল্লেখ কৰিব পাৰি। মোৰ কাৰ্য্যকালৰ ভিতৰত অধ্যক্ষ মহোদয়ৰ লগত প্ৰত্যক্ষভাৱে আলোচনা কৰি উক্ত অভাৱবোৰ দৃষ্টি গোচৰ কৰাত, তেখেতৰ সহযোগত অস্থায়ী ভাৱে হলেও ছাত্ৰ জিৰণী কোঠা এটি পাও পিছলৈ অৱশ্যে জিৰণী কোঠা স্থায়ী ভাৱেই পাওঁ। জিৰণী কোঠাত আলোচনী, বাতৰি কাকতৰ দুই চাৰিখন ব্যৱস্থা কৰা হয় যদিও ই ছাত্ৰ অনুপাতত যথেষ্ট কম। আশা ৰাখিছো অধ্যক্ষ মহোদয়ে উক্ত অভাৱ সমূহৰ প্ৰতি লক্ষ্য ৰাখি, অভাৱ সমূহ পূৰণৰ ব্যৱস্থা কৰি ছাত্ৰ-সকলৰ উপকাৰ কৰাৰ লগতে মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতিত সহায় কৰিব।

মোৰ কাৰ্য্যকালত কিমানখিনি সফলতা অৰ্জন কৰিলো তাৰ বিচাৰ সমূহ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰসকলৰ ওপৰত এৰি দিলো।

শেষত মোৰ কাৰ্য্যকালত বিভিন্ন দিশত পৰামৰ্শ দি সহায় কৰা শিক্ষাগুৰু মাননীয় শ্ৰীযুত প্ৰবোধ গোস্বামী, তত্বাৱধায়ক শ্ৰীযুত জীতেন ভাগৱতী প্ৰমুখ্যে সমূহ শিক্ষাগুৰুলৈ মোৰ হিয়াভৰা শ্ৰদ্ধা নিবেদন কৰিছো। লগতে যিসকল বন্ধু ছাত্ৰ নহলে হয়তো প্ৰতিটো কামতে উজুটি খালোহেতেন, তেওঁলোকৰ প্ৰতিও মোৰ মৰম ও কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌ শেষত মোৰ কালছোৱাত অজানিতে কৰা ভুল ত্ৰুটিৰ বাবে আটাইৰে ওচৰত ক্ষমা চাইছো লগতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গ সুন্দৰ কামনাৰে মোৰ চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো। □

জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়

ছাত্ৰ একতা সভা।

**শ্ৰীমাধৱ দত্ত,**

সম্পাদক, ছাত্ৰ জিৰণী কোঠা।

৭/১২/৯৪ ইং

## ছাত্ৰী জিৰণী চ'ৰাৰ সম্পাদিকাৰ প্ৰতিবেদন

### ১৯৯৩-৯৪ ইং চন।

প্ৰতিবেদনৰ আৰম্ভনিতে অসম আন্দোলনত মৃত্যু বৰণ কৰা জ্ঞাত-অজ্ঞাত শ্বহীদ সকললৈ মোৰ হিয়াভৰা অশ্ৰু অঞ্জলি নিবেদিছো। লগতে যিসকল ছাত্ৰ-ছাত্ৰীয়ে যোৱা ১৯৯৩-৯৪ ইং চনৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণী চ'ৰাৰ সম্পাদিকা পদত অধিষ্ঠিত কৰি অকৃত্ৰিম ভাৱে সহায় আগবঢ়াইছিল, সেই সকললৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছো।

পূৰ্বৰ বিভাগীয় সম্পাদিকাৰ পৰা কাৰ্য্যভাৰ লোৱাৰ পিছতে মোৰ চালুকীয়া অভিজ্ঞতাৰে চলাবলগীয়া হৈছিল 'মহাবিদ্যালয় সপ্তাহ'। অইন বছৰৰ দৰে এই বছৰো মহাবিদ্যালয় সপ্তাহত মোৰ বিভাগৰ পৰা বিভিন্ন খেল-ধেমালি অনুস্থিত কৰা হয়। ছাত্ৰী জিৰণী চ'ৰাৰ খেল সমূহত বহু সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে যদিও মহাবিদ্যালয়ৰ ছাত্ৰীৰ সংখ্যা অনুপাতে অংশ গ্ৰহণ কাৰীৰ সংখ্যা যথেষ্ট কম। আশা ৰাখিছো আগন্তুক মহাবিদ্যালয় সপ্তাহত প্ৰতি-যোগীৰ সংখ্যা বৃদ্ধি পাব।

আজিৰ বিশ্বৰ বিদ্যালয় মহাবিদ্যালয়কে

ধৰি বিশ্ববিদ্যালয়লৈকে সকলো পৰ্য্যায়ৰ শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰী নিৰ্দ্ধাৰিত অধ্যয়নৰ মাজত বিৰতিৰ সময় খিনিৰ সদ্ ব্যৱহাৰৰ উদ্দেশ্যে সকলো সা-সুবিধাৰে কিম্বা বিজ্ঞানসন্মত জিৰণী চ'ৰাৰ প্ৰয়োজন হৈ পৰিছে। এই জিৰণী চ'ৰা সমূহতেই ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নৰত দিনবোৰৰ অধিকাংশ সময় কটায়। সেয়ে জিৰণী চ'ৰা সমূহ প্ৰতিটো শিক্ষানুস্থানৰ এক অপৰিহাৰ্য্য অংগ হৈ পৰিছে। জিৰণী চ'ৰাৰ যোগেদিয়েই ছাত্ৰ-ছাত্ৰীৰ মাজত বন্ধুত্ব সুদৃঢ় হয় আৰু অনেক সময়ত ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন বিষয়ৰ ওপৰত হোৱা গঠনমূলক আলোচনাৰ যোগেদি জিৰণী চ'ৰা সমূহ হৈ পৰে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ সাধন কেন্দ্ৰ।

আমাৰ নিৰ্মল হালৈ মহাবিদ্যালয় এখন গ্ৰাম্য মহাবিদ্যালয় আৰু ছাত্ৰ-ছাত্ৰীসকলো গাওঁৰেই। কিন্তু দুখৰ বিষয় আজি ১৪/১৫ বছৰ অতিক্ৰম কৰাৰ পিছতো মহাবিদ্যালয়ৰ এটা স্থায়ী আৰু উন্নত জিৰণী চ'ৰা নিৰ্ম্মাণ নহল। গতিকে মহাবিদ্যালয়ৰ ছাত্ৰীসকলৰ বাবে এটা স্থায়ী আৰু উন্নত মানৰ জিৰণী চ'ৰাৰ সোনকালে আৱশ্যক হৈ পৰিছে।

মোৰ কাৰ্য্যকাল ছোৱাত এই বিভাগটো পৰিচালনাৰ ক্ষেত্ৰত কিমানখিনি সেৱা আগবঢ়াব পাৰিছো সেইটো ছাত্ৰীসকলৰ বিচাৰ্য্য লগতে এইটোও উল্লেখ কৰা উচিত হব যে মহাবিদ্যালয়ত বৰ্ত্তমান থকা ছাত্ৰী জিৰণী চ'ৰাৰ সা-সুবিধা আৰু আৰ্থিক দিশটো সীমিত হোৱা বাবে মই বিভাগটিৰ পৰিচালনাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হওঁ। সেয়ে ছাত্ৰী 'জিৰণী চ'ৰা' বিষয়টোৰ প্ৰতি অধিক মনোযোগ দিবলৈ প্ৰতিবেদনৰ যোগেদি মহাবিদ্যালয় কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলো।

শেষত মোৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন দিশৰ পৰা সহায় আৰু দিহা পৰামৰ্শ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সন্মানীয়া তত্বাৱধায়িকা শ্ৰীজুনু কলিতালৈ মোৰ হিয়াভৰা শ্ৰদ্ধা নিবেদন কৰিছো। লগতে যিসকল ছাত্ৰীৰ পৰা সেই একে ধৰণৰ সহায় আগবঢ়াইছে তেওঁলোকলৈও মোৰ মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো।

সদৌশেষত মোৰ কাৰ্য্যকাল ছোৱাত নাজানি কৰা ভুল ক্ৰুটিৰ বাবে ক্ষমা বিচাৰি ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলো।

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়।

*মিচ্ বীণাপাণি কলিতা,*

সম্পাদিকা, ছাত্ৰী জিৰণী চ'ৰা।

১০/১২/৯৪ ইং



## লঘু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

## ১৯৯৩-৯৪ ইং চন।

প্ৰতিবেদনৰ আৰম্ভনিতে নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ১৯৯৩-৯৪ ইং চনৰ লঘু খেল বিভাগৰ সম্পাকৰ দায়িত্ব ভাৰ দি এই বৃহৎ আৰু মহান অনুস্থানটিৰ সেৱা কৰাৰ সুবিধাকণ দিয়া সমুহ ছাত্ৰ ছাত্ৰী আৰু শিক্ষাগুৰু সকললৈ মোৰ হিয়াভৰা ওলগ যাচিছো। অপৰিপক্ক জ্ঞানেৰে মোৰ কাৰ্য্যকাল কিমান দূৰ সফলতাৰে সম্পন্ন কৰিব পাৰিছো সেয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে বিচাৰ কৰিব।

খেল-ধেমালিয়ে মানুহৰ মাজত একতা আৰু ভাতৃত্বৰ ভাব জগাই তোলে, ঠিক তেনেদৰে ই শাৰীৰিক আৰু মানসিক উৎকৰ্ষ সাধনতো সহায় কৰে। আনহাতে খেল-ধেমালিক শিক্ষাৰ এক অবিচ্ছেদ্য অংগ বুলি ধৰা হয়। এই দিশৰ প্ৰতি লক্ষ্য ৰাখিয়েই মহাবিদ্যালয়ত 'মহাবিদ্যালয় সপ্তাহ' পালন কৰা হয়। সেয়ে আমাক কাৰ্য্যভাৰ দিয়াৰ কিছুদিন পিচতে আমাৰ মহাবিদ্যালয়তো 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয় সপ্তাহত নানা ধৰণৰ প্ৰতিযোগিতা অনুস্থিত হয়। উক্ত প্ৰতিযোগিতাত উন্নত মানদণ্ডৰ খেল প্ৰতিযোগীসকলে প্ৰদৰ্শন কৰিব পৰা নাই যদিও খেলত প্ৰতিযোগীৰ আগ্ৰহ যথেষ্ট পৰিলক্ষিত হয়। উক্ত দিশৰ ওপৰত ভিত্তি কৰিয়ে ভৱিষ্যতে যে উন্নত মানদণ্ডৰ খেল প্ৰদৰ্শন কৰিব পাৰিব তাক আশা কৰিব পৰা যায়।

মোৰ কাৰ্য্যকাল ছোৱাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৺কৃষ্ণকান্ত সন্দিকৈ সোঁৱৰণী দিবা নৈশ আন্তঃ মহাবিদ্যালয় ভলীবল প্ৰতিযোগিতা অনুস্থিত হয়। এই প্ৰতিযোগিতাত আমি অংশ গ্ৰহণ কৰি এক আশানুৰূপ ফল দেখুৱাব পাৰিছিলো। প্ৰতিযোগিতাৰ প্ৰথম ৰাউণ্ডত আমি গোৱালপাৰা মহাবিদ্যালয়ক ১৫ ৩, ১৫-৭ পইণ্টৰ ব্যৱধানত পৰাজিত কৰিছিলো। দ্বিতীয় ৰাউণ্ডত আমি শৰাইঘাট মহাবিদ্যালয়ৰ হাতত ১৫-১৩, ১৫-১১ পইন্টৰ ব্যৱধানত পৰাজিত হওঁ।

মহাবিদ্যালয়খনৰ এশ একুৰি সমস্যা আজিও দূৰীভূত হোৱা নাই। খেলৰ বাবে নুন্যতম সা-সুবিধাকণো বিশেষকৈ 'খেল পথাৰ'ৰ সমস্যা দূৰ হোৱা নাই।

মোৰ কাৰ্য্যকাল ছোৱাৰ ভিতৰত বিভিন্ন দিশত সু-পৰামৰ্শ দি মোৰ কৰনীয়খিনি সুচাৰুৰূপে পৰিচালনা কৰাত সহায় কৰা বাবে তত্বাৱধায়ক মাননীয় শিক্ষাগুৰু শ্ৰীযুত মনোজ শৰ্মা আৰু প্ৰবোধ গোস্বামী দেৱলৈ মোৰ শ্ৰদ্ধা নিবেদিছো লগতে অন্যান্য বিষয়ত সহায় কৰা সমুহ শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীসকললৈ এই ছেগতে কৃতজ্ঞতা জনাইছো।

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়,

***শ্ৰীভূপেন বৰুৱা,***

সম্পাদক, লঘু খেল বিভাগ।

## ছাত্ৰ একতা সভাৰ সহকাৰী সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

১৯৯৩-৯৪ ইং চন।

প্ৰতিবেদনৰ আৰম্ভনিতে যিসকল জাতীয় শ্বহীদে অসম মাতৃৰ অস্তিত্ব ৰক্ষা সংগ্ৰামত জনগণৰ পক্ষত থাকি নিজৰ তেজেৰে মাতৃৰ চৰণ ধুৱাই দিলে সেইসকল বীৰলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰিছো লগতে যিসকলে চিৰদিনৰ বাবে পংগু জীৱন যাপন কৰিছে আৰু চিকিৎসাধীন হৈ আছে তেখেত সকললৈ সংগ্ৰামী অভিনন্দন তথা আশু আৰোগ্য কামনা কৰিছো।

**অভিনন্দন ঃ** নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱীলৈ তেওঁলোকৰ শৈক্ষিক জীৱন সাফল্যমণ্ডিত হোৱাৰ কামনাৰে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিলো। আপোনাসৱৰ সহায় সহযোগেৰে তথা উদ্দীপনাৰে মোক সহকাৰী সাধাৰণ সম্পাদক পদত অধিষ্ঠিত হোৱাত সমল যোগালে তাৰ বাবে চিৰকৃতজ্ঞ হৈ ৰম।

**বিগত কাৰ্য্যকাল ঃ** ১৯৯৩-৯৪ ইং চনৰ কাৰ্য্যভাৰ গ্ৰহণ কৰি 'মহাবিদ্যালয় সপ্তাহ' অনুষ্ঠিত কৰা হয়। সম্পূৰ্ণ প্ৰতিযোগিতাৰ মনোভাৱেৰে লগতে সহায়-সহযোগিতাৰ মাজেৰে 'মহাবিদ্যালয় সপ্তাহ' সামৰণি পৰে। বিগত 'মহাবিদ্যালয় সপ্তাহ' পালন কৰি, দুটা দিশত বাৰুকৈয়ে অভাৱ অনুভৱ কৰো। প্ৰথমটো হল মহাবিদ্যালয়খনৰ এতিয়ালৈ এখন স্থায়ী খেল-পথাৰ নাই। দ্বিতীয়টো সাংস্কৃতিক শিতানটোৰ প্ৰতিযোগীৰ অভাৱ। বিশেষকৈ নাট প্ৰতিযোগিতাৰ ক্ষেত্ৰত। 'মহাবিদ্যালয় সপ্তাহ'ৰ শেষদিনা মুকলি অধিবেশন পতা হয়। মোৰ কাৰ্য্যকাল ছোৱাটো পূৰ্বৰ পৰম্পৰা অনুযায়ী নৱাগত সকলক আদৰণি জনোৱা হয় লগতে এই কাৰ্য্যকালতে স্থায়ী তোঁৰণ, ছাত্ৰ-ছাত্ৰী জিৰণী চৰা, আৰু ছাত্ৰ-ছাত্ৰীৰ চাইকেল ষ্টেণ্ডটো নিৰ্মাণ কৰা হয়।

**মহবিদ্যালয়ৰ অভাৱ অভিযোগ সমূহ ঃ** এইটো স্বীকাৰ্য যে পূৰ্ণাঙ্গৰূপ নোপোৱা মহাবিদ্যালয় এখন নানা সমস্যাৰে জৰ্জৰিত হৈ আছিছে যদিও প্ৰয়োজনীয় খিনিৰ বাবে ছাত্ৰ একতা সভাৰ জৰিয়তে কৰ্তৃপক্ষৰ ওচৰত আমি দাবী জনাই আছিছো। বৰ্ত্তমান আমাৰ অতি প্ৰয়োজনীয় 'খেল পথাৰ'খন অতি সোনকালে নিৰ্মাণ কৰি ছাত্ৰ-ছাত্ৰীক খেলৰ জৰিয়তে শাৰিৰীক ও মানসিক উৎকৰ্ষ সাধনত সহায় কৰিব বুলি কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলো।

**কৃতজ্ঞতা স্বীকাৰ ঃ** মোৰ কাৰ্য্যকাল ছোৱাত নানা দিহা-পৰামৰ্শ দি সহায়-সহযোগ আগবঢ়োৱা অধ্যক্ষ মহাদয়, শিক্ষাগুৰুসকল আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ কৃতজ্ঞা জ্ঞাপন কৰিছো।

**সামৰণি ঃ** মোৰ কাৰ্য্যকাল ছোৱাত জানি-নাজানি কৰা ভুলৰ বাবে সমূহ শিক্ষাগুৰু লগতে ছাত্ৰ ছাত্ৰীৰ ওচৰত ক্ষমা-ভিক্ষা মাগিছো। □

'জয়তু নিৰ্মল হালৈ মহাবিদ্যালয়'

শ্ৰীউৎসৱ ৰয়,
সহকাৰী সাধাৰণ সম্পাদক।



সম্পাদনা সমিতি — ১৯৯৩-৯৪



বহি, বাওঁফালৰ পৰা ঃ অধ্যাপক, নিৰ্মল শইকীয়া (সদস্য); অধ্যাপক, কমু কলিতা (সদস্য); অধ্যক্ষ, ড° ৰমেশচন্দ্ৰ শৰ্মা (সভাপতি)
অধ্যাপক, অনিল মজুমদাৰ (তত্বাৱধায়ক); অধ্যাপক, প্ৰেমৰ দাস (সদস্য)
থিয়, বাওঁফালৰ পৰা ঃ বিকাশ তালুকদাৰ (সদস্য); চুমন তালুকদাৰ (সদস্য); নয়ন কুমাৰ মেধি (সম্পাদক)

ENGLISH SECTION

# Present day College Administration

Dr. R. C. Sarma,
Principal.

*Introduction* :— College administration is a part and parcel of educational administration. It deals with all matters relating to an Academic and also, Administrative functions, such as finance, budget, planning, organisation, management, construction etc. Organisation is a machine and administration runs it. Threfore, organisation comes before an administration. Educational administration comes from the pre-primary to elementary, vocational, technical, medical, secondary and university stages of education. The academic sides of these institutions are controlled by the respective Board, Councils and Universities under which the institutions are affiliated. The finance, appointments etc. are directly or indirectly controlled by the state machinery or indirectly controlled by the state machinery of educational Secretariat, the respective Directorates and lower departments of District and subdivisional level.

*Present Position* :— There are two types of colleges in Assam ; one is purely run by the Government and the other runs under the deficit grants in-aid system. The administration of the first category is directly run by the Governmeat as per rules and regulation and the second category governed as per "Assam Aided College Management Rules, 1965" and amendment up to date." Besides a good number of non deficit degree and junior colleges have been set up under private or public organisation in different areas of Assam. At present there are 156 degree colleges and 3 Government Colleges in Assam which are imparting instruction of Arts, science and commerce faculties. We are going to leave all these Institutions which are imparting instruction to those faculties like Law, Medicine, Ayurvedic, Engineering, Veterinory science and Teachers' Training etc. We will discuss mostly to those colleges which are run under the deficit grant in-aid and non deficit Adhoc grant in-aid system.

*Contribution towards Education* :—
Colleges are the only means for providing higher education to the young generation. Though education, to its future citizen is the state's responsibility, but the

history of growth and development of collegiate education in Assam reveals that the Government has not put any significant role for setting up colleges in the state. An initiation comes from the public set-up institution according to the need and requirement of a particular area. The Government has no control over the matter, no strict policy maintained on it, and as a result, haphazardly starting of higher educational institutions creates innumberable problems to its sponsoring Body, Affiliating Body and also the Government. From setting up all these institutions without academic planning, the higher education becomes an easy reaching, over crowded enrollment, low percentage of pass and the standard of education become lower to the worst level. The adverse effect have to tolerate by the family, the society, the state and ultimately the nation as a whole.

*Rural Urban differences* :— Colleges are set up both in rural, semi urban and urban areas. The syllabi are same, courses are same, but facilities and academic environment are different. Colleges which are situated in cities, big towns and small towns are getting more facilities than those of colleges situated in rural areas. Not to speak of non-deficit grants in aid system of colleges, but even in some deficit grants in-aid colleges which are not financially sound or has no source of income of their own are to suffer badly. Problems of accomodation, problems of qualified teachers, maintainence of library and other recreational facilities, water supply, sanitations etc. have been growing. No grade I and grade II students have been admitted. Most of the enrolments are from the 3rd grade and compartmental pass students. Therefore, a vast difference lies in educational process in between rural and urban areas. Teachers who have a fine career are not willing to stay in the villages due to various problems.

*System of Administration* :— College administration can be determined as four polled system i.e. (1) Academic Administration, 2) Financial Administration, (3) Personnel Administration and (4) General Administration.

Academic sides are directly controlled by the Universities as per calender, rules and regulations, notifications and orders issued from time to time. The financial and personnel sides are directly controlled by the Director of Higher Education. The general administration are run by the Principal as per direction of the G. B. As per Assam Aided College Management Rules 1965 in every deficit and Adhoc grants in-aid system of Colleges a fourteen members Governing Body is constituted by the Director of Higher Education. The G. B. of college is the sole authority for management of the college. Though the G. B. of the College is empowered as head of



College management, but the Principal is the key person to run the over all administrative machinery of the College.

*Six sharp swords* :— Present day College administration is not an easy task. The position of a Principal is so detrimental that he has to stand upon six sharp swords i.e (1) The Government, (2) The University, (3) The G. B. of the College, 4) The staff working under him, 5) The students and 6) General public. If any slight-slip occurs, he have to injure badly. It is not an easy task to satisfy each and every quarter equally. But the Principal have to maintain the pariety of all section of people each and every departments. Therefore, he has to step on very cautiously prepared himself to be cut proof. Even if he has to jump or to dance or to walk on all over the six sharp swords. If needed he have to wear a mask or to wear a metal shoes. Therefore, all above he has to struggle for his own existance in the midst of six sharp swords and very often have to leave from constructive or ideal thinking.

*The Government* :— We have discussed already that the Director of Higher Education has controlled the finance and accounts, sanction of different grants, approve appointments, inspection from time to time for development etc, The Government have to accord concurrence as per rule for permission of a new College to start classes, to introduction of a new subject and maintainance and utilisation of different grants for the purpose which it is meant. The delay in process, unequal distribution of grants, serve notice or issuing orders without proper judgement of local condition, overlooking the practical difficulties, urging same information in the same subject by the different offices (such as Jt. Director, Astt. Director of planning, Deputy Director, Research officer, Astt. Research Officer ) creates problems to the administration, and the college have no alternative except to follow it.

*The University* :— Academic side that is condcuting of internal and external Examination, period of instruction, qalification of the teacher, college function, affiliations for permission of new subject, permanent and temporary affiliation, preparation of syllabus, enrollment of the students etc are directly controlled by the University. The university also issues notices and circular very often without considening the local conditions and practical life which the college have to follow. In the same occasion statements of different informa-tion have to submit which creates problems to an administration. The unnecessary delay in the processing works will create harassment to an administration. The University also stands as a barrier in getting U. G. C. grants for which a college have to get permanent affiliation after 10 (ten)

years of temporary affiliation. The University cannot help colleges financially. Is there any justification to deprive the colleges for getting U. G. C. grants in the name of permanent affiliation? What is the haram if the duration reduced to five years or less? The University should take bold step to it for the greater academic interest of the state.

*The Governing Body* :— In a deficit grant in aid system of colleges, the Principal is the secretary of the G. B. In an adhoc stage an outsider may be appointed as secretary of the G. B. and the Principal act as joint secretary, and other thirteen members. The G. B. is the supreme authority in management of the college. But the Principal has to conduct and to take follow up action in practice in all the matters. If the relationship of the G. B. and the principal is not congenial the college will suffer badly. Therefore, the G. B. may be given free hand to the Principal in the developmental works and any other relevant matters.

*The Staff* :— There are teaching and non teaching staff in the college, and both of these categories there are seperate unit of their own. The Principal is neither a member of these units. He is alone and remains as alone. In the present time it is a bit difficult to control the teachers of the same qualification. Most of these teachers are politically motivated, less emphasis have been given for attending classes and other academic activities. It seems that most of the teachers have become a tendency to overlook on to keep abiance from the real problems of the college and blindly criticise.

*The Students* :— Teachers students relationship in the present era creates a gloomy atmosphere in the field of education. Almost in every college there are several groups like AASU, Juva Chatra Parisad, S F I. F. B, S. U. etc. Above all there is a college union body. But in the practical affairs the normal academic atmosphere of a College have been hampered to a great extent. Students in the class and the outside, students in the examination hall are becoming an unhappy state of affairs. Most of the students lest their self faith and self respect upon themselves, respect for elders. Juvelian delinquency, student unrestness prevail in the society and for the happenings one of the prime causes may be regarded as lack of educational planning and teaching is not job oriented. Therefore, the new generation fears to be deprived and depression comes to their lives and they become unrully, ill-behaved, ill mannered and ultimately becomes violent and choose the path of aggravation and this creates tremendous problems to the college administration.

*The General Public* :—Due to change in society, the common people become very much cautious today. But the thinking of the people residing in the cities and towns are different than that of the people residing in the rural areas. Colleges in the small towns and rural areas all the matters centre round the colleges. In the panshop, tea stall, and in chawk the matter of discussion, criticism, ugly remarks etc. are center round the colleges, as if they have nothing to be discussed except the college. Our experience shows that there are some people who are going on criticising in every steps taken by the authority of the college. No constructive thinking or ideals remain there. Such kind of cheap thinking or criticising or passing remarks do more harm to the institution and creates problems to an administration.

*Conclusion* :— From the above discussion it may be ascertained that the Principal of a College is directly involved in an administration. The character, personality perseverance and sacrifices of a Principal depends mostly for the growth and development and to earn fame and name of a college. We may cite some examples of Principals: Late Giridhar Sarma, Arjyavidyapith College, Late Principal Tirtha Nath Sarma of Pragjyotish College, Principal Bipinpal Das of Darrang College, Principal Mahesh Goswami of Nowgong College, Principal Satya Das, B. H. College, Principal Rajen Sarma, Bajali College etc. who gave a fine shape of these colleges. This happened not because of their strong personality, but because of their progressive ideas, perseverance and free style hand to execute the works by the College G. B. Unless the G. B. extend full power of free hand the Principal cannot work fully by applying his mind, heart and soul. In that case G. B's observance is necessary, but if hindrances and unnecessary harassment comes from different angles and quarters the Principal may be depressed and may not serve the institution to the extent of his capacity and count the days for his retirement by sitting idly. A congenial and cordial relationship must be necessary in between the students, teachers, G. B, the Government and the Universities for creating healthy and wealthy academic atmosphere of a college. □

# Religion— its proper role today

Manik Das
Lect. Deptt. of Philosophy

The term religion has been derived from the word 'religere' which signifies bond. Etymologically, therefore, religion means a bond which unites the human life as well as the social life. We find different definitions of religion. But whatever may be the value of those definitions, "social philosophy attaches importance to that aspect of religion which is absolute devotion to what is recognised as highest and most valuable," From the stand point of social philosophy, religion should be regarded as the "spirit of devotion to the perfection of human life." Dr. S. Radhakrishnan has rightly observed that the search of the mind for beauty, goodness and truth is the search for God. The writers on 'Dharmasastra' means by dharma (religion) not a creed or religion, but a mode of life or a code of conduct, which regulated a man's work and activities as a member of society and as an individual and was intended to bring about the gradual development of a man and to enable him to reach what was deemed to be the goal of human existence.

Religion excercised an important influence on the lives of men in primitive societies. But in the present society the influence of religion appears to have diminished to a great extent. Religion seems to have practically no hold over the life of the members of the modern society. We are living in a society which has been moulded to a new outlook due to the progress of science and industries. Industrial revolution has revolutionised the thoughts and ideas of modern men. Men are led to think of religion not so much as cohesive force but as the source of conflicts and disruptions. Many a social evil has been considered to be the outcome of religion. Religion has, therefore been considered a superfluity, both in the life of individual and in that of society. The allegiance to religion is to be served if we want to usher in this world a society based on universal brotherhood.

This attitude towards religion springs from our ignorance of the real nature of religion. This misconception is due to the indentification of the ceremonies, formatilies and dogmas with religion. The religious cults that we find in the modern world have many elements of superstition, dogmatism, fanaticism, conservatism, hypocrisy and so on. The religious codes are above criticism and they demand unconditional submission on the part of the individuals. Thus religious institutions have been found to be opposed to the forces working for the development of the society. Therefore, the thoughtful persons have been disgusted with the authoritarian and conservative role of the religious institutions and consequently been losing faith in religion. Decadence of religion has been made more so by the rapid advancement of modern science and growing influence of "Humanism".

Though we see many forces acting against religion, but we believe that the present world needs religion. Science and religion are not opposed to each other. Religion is necessary if the scientist is to undestand more perfectly the nature of man and his universe. There is also no opposition beetween humanism and religion. Mere service to humanity and society is not enough. The necessity of morality, sociality and also humanism cannot be accounted for without any reference to a divine power pervading the whole universe.

If religion is to retain its position of glory in the modern world, it will have to keep above communalism and intolerance of other faiths. Eevry religion has ritualistic aspect as well as an ethical aspect. Every religion contains in it the germ of unity and brotherhood which is badly needed by the modern world. Our eyes have become dazzled by the material progress of the society. We have material comforts, but real peace of mind has not yet been found. Today every country is vying with other countries in the production of material wealth and destructive weapons. We see the competition in the production of deadly weapons which can lead the universe to a total destruction. This has brought the modern world on the verge of total destruction. This strife-torn world can be saved only by a religious consciousness. The basis of this religion will be service, brotherhood and love. We must educate men into the nature and responsibility of human brotherhood. It is an education of the heart and the imagination more than that of the intellect. We must cultivate democracy as a state of mind, a style of life. A world brotherhood can be born only by the achievement of community within ourselves. And this is the task of religion. A universal religion is necessary to keep peace and harmony among the different religious groups and institutions. In this age of danger only world brotherhood can save the humanity from total destruction. The task of religion will be to generate this man-to-men feeling and world brotherhood among the men of the world. The decline of religion in modern times should be regarded as the supreme danger to the spiritual, social health and even to the material existence of our society. □

## ॥ সাক্ষাৎকাৰ ॥

গ্ৰহণকাৰী—অচিন্ত কুমাৰ দাস
স্নাতক দ্বিতীয় বৰ্ষ।

[ বৰ্ত্তমান অসমত প্ৰবৰ্ত্তন কৰা শিক্ষা-নীতিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ আসোৱাহ আৰু আলোড়নৰ সৃষ্টি কৰি অহা কিছুমান প্ৰশ্নৰ উত্তৰ বিচাৰি আমি আমাৰ নিৰ্মল হালৈ মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় ডº ৰমেশ চন্দ্ৰ শৰ্ম্মাদেৱৰ ওচৰ চাপিছিলো। সাক্ষাৎ গ্ৰহণকাৰী হিচাপে তলত উল্লেখ কৰা প্ৰশ্ন কেইটা কৰিছিলো। অতি ব্যস্ততাৰ মাজতো ডº শৰ্মাদেৱে আমাৰ প্ৰশ্নবোৰৰ উত্তৰ অতি সংক্ষেপতে দিলে। তলত সেই প্ৰশ্ন আৰু উত্তৰখিনি প্ৰকাশ কৰা হল। ]

১নং প্ৰশ্ন :— প্ৰথমতে আমি আপোনাৰ চাকৰি নাইবা কৰ্ম জীৱন সম্পৰ্কে দুআষাৰ জানিবলৈ বিচাৰিছো, জনাবনে ?

উত্তৰ :— মোৰ কৰ্মজীৱন অতি কণ্টকময় আৰু পংকিলতাৰে পৰিপূৰ্ণ। চাকৰি জীৱনৰ প্ৰায় শেষ পৰ্য্যায়লৈ মই অহৰহ ভাগ্যৰ বিৰুদ্ধে যুদ্ধ দি আহিছো। ১৯৫৮ চনত মেট্ৰিক পৰীক্ষা দি চাকৰিৰ সন্ধানত গুৱাহাটীলৈ যাওঁ আৰু গুৱাহাটীত কতো থকাৰ সুবিধা কৰিব নোৱাৰি টঙ্গাৰকুৰ (পাটাছাৰকুছি) নিবাসী উত্তৰ গুৱাহাটীৰ অশ্বক্লান্ত দেৱালয়ৰ এতিয়াৰ দলৈ শ্ৰীকীৰ্ত্তি নাথ শৰ্মাৰ লগত থাকিবলৈ লওঁ। তেখেতৰ ভাত ৰন্ধা, বজাৰ কৰা আদি যাবতীয় কামকাজ কৰো আৰু তেখেতে অনুগ্ৰহ কৰি মোক দুবেলা দুমুঠি ভাতৰ যোগান ধৰে আৰু দৈনন্দিন খৰচৰ কাৰণে মাহিলী ১০ টকাকৈ সপ্তম আৰু অষ্টম মানৰ দুজন ছাত্ৰক পঢ়োৱাৰ ব্যৱস্থা কৰি দিয়ে। এনেকৈ তিনিমাহ যোৱাৰ পাছত পৰীক্ষাৰ খবৰ ওলায় আৰু মই তৃতীয় বিভাগত পাছ কৰো। তেতিয়াৰ Agricultural Engineer শ্ৰীযুত হৰিনাথ ভট্টাচাৰ্য্যই মোক কৃষি বিভাগত গুৱাহাটীত নিম্নবৰ্গৰ কাৰ্য্যালয় সহায়ক হিচাপে চাকৰি এটা দিয়ে। তিনিমাহ কাম কৰাৰ পিছত কৃষি বিভাগটো চাৰিটা মণ্ডলত (Zone) ভাগ হয় আৰু মোক যোৰহাট মণ্ডললৈ (Zone) বদলি কৰে। যোৰহাটত তিনিমাহ কাম কৰি মই উক্ত পদ ইস্তফা দিও আৰু বজালী মহাবিদ্যালয়ত I. A. ৰ প্ৰথম ছৰত নাম ভৰ্ত্তি কৰো। I. A পঢ়া প্ৰায় দুবছৰ মই পাঠশালা মুগুৰীয়া নিবাসী শ্ৰীকৃষ্ণ বল্লভ শৰ্মাৰ ঘৰত থাকো আৰু তেখেতে মোৰ সকলো খোৱা বোৱাৰ সকলো সুবিধা প্ৰদান কৰে। ১৯৬০ চনত বজালী মহাবিদ্যালয়ৰ পৰা মই I. A. পাছ কৰো। পুনৰায় ১৯৬০ চনত চাকৰি সন্ধানত গুৱাহাটীলৈ যাওঁ আৰু B. Barooah মহাবিদ্যালয়ত ৰাতিপুৱাৰ শাখাত B. A. ত নাম ভৰ্ত্তি কৰো আৰু ১৯৬২ চনত উক্ত মহাবিদ্যালয়ৰ পৰা B. A. পাছ কৰো। ১৯৬০-৬১ দুবছৰ অশেষ চেষ্টা কৰি কতো চাকৰি যোগাৰ কৰিব নোৱাৰিলো। শেষত মেচত থাকি টিউচন কৰি অতি কষ্ট আৰু অহৰহ চেষ্টাৰ ফলত মই ১৯৬২ চনত B.A. পাছ কৰিবলৈ সফল হওঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ তেতিয়াৰ কোষাধ্যক্ষ (Treasurer) শ্ৰীযুত কৈলাশ চন্দ্ৰ ভট্টাচাৰ্য্যই মোক বিশ্ববিদ্যালয়ৰ হিচাপ শাখাত নিম্নবৰ্গৰ সহায়কৰ চাকৰি এটা দিয়ে আৰু ১৯৬২ চনৰ পৰা ১৯৭২ চনৰ জুন মাহলৈ উক্ত পদত ১১ বছৰ কাম কৰো। উক্ত সময় ছোৱাত University Law College ত নাম ভৰ্ত্তি কৰো আৰু Private পৰীক্ষাৰ্থী হিচাপে অসমীয়া বিভাগত M. A. দিওঁ। ১৯৬৩ আৰু ১৯৬৫ চনত দুবাৰ অসমীয়া বিভাগত চুড়ান্ত পৰীক্ষা দিওঁ উত্তীৰ্ণ হব নোৱাৰাত আইন বিভাগৰ তৃতীয় বৰ্ষৰ পাঠ্যক্ৰম শেষ কৰিও মনৰ বেজাৰত পৰীক্ষাত নবহিলো আৰু পঢ়াৰ সকলো আশা বাদ দি অকল চাকৰিত মনোনিবেশ কৰিব লওঁ। এনেকৈ প্ৰায় ৭ বছৰ ১৯৭১ চনলৈ পঢ়া শুনা সকলো বাদ দিওঁ আৰু বিশ্ববিদ্যালয়ত জীৱনৰ শেষলৈকে চাকৰি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰো।

গুৱাহাটী বিশ্ববিদ্যালয়ত তেতিয়া নতুনকৈ Library Science বা গ্ৰন্থাগাৰ বিজ্ঞান বিষয়ৰ পাঠদান আৰম্ভ হৈছিল। সেই সময়ৰ Account Officer শ্ৰীসৰ্বেশ্বৰ পাটোৱাৰীদেৱে মোক Library Science ৰ স্নাতক শ্ৰেণীত নাম ভৰ্ত্তি কৰিবলৈ বাধ্য কৰাই, আনকি Admission ৰ টকা পৰ্য্যন্ত তেখেতে ব্যৱস্থা কৰি দিয়ে। ১৯৭১ চনত মই গ্ৰন্থাগাৰ বিজ্ঞানৰ স্নাতক ডিগ্ৰী লাভ কৰো। তেতিয়া মনত আশাৰ বেঙনি সঞ্চাৰ হোৱাত পঢ়াৰ প্ৰতি মোৰ পুনৰ ধাউতি জাগে। ১৯৭২ চনত বাণীকান্ত কাকতি মহাবিদ্যালয়ৰ পৰা B. T. পাছ কৰো। ১৯৭২ চনৰ জুলাই মাহত মই টিহু মহাবিদ্যালয়ত গ্ৰন্থাগাৰিক হিচাপে চাকৰি পাওঁ আৰু সেই চাকৰিত ১৯৯১ চনৰ নবেম্বৰ মাহলৈ থাকো প্ৰায় ১৯ বছৰ কাল। ইয়াৰ ভিতৰত ১৯৯০ চনৰ পৰা ১৯৯৩ চনলৈ ৪ বছৰ কাল অসম মহাবিদ্যালয় গ্ৰন্থাগাৰিক সন্থাৰ সাধাৰণ সম্পাদক হিচাপে কাৰ্য্য নিৰ্বাহ কৰো। ইয়াৰ মাজতে ১৯৮৪ চনত ৰাজনীতি বিজ্ঞান বিষয়ত Private পৰীক্ষাৰ্থী হিচাপে M. A. পৰীক্ষা দি শতকৰা ৫৯ ভাগ নম্বৰ পাই দ্বিতীয় বিভাগত দ্বিতীয় স্থান লাভ কৰো। উক্ত কাল ছোৱাত মই টিহু মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগত অংশকালীন প্ৰবক্তা হিচাপে ৩ বছৰ কাম কৰো। এই একে সময়তে ৰঙিয়া শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ত অংশকালীন প্ৰবক্তা হিচাপে ৪ বছৰ কাম কৰো। ১৯৯১ চনৰ ৩১ নবেম্বৰ তাৰিখে মই পাটাছাৰকুছি নিৰ্মল হালৈ মহাবিদ্যালয়ত অধ্যক্ষ হিচাপে আৰু বজালী শিক্ষক প্ৰশিক্ষণ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক সম্পাদক তথা অংশকালীন অধ্যক্ষ হিচাপে কাৰ্য্যনিৰ্ব্বাহ কৰো। ১৯৮৮ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ মহান মনিষী বিশ্ববিদ্যালয় অনুদান আয়োগৰ (U. G. C) সন্মানিত অধ্যাপক ড' ভি ভেনকট ৰাও দেৱৰ তত্বাৱধানত গৱেষণা আৰম্ভ কৰো আৰু ১৯৯০

চনত মোৰ গৱেষণা গ্ৰন্থ 'অসমৰ গ্ৰন্থাগাৰ প্ৰশাসন'ৰ (Library Administration in Assam) ওপৰত গুৱাহাটী বিশ্ববিদ্যালয়ে ডক্তৰেট (Ph. D.) ডিগ্ৰী প্ৰদান কৰে। উচ্চ শিক্ষাৰ সঞ্চালকে যোৱা ডিচেম্বৰ মাহত মোক নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সম্পাদক হিচাপে মনোনীত কৰে। বৰ্ত্তমান ছয়োখন মহাবিদ্যালয়ৰে সম্পাদক তথা অধ্যক্ষ হিচাপে কাৰ্য্য নিৰ্ব্বাহ কৰি আছো।

গতিকে মই বিভিন্ন দিশত আৰু বিভিন্ন সদাশয় ব্যক্তি আৰু ৰাইজৰ পৰা পোৱা আকুণ্ঠ মৰম আশীৰ্বাদ আৰু মোৰ ওপৰত থকা বিশ্বাসৰ বলতেই বৰ্ত্তমান এই অৱস্থাত অৱতীৰ্ণ হৈছোহি। মোৰ কৰ্মত অটল বিশ্বাস আছে। যদি উদ্দেশ্য মহৎ আৰু সৎ হয় তেতিয়া কোনো বাধা নিষেধে মানুহক টলাব নোৱাৰে। টকা পইছাৰ ওপৰত মই আজিলৈ কোনো গুৰুত্ব দিয়া নাই। আজি চাকৰি কালৰ শেষ পৰ্য্যায়লৈ চাই চাকৰি কালৰ কোনো লাভা লাভ লক্ষ্য নকৰি নিজকে প্ৰতিস্থাৰ কাৰণে কাম কৰি গৈ আছো। মই যিখিনি হেৰুৱাইছো তাতকৈ মই যথেষ্ট বেছি লাভ কৰিছো। গতিকে গতিকে সকলো ভগৱানৰ আশীৰ্বাদ হিচাপে গ্ৰহণ কৰিছো আৰু ভৱিষ্যতে গ্ৰহণ কৰাৰ আশা ৰাখিছো।

২ নং প্ৰশ্ন :—অসমত নতুনকৈ প্ৰবৰ্ত্তন কৰিবলৈ বিচৰা বহু বিতৰ্কিত নতুন শিক্ষা নীতিয়ে জনসাধাৰণৰ মনত শংকা উদয় কৰিব পৰা কিবা কাৰণ আছে নেকি ?

উত্তৰ :— মোৰ বোধেৰে নতুনকৈ প্ৰবৰ্ত্তন কৰা শিক্ষানীতি এক ভেকোভাওঁনাহে মাত্ৰ। পুৰণি মদ নতুন বটল। বৰ্ত্তমানৰ এই শিক্ষা নীতিয়ে নিবনুৱা সমস্যা বৃদ্ধিহে কৰিছে আৰু ভৱিষ্যৎ গঢ়াৰ যি বাস্তৱ সপোন সি তেনেই অনিশ্চয়তাৰ মাজত। গতিকে জনসাধাৰণৰ মনত শংকা উদয় হোৱাটো নিতান্তই স্বাভাবিক।

৩নং প্ৰশ্ন :—বৰ্ত্তমান পৰীক্ষা পদ্ধতি সংস্কাৰ কৰাৰ বাবে কেনে ব্যৱস্থা আটাইতকৈ বেছি কাৰ্য্যকৰী হব বুলি আপুনি ভাবে ?

উত্তৰ :—এইটো এটা জটিল প্ৰশ্ন। আমাৰ নিচিনা সাধাৰণ ব্যক্তিৰ পক্ষে থোৱতে উত্তৰ দিয়া সম্ভৱ নহয়। কাৰণ মহান শিক্ষাবিদ্ বা বিভিন্ন শিক্ষা আয়োগৰ পৰামৰ্শৰ ভিত্তিত চৰকাৰ আৰু বিশ্ববিদ্যালয় সমূহে সেই নীতি সুগম কৰে। তথাপি অভিজ্ঞতাৰ ভিত্তিত কব পৰা যায় যে পৰীক্ষা পদ্ধতি সংস্কাৰৰ যথেষ্ট থল আছে। কাৰণ বৰ্ত্তমান শিক্ষা ব্যৱস্থাত কোনো এজন ছাত্ৰ বা ছাত্ৰীয়ে শ্ৰেণীত উপস্থিত নথকাকৈ বা পাঠ্যপুথিৰ সামান্যতম জ্ঞান নথকাকৈ লগতে গ্ৰন্থাগাৰিকৰ কাষ নচপাকৈ বা কোনো ধৰণৰ Reference কিতাপ নপঢ়াকৈ বজাৰৰ নোটৰ কিতাপ আৰু প্ৰশ্নোত্তৰ ভাণ্ডাৰৰ সহায়েৰে অনায়েসে পৰীক্ষা পাছ কৰিব পাৰে। গতিকে উপযুক্ত শিক্ষা লাভ কৰিবলৈ হলে লিখন প্ৰশ্ন কাকতৰ মূল্যায়ন ৬০ নম্বৰৰ আৰু ৪০ নম্বৰৰ মূল্যায়ন মহাবিদ্যালয়ৰ কৰ্ত্তপক্ষৰ হাতত ন্যস্ত থাকিব লাগে। সেই ৪০ নম্বৰৰ মূল্যায়ন ছাত্ৰ-ছাত্ৰীৰ শ্ৰেণী উপস্থিতি, আভ্যন্তৰীণ পৰীক্ষাৰ ফলাফল, কৰ্ম্ম অভিজ্ঞতা Extra curricular activities আদিৰ



ওপৰত হব লাগে। মানুহ হিচাপে উপযুক্ত শিক্ষা দি গঢ়ি তোলা আৰু পৰীক্ষা পাছ কৰি ডিগ্ৰী লাভ কৰা দুটা বেলেগ বেলেগ দিশ। গতিকে পৰীক্ষা পদ্ধতিৰ সংস্কাৰ নহলে শিক্ষাৰ মানদণ্ড কেতিয়াও উন্নত হব নোৱাৰে।

৪ নং প্ৰশ্ন :—আজি কেইবছৰ মানৰ পৰা ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাৰ ফলাফল সন্তোষজনক নহয়। ইয়াৰ বাবে বৰ্ত্তমানৰ শিক্ষা ব্যৱস্থা দায়ী নেকি ? যদি হয় আপোনাৰ মতামত জনাব নেকি ?

উত্তৰ :— বিভিন্ন চূড়ান্ত পৰীক্ষাৰ ফলাফল নিম্নগামী হোৱাৰ কাৰণে আমাৰ শিক্ষা ব্যৱস্থা বহু পৰিমাণে দায়ী যদিও অভিভাৱক বা সমাজো তাৰ পৰা এৰাই যাব নোৱাৰে। অভিভাৱক, সমাজ, ছাত্ৰ আৰু শিক্ষক আটাইৰে উমৈহতীয়া প্ৰচেষ্টাত এক সুন্দৰ শৈক্ষিক পৰিবেশ গঢ়িব পৰা যায়। উন্নত পৰিবেশে উন্নত ফল দানত সহায় কৰে। ১৯৯২ চনৰ জুন মাহৰ ১৯ তাৰিখে গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য মাননীয় ড° নিৰ্ম্মল কুমাৰ চৌধুৰী দেৱে কোনোধৰণৰ আগতীয়া জাননী নিদিয়াকৈ হঠাৎ পৰীক্ষা কেন্দ্ৰ পৰিদৰ্শনৰ কাৰণে ৰাতিপুৱা ৯-৩০ বজাত আৰু আবেলি ৩-১০ বজাত আমাৰ মহাবিদ্যালয়ত উপস্থিত হৈছিলহি। তেতিয়া বৰ্ত্তমানৰ পৰীক্ষা পদ্ধতি আৰু বিভিন্ন সমস্যাবোৰ তেখেতৰ লগত আলোচনা কৰিছিলো। তেখেতে মোৰ অভিজ্ঞতাৰ ভিত্তিত উক্ত দিশত পৰামৰ্শ আগবঢ়াই লিখিবলৈ কৈছিল। উপাচাৰ্য্য মহোদয়ৰ পৰামৰ্শৰ ভিত্তিত মোৰ অভিজ্ঞতাৰে ঢুকি পোৱা সম্ভাব্য সকলো দিশৰ বিৱৰণ লিখিত ভাবে দাঙি ধৰা হৈছিল। গতিকে মোৰ বোধেৰে এই ক্ষেত্ৰত বৰ্ত্তমান শিক্ষা ব্যৱস্থা বহু পৰিমাণে দায়ী। গোটেই শিক্ষা পদ্ধতিৰ আমুল পৰিবৰ্ত্তন সাধন কৰিব লাগিব।

৫নং প্ৰশ্ন :—১৯৯৩-৯৪ চনৰ উঃ মাঃ পৰ্য্যায়ৰ প্ৰথম বাৰ্ষিক বছৰেকীয়া পৰীক্ষা বৰ্ত্তমান council য়ে পাতিছে। মই শুনিবলৈ পাইছো যে এই পৰীক্ষাৰ নম্বৰবোৰ Final (চূড়ান্ত) পৰীক্ষাত যোগ হব। এতিয়া প্ৰশ্ন হল কেনেকুৱা ভিত্তিত এই নম্বৰ সমূহ যোগ হব ? এইটো কৰিলে জানো ছাত্ৰ-ছাত্ৰী উপকৃত হব ? আপোনাৰ মতামত কি ?

উত্তৰ :— মহাবিদ্যালয় সমূহলৈ পৰিষদে বৰ্ত্তমানলৈ একো জনোৱা নাই। গতিকে এই সম্পৰ্কত একো মন্তব্য দিব পৰা নাযায়। যি হেতু নম্বৰ তালিকাত দ্বিতীয় বৰ্ষলৈ উত্তীৰ্ণ হোৱা বুলিহে দেখুৱাইছে, তেনেক্ষেত্ৰত ১ম বৰ্ষৰ নম্বৰ ২য় বৰ্ষৰ নম্বৰৰ লগত যোগ নহব যেন লাগে। যিহেতু ১ম বৰ্ষ আৰু ২য় বৰ্ষৰ পাঠ্যসূচী বেলেগ বেলেগ তেনে ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকল বেছি উপকৃত হব বুলি কব নোৱাৰি। অৱশ্যে ছাত্ৰ ছাত্ৰসকলে ১ম বৰ্ষৰ পৰীক্ষাৰ কাৰণে পঢ়া শুনা কৰি নিজকে অধিক সাজু কৰি তুলিব লগাত পৰিছে, যিটো হয়তো মহাবিদ্যালয়ে পতা আভ্যন্তৰীণ পৰীক্ষাৰ ক্ষেত্ৰত নহলহেতেন।

৬নং প্ৰশ্ন — ১৯৯৫ চনত যিবিলাক ছাত্ৰছাত্ৰীয়ে Part—I পৰীক্ষা দিব এই ছাত্ৰ ছাত্ৰী সকলে F. C ৰ পৰীক্ষা দিব নালাগে বুলি বিভাগীয় প্ৰৱক্তাৰ পৰা জানিব পাৰিছো। এতিয়া প্ৰশ্ন হল নতুন শিক্ষানীতি F. C উঠাই

দিয়াত, ছাত্ৰ-ছাত্ৰীসকলৰ পৰীক্ষা উত্তীৰ্ণ হোৱাত অসুবিধা সৃষ্টি হব নেকি ? এই বিষয়ে বহলাই কলে আনন্দিত হম।

উত্তৰঃ—বিশ্ববিদ্যালয়ৰ নিৰ্দ্দিষ্ট পাঠ্যক্ৰম আদি প্ৰবৰ্ত্তন কৰা হয়। বিশ্ববিদ্যালয়ৰ নিৰ্দ্দেশক্ৰমে F. C. স্নাতক পৰ্য্যায়লৈ প্ৰবৰ্ত্তন কৰা হৈছিল আৰু পুনৰ নিৰ্দেশক্ৰমে উক্ত পাঠ্যক্ৰম উঠাই দিয়া হৈছে। গতিকে যিহেতু বিশ্ববিদ্যালয়ে বিষয়টো উঠাই দিছে তেনেক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাত কোনো অসুবিধা হব নোৱাৰে। যিহেতু বিশ্ববিদ্যালয়ৰ ভঙা পতাৰ কৰ্ত্তৃত্ব আছে।

মই আগতেই কৈ আহিছো যে আমাৰ শিক্ষা ব্যৱস্থাটো মাত্ৰ এক প্ৰহসনত পৰিণত হৈছে ! যাৰ যি মন যায় তেনেভাবে প্ৰয়োগ কৰে, অসুবিধাত পৰিলে বাতিল কৰে। স্বাধীনতাৰ ৪৮ বছৰ পিছতো আমাৰ শিক্ষা ব্যৱস্থাৰ কোনো পৰিবৰ্ত্তন নঘটিল। বৃটিছ শাসকসকলে ভাৰতত শিক্ষা ব্যৱস্থা প্ৰবৰ্ত্তন কৰি কেৰাণী বা মহৰীৰ উপযোগী বুলি দোষাৰোপ বা গালি-শপনি দিয়া হৈছিল, কিন্তু কাৰ্য্যতঃ সেই শিক্ষা ব্যৱস্থাৰ কোনো পৰিবৰ্ত্তন হোৱা নাই। মই ভাবো যে ভাৰতীয় আদৰ্শ, দৰ্শন, পৰম্পৰা আৰু সংস্কৃতিৰ ভিত্তিত ভাৰতীয় মাটি-পানী বায়ুৰ উপযোগী শিক্ষা যদি প্ৰবৰ্ত্তন কৰা নহয়, বৰ্ত্তমান শিক্ষা পদ্ধতিয়ে সমাজৰ কোনো ধৰণৰ সুফল আনি দিব নোৱাৰিব।

৭নং প্ৰশ্নঃ—নিৰ্মল হালৈ মহাবিদ্যালয়ৰ সৈতে আপোনাৰ সম্বন্ধ সম্পৰ্কে দুআষাৰ কব নেকি ?

উত্তৰ :— নিৰ্মল হালৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক- শিক্ষয়ত্ৰী, কাৰ্য্যালয় কৰ্মচাৰী, দাঁতা, প্ৰশাসনিক সমিতি প্ৰমুখ্যে অভিভাৱক, শুভাকাঙ্খী আৰু আঞ্চলিক ৰাইজ সকলোকে সামৰি লয়। মই আগতেই কৈ আহিছো, মই কৰ্মত অতি বিশ্বাসী। অধ্যক্ষ হিচাপে যেতিয়া মই সেই চকীখনৰ দায়িত্ব বহন কৰিছো, মোৰ প্ৰথম কৰ্ত্তব্য সেই চকীখনৰ মৰ্য্যদা সদায় অক্ষুন্ন ৰখাটো। অধ্যক্ষৰ চাকৰি অতি গুৰুত্বপূৰ্ণ আৰু দায়িত্বশীল। প্ৰতিজন ব্যক্তি বা সকলোকে সমানে সন্তুষ্ট ৰখাটো এজন ব্যক্তিৰ পক্ষে সম্ভৱপৰ নহয়। তথাপি মই যথাসাধ্য চেষ্টা কৰিছো যে মোক যি সকল ব্যক্তিয়ে মোৰ ওপৰত সেই দায়িত্ব ভাৰ অৰ্পণ কৰিছে, তেখেতসকলৰ মৰ্য্যদা অক্ষুন্ন ৰাখি, মোৰ ওপৰত ন্যস্ত কৰা দায়িত্ব নিয়াৰিকৈ পালন কৰাৰ। বিভিন্ন সময়ত, বিভিন্ন দিশত ঠেকা-খুন্দা বা তিতা-কেহাৰ সোৱাদ পাব লগা হৈছিল যদিও, সেই সকলোবোৰে মোক অধিক দায়িত্বশীল আৰু কৰ্ত্তব্যৰ প্ৰতি অধিক সজাগ কৰি তুলিছে, প্ৰেৰণা দিছে কাম কৰাৰ।

৮নং প্ৰশ্ন :— বৰ্ত্তমান অসমত মহাবিদ্যালয় মঞ্জুৰী আয়োগৰ নীতিৰ দ্বাৰা ৫৫% ভাগ নম্বৰ নোপোৱা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰা সকলক মহাবিদ্যালয়ৰ চাকৰিৰ পৰা বঞ্চিত কৰা হৈছে। বিশেষকৈ ইংৰাজী, অসমীয়া আদি সাহিত্য বিষয় সমূহত বৰ্ত্তমান পৰীক্ষা পদ্ধতিত আমাৰ ৰাজ্যৰ অতি কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে উল্লেখিত নম্বৰ পায়। এই ক্ষেত্ৰত এনে নীতিৰ আপুনি পক্ষপাতিনে ?

উত্তৰ :— বিশ্ববিদ্যালয় অনুদান আয়োগৰ



নিয়ম অনুসৰি ১৯৮৬ চনৰ ১ জানুৱাৰী তাৰিখৰ পৰা শতকৰা ৫৫ ভাগ নম্বৰ পোৱা শিক্ষকহে চাকৰিৰ যোগ্য বুলি বিবেচনা কৰা হৈছে। তাৰ আগেয়ে উক্ত নিয়মৰ সীমাবদ্ধতা আছিল ৫২˙৫ শতাংশ। কিন্তু কাৰ্য্যতঃ দেখা গৈছিল যে শিক্ষা বিভাগে বিভিন্ন কৌশলেৰে নিয়ম শিথিল কৰি দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱা নিম্নতম নম্বৰ পোৱা প্ৰাৰ্থীকো চাকৰিত ৰখা হৈছে। মোৰ বোধেৰে শতকৰা ৬০% শিক্ষককেই অনুদান আয়োগৰ নিয়মৰ বাহিৰত নিযুক্তি দিয়া হৈছে। এটা নিয়ম ৰক্ষা কৰিব গৈ যথাৰ্থতে সেই নিয়ম ভংগ কৰা হৈছে। সেই ফালৰ পৰা তেনে নিয়ম তেনেই মূল্যহীন। এজন শিক্ষকে ৫৫% নম্বৰ পালে উপযুক্ত শিক্ষক বুলি পৰিগণিত নহব পাৰে, আনহাতে শতকৰা ৪৫ ভাগ নম্বৰ পোৱা এজনে কৃতি শিক্ষক হিচাপে পৰিচয় দিব পাৰে। তেনে উদাহৰণ বিচাৰিলে বহুত পোৱা যায়। অকল পৰীক্ষাৰ নম্বৰৰ ভিত্তিত উপযুক্ত শিক্ষকৰ যোগ্যতা নিৰূপন কৰিব পৰা হয় বুলি মই নাভাবো। ইংৰাজী, অসমীয়া আদি বিভাগত অতি কম সংখ্যক ছাত্ৰ-ছাত্ৰীয়েহে অনুদান আয়োগৰ নিৰ্ধিৰ নম্বৰ লাভ কৰে। বিশেষকৈ ইংৰাজী বিভাগৰ শিক্ষক অসমৰ বাহিৰৰ পৰা আনিব লগা হয়। এই ক্ষেত্ৰত থলুৱা স্বাৰ্থ আৰু নিবনুৱা সমস্যা ৰক্ষা কৰি চৰকাৰে এটা শুদ্ধ নীতি গ্ৰহণ কৰিব লাগিব। গতিকে সময়ৰ গতিত বিশ্ববিদ্যালয় সমূহে কিছু নিয়ম শিথিল বা সলনি কৰিবৰ হ'ল।

৯নং প্ৰশ্ন :— সদৌ শেষত নতুন শিক্ষক, নতুন ছাত্ৰ ছাত্ৰীৰ প্ৰতি আপোনাৰ মনোভাৱ কেনে ? তেওঁলোকক আপোনাৰ কিবা কব লগা আছে নেকি ?

উত্তৰ :—নতুন শিক্ষক, নতুন ছাত্ৰ-ছাত্ৰী বুলি মোৰ কোনো কথা নাই। শিক্ষকেই হওঁক বা ছাত্ৰ-ছাত্ৰী হওঁক সকলো ক্ষেত্ৰতেই তেওঁলোকৰ মনৰ মাজত সোমাই পৰাৰ চেষ্টা কৰিছো। মোৰ ল'ৰা ছোৱালী বা ভাই ভনী হিচাপে বিচাৰ বিবেচনা কৰি আহিছো। তেওঁলোকৰ অভাৱ অভিযোগ সমূহ যথাসাধ্যে সমাধান কৰাৰ চেষ্টা কৰিছো। শেষত সকলোৰে প্ৰতি মোৰ এটাই অনুৰোধ যে প্ৰত্যেকেই নিজৰ কৰ্ত্তব্যৰ প্ৰতি সজাগ হওঁক। নিষ্ঠা সহকাৰে নিজৰ দায়িত্ব আৰু কৰ্ত্তব্য পালন কৰক। তেতিয়াহে নিজৰ, সমাজৰ আৰু দেশৰ মংগল সাধন হব। □